www.epaper.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. (Title) : ASSASS01389

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

‘ জীৱনত আগুৱাই যাব বিচাৰিছা যদি বাস্তৱৰ সন্মুখীন হ’বলৈ শিকা।
--- জুলিয়েট বেষ্টিয়েনা --- ’

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰচত বিভিন্ন ধৰণৰ বিজ্ঞাপন ‘অসম বাৰ্তা’ কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- ‘অসম বাৰ্তা’ গোষ্ঠী -

❒ ষষ্ঠ বছৰ ❒ সংখ্যা - ১৬২ ❒ বুধবাৰ ❒ ৩০ জুলাই, ২০২৫ চন ❒ ১৩ শাওন, ১৯৪৭ শক ❒ VOL - 6 ❒ NO.- 162 ❒ Wednesday ❒ 30th July, 2025 ❒ মূল্য ঃ ১০.০০ টকা ❒ মুঠ পৃষ্ঠা ঃ ৮

দেৱলাল গাৰ্লোচাৰ বিৰুদ্ধে ব্যক্তিগত মুনাফাৰ স্বাৰ্থত হোটেল নিৰ্মাণৰ অভিযোগ

## অনাথ আশ্ৰম ভাঙি বিলাসী হোটেল নিৰ্মাণ

### চৰকাৰী পুঁজিৰ অপব্যৱহাৰ, অনাথ শিশুৰ কল্যাণৰ বাবে নিৰ্মিত প্ৰকল্পৰ ধ্বংসৰ অভিযোগ

**অসম বাৰ্তা, ডিমা হাছাও, ২৯ জুলাই ঃ** উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোচাৰ বিৰুদ্ধে কেন্দ্ৰীয় চৰকাৰৰ পুঁজিৰে নিৰ্মিত অনাথ আশ্ৰম ভাঙি তাৰ স্থানত বিলাসী ▸▸৬ পৃষ্ঠাত



## এন চি ই আৰ টিৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত হ’ব ‘অপাৰেচন সেন্দূৰ’ৰ সাফল্য

**অনলাইন ডেস্ক, অসম বাৰ্তা, ২৯ জুলাই ঃ** দেশৰ নতুন প্ৰজন্মৰ মাজত দেশপ্ৰেমৰ চেতনা জাগ্ৰত কৰাৰ লক্ষ্যৰে ৰাষ্ট্ৰীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদে (এন চি ই আৰ টি) এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। এই উদ্দেশ্যৰে ভাৰতীয় সেনাৰ




বীৰত্বপূৰ্ণ অভিযান ‘অপাৰেচন সেন্দূৰ’ৰ সাফল্য আৰু সেনাৰ গৌৰৱময় ইতিহাসক বিদ্যালয়ৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰাৰ এক বিশেষ উদ্যোগ গ্ৰহণ কৰা হৈছে। এই উদ্যোগৰ মাধ্যমে শিক্ষাৰ্থীসকলক পাকিস্তানৰ সন্ত্ৰাসবাদী কাৰ্যকলাপৰ বিৰুদ্ধে ভাৰতীয় সেনাৰ সফল প্ৰতিক্ৰিয়া ‘অপাৰেচন সেন্দূৰ’ৰ বিষয়ে বিস্তৃতভাৱে অৱগত কৰাৰ পৰিকল্পনা কৰা ▸▸৬ পৃষ্ঠাত

▪ শিক্ষাখণ্ডৰ অৱনতি; দুটা শৈক্ষিক বৰ্ষত ৰাজ্যত আঢ়ৈ লক্ষাধিক শিক্ষাৰ্থী হ্ৰাস ▪

# অসমত দুই সহস্ৰাধিক চৰকাৰী বিদ্যালয় হ্ৰাস

“ লোকসভাত অসমত চৰকাৰী শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ উদ্বেগজনকভাৱে তথ্য ফাদিল

**অসম বাৰ্তা, নিউজ ডেস্ক, ২৯ জুলাই ঃ** ৰাজ্য চৰকাৰে শিক্ষাখণ্ডৰ উন্নয়নৰ বাবে বিভিন্ন আঁচনি ৰূপায়ণৰ দাবী কৰাৰ সময়তে অসমত চৰকাৰী শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা উদ্বেগজনকভাৱে হ্ৰাস পাইছে। কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে লোকসভাত প্ৰকাশ কৰা তথ্য অনুসৰি, মুখ্যমন্ত্ৰী হিচাপে হিমন্ত বিশ্ব শৰ্মাৰ কাৰ্যকালৰ প্ৰথম ▸▸৬ পৃষ্ঠাত



নন্দিনীৰ দুৰ্ঘটনাগ্ৰস্ত বাহন জব্দ আৰক্ষীৰ

## অভিনেত্ৰী নন্দিনী কাশ্যপক আটক

**অসম বাৰ্তা, মহানগৰ, ২৯ জুলাই ঃ** অসমৰ জনপ্ৰিয় অভিনেত্ৰী নন্দিনী কাশ্যপক হিট-এণ্ড-ৰানৰ গুৰুতৰ অভিযোগৰ সন্দৰ্ভত মঙলবাৰে দিছপুৰ আৰক্ষীয়ে আটক কৰে। ৰাজধানীৰ থিয়েটাৰৰ এক অনুষ্ঠানৰ আখৰাৰ পৰা ওলাই অহাৰ সময়ত আৰক্ষীয়ে তেওঁক আটক কৰি দিছপুৰ থানালৈ লৈ যায়। এই ঘটনাই মহানগৰীত তীব্ৰ চাঞ্চল্যৰ ▸▸৫ পৃষ্ঠাত



## অবৈধ সুৰা ব্যৱসায়ৰে জড়িত বিজেপিৰ যুৱ মৰ্চাৰ নেতাক গ্ৰেপ্তাৰ

**অসম বাৰ্তা, ধুবুৰী, ২৯ জুলাই ঃ** ধুবুৰী জিলাৰ বিলাসীপাৰাৰ বিজেপি যুৱ মৰ্চাৰ সাধাৰণ সম্পাদক ৰাকেশ নাগৰ চোৰাং বিদেশী সুৰাৰ ৰমৰমীয়া ব্যৱসায় অৱশেষত ফাদিল হৈ পৰিল। গোলাঘাটৰ এখন সুৰা ▸▸৫ পৃষ্ঠাত

আজিৰ কলম

### পৰিৱৰ্তনশীল সমাজত ব্যস্ততা ভৰা জীৱন চৰ্চা



শৰৎ চন্দ্ৰ চিৰিং ফুকন

আমি বসবাস কৰা সমাজবোৰ কাহানিও স্থবিৰ নহয়, গতিশীল। যুগে যুগে আমি মানৱ সমাজৰ মাজত পৰিৱৰ্তনৰ ৰেহৰূপ অথবা ৰূপৰেখা প্ৰত্যক্ষ কৰি আহিছোঁ। ▸▸৬ পৃষ্ঠাত

দিছপুৰ থানাত প্ৰায় আঠ ঘণ্টা ধৰি জেৰা নন্দিনী কাশ্যপক

## গুৱাহাটীৰ হিট-এণ্ড-ৰান দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত ছামিউল হকৰ মৃত্যু

### ৰাজধানী থিয়েটাৰৰ নন্দিনাৰ সৈতে দুবছৰীয়া চুক্তি বাতিল

**অসম বাৰ্তা, গুৱাহাটী, ২৯ জুলাই ঃ** অসমীয়া চলচ্চিত্ৰ আৰু থিয়েটাৰৰ অভিনেত্ৰী নন্দিনী কাশ্যপৰ সৈতে জড়িত হিট-এণ্ড-ৰান দুৰ্ঘটনাত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত ২৩ বছৰীয়া ছামিউল হকে মঙলবাৰে গুৱাহাটীৰ এপ’ল’ হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰে। ইঞ্জিনিয়াৰিঙৰ অন্তিম বৰ্ষৰ ছাত্ৰ ছামিউলে ২৫ জুলাইৰ এই মৰ্মান্তিক দুৰ্ঘটনাৰ মাত্ৰ কেইঘণ্টামান পূৰ্বে গুৱাহাটী পৌৰ নিগমত অস্থায়ী কৰ্মচাৰী হিচাপে যোগদান ▸▸৬ পৃষ্ঠাত



ৰেংমা বনাঞ্চলত চলিল প্ৰশাসনৰ বুল্‌ডজাৰ

## উৰিয়ামঘাটত অসমৰ সৰ্ববৃহৎ উচ্ছেদ অভিযান


**অসম বাৰ্তা, ধনশিৰি, ২৯ জুলাই ঃ** অসম-নাগালেণ্ড সীমান্তৰ উৰিয়ামঘাট ৰেংমা সংৰক্ষিত বনাঞ্চলত আজিৰে পৰা আৰম্ভ হ’ল উচ্ছেদ অভিযান। অসমৰ ভিতৰতে সৰ্ববৃহৎ এই উচ্ছেদ অভিযানটোৰ প্ৰথম দিনটোত বিদ্যাপুৰ বজাৰকে ধৰি অবৈধভাৱে থকা বাসগৃহসমূহত চলিল প্ৰশাসনৰ বুলডজাৰ। দোকানঞ্চবজাৰৰ ঘৰ সমূহ বুল্ডজাৰৰ কোবত মুহূৰ্ততে তচনচ হৈ পৰিল। ধ্বংসস্তূপত পৰিণত ▸▸৬ পৃষ্ঠাত






সন্ত্ৰাসবাদৰ ঘাইশিপাডাল যিমানে টান হওক নাওক, প্ৰয়োজনে পুলিয়ে-পোখাই গুৰিৰ পৰা উঘালিবলৈ সাজু চৰকাৰ


## অপাৰেশ্যন সেন্দূৰ হ’ব পুনৰ আৰম্ভ ঃ ৰাজনাথ সিং



**অসম বাৰ্তা, নতুন দিল্লী, ২৯ জুলাই ঃ** সংসদৰ বৰ্ষাকালীন অধিৱেশনৰ মাজত পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণ আৰু ‘অপাৰেশ্যন সেন্দূৰ’ৰ বিষয়ে লোকসভাত তীব্ৰ বিতৰ্ক চলি আছে। ▸▸৬ পৃষ্ঠাত

## অসম, বংগত জনগাঁথনিৰ পৰিৱৰ্তন ‘এটা টাইম ব’ম্ব’

**অসম বাৰ্তা, গুৱাহাটী, ২৯ জুলাই ঃ** ভাৰতৰ কিছু অংশত বিশেষকৈ অসম আৰু পশ্চিম বংগত হোৱা জনগাঁথনিগত পৰিৱৰ্তনক তামিলনাডুৰ ৰাজ্যপাল আৰ এন ৰবিয়ে “এটা টাইম ব’ম্ব” বুলি অভিহিত কৰি জৰুৰী ৰাষ্ট্ৰীয় মনোযোগ ▸▸৬ পৃষ্ঠাত



আদানি গ্ৰুপৰ গুৱাহাটীৰ বৰঝাৰ বিমান বন্দৰৰ সম্প্ৰসাৰণ




## এৰ’চিটি নিৰ্মাণৰ বাবে ১,১১৬ পৰিয়ালৰ ৪১০ বিঘা ভূমি অধিগ্ৰহণ

**অসম বাৰ্তা, গুৱাহাটী, ২৯ জুলাই ঃ** দেশৰ প্ৰখ্যাত পুঁজিপতি গোষ্ঠী আদানি গ্ৰুপৰ অধীনত গুৱাহাটীৰ বৰঝাৰ বিমানবন্দৰৰ সম্প্ৰসাৰণ আৰু এৰ’চিটি নিৰ্মাণৰ উদ্দেশ্যে বিমানবন্দৰৰ নিকটৰ অঞ্চলত বৃহৎ পৰিমাণৰ ভূমি অধিগ্ৰহণৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। এই ▸▸৬ পৃষ্ঠাত

কাৰাগাৰৰ দৰে অসামৰিক অবকাঠামোৰ ওপৰত আক্ৰমণ চলোৱাটো অগ্ৰহণযোগ্য

## ইউক্ৰেইনৰ কাৰাগাৰত ৰাছিয়াৰ গোলাবৰ্ষণত নিহত ১৭ কাৰাবন্দী



**ইণ্টাৰনেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৯ জুলাই ঃ** ইউক্ৰেইনৰ দক্ষিণ-পূবাঞ্চলৰ সীমান্তৱৰ্তী জাপ’ৰিজিয়া অঞ্চলত অৱস্থিত বিলেঙ্কিভস্কা কাৰাগাৰত ৰাছিয়াৰ সেনাই ▸▸৬ পৃষ্ঠাত

সংসদত নৰেন্দ্ৰ মোদীৰ ‘অপাৰেশ্যন সেন্দূৰ’ৰ সফলতাৰ বৰ্ণনা

## ১৯৩খন দেশৰ ভিতৰত মাত্ৰ তিনিখনেহে পাকিস্তানৰ পক্ষে থিয় দিছিল ঃ প্ৰধানমন্ত্ৰী



**অসম বাৰ্তা, অনলাইন বাৰ্তা, ২৯ জুলাই ঃ** মঙলবাৰে লোকসভাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ‘অপাৰেশ্যন সেন্দূৰ’ক কেন্দ্ৰ কৰি চৰকাৰৰ পক্ষে বক্তব্য প্ৰকাশ কৰে। তেওঁ এই অভিযানক ভাৰতৰ বিজয় উৎসৱৰ অধিৱেশন হিচাপে বৰ্ণনা কৰি কয়, “এয়া সন্ত্ৰাসবাদীক সমাধিস্থ কৰাৰ অধিৱেশন, ১৪০ কোটি ▸▸৬ পৃষ্ঠাত

# সৰুপথাৰত ভয়ংকৰ পথ দুৰ্ঘটনা থিতাতে নিহত এজন

**অসম বাৰ্তা, ধনশিৰি, ২৯ জুলাই ঃ** সৰুপথাৰ গন্ধকৰৈ গাঁৱত ভয়ংকৰ পথ দুৰ্ঘটনা, থিতাতে নিহত হয় এজন। সৰুপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত 1নং গন্ধকৰৈ গাঁৱৰ তিৰুৱাল নামঘৰৰ পৰা কিছু নিলগত সংঘটিত হয় এই পথ দুৰ্ঘটনা। গন্ধকৰৈ গাঁও অভিমুখে গৈ থকা এখন এএচ05ইউ 6847 নম্বৰৰ টিভিএচ ৰাইডাৰ মটৰ চাইকেল আৰু সৰুপথাৰ নগৰ অভিমুখে আহি থকা এএচ12চিচি 1002 নম্বৰৰ এখন সামগ্ৰী কঢ়িওৱা বলেৰ' বাহনৰ মাজত মুখামুখি সংঘৰ্ষ হয়। জানিব পৰা তথ্য মতে উক্ত পথ দুৰ্ঘটনাত মটৰ চাইকেলৰ চালকজন সৰুপথাৰ 2নং টেংৰাজান গাঁৱৰ বাসিন্দা জিতু গগৈ নামৰ লোকজনৰ থিতাতে মৃত্যু হয়। তেখেত প্ৰয়াত সৰুকণ গগৈৰ পুত্ৰ বুলি জানিব পৰা গৈছে। আনহাতে মটৰ চাইকেলখনত উঠি অহা বিৰাজ শইকীয়া নামৰ এজন লোক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। তেখেতৰ ঘৰ গড়গাঁও অঞ্চলত বুলি জানিব পৰা গৈছে। ঘটনা সংঘটিত হোৱা মটৰ চাইকেলখনৰ গৰাকী বিৰাজ শইকীয়া বুলি জানিব পৰা গৈছে। মটৰ চাইকেলখন সৰুপথাৰ নগৰত চাভিচিং কৰি গন্ধকৰৈ গাঁও অভিমুখে উভতি গৈছিল আৰু বলেৰ' বাহনখন উৰিয়ামঘাটত উচ্ছেদ হ'বলগীয়া বিদ্যাপুৰ অঞ্চলৰ পৰা এটি ৰেফ্ৰিজাৰেটৰ আৰু অন্যান্য সামগ্ৰী লৈ আহিছিল। ঘটনাস্থলীত সৰুপথাৰ আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰাৰ লগতে আঘাতপ্ৰাপ্ত লোকজনক সৰুপথাৰ সমজিলা অসামৰিক চিকিৎসায়লৈ প্ৰেৰণ কৰে।

অভিযন্তা জ্যোষিতা দাসৰ আত্মহত্যাই উদঙাইছে দুৰ্নীতিৰ ক্ষেত্ৰত শূন্য সহনশীল বিজেপিৰ প্ৰকৃত স্বৰূপ

# জ্যোষিতা দাসৰ আত্মহত্যাৰ চিবিআই তদন্তৰ দাবীত মৰিগাঁও জিলা কংগ্ৰেছৰ প্ৰতিবাদী কাৰ্যসূচী

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ২৯ জুলাই ঃ** মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ দায়িত্বত থকা লোকনিৰ্মাণ বিভাগৰ যুৱ অভিযন্তা জ্যোষিতা দাসৰ আত্মহত্যাৰ চি বি আই তদন্তৰ দাবীত আজি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে মৰিগাঁও জিলা কংগ্ৰেছে। উল্লেখযোগ্য যে যোৱা 22 জুলাইত বঙাইগাঁৱৰ লোকনিৰ্মাণ বিভাগৰ কনিষ্ঠ অভিযন্তা জ্যোষিতা দাসে আত্মহত্যা কৰিছিল। আনহাতে কনিষ্ঠ অভিযন্তা গৰাকীয়ে চুইচাইড নোটত ঊৰ্ধ্বতন বিষয়াসকলে এটা অসম্পূৰ্ণ নিৰ্মাণ প্ৰকল্পৰ বাবে জালিয়তিৰ আশ্ৰয় লৈ বিল অনুমোদনৰ বাবে তেওঁক অহৰহ হেঁচা প্ৰয়োগ কৰি মানসিক নিৰ্যাতন চলাই অহাৰ বাবেই উপায়ন্তৰ হৈ আত্মহত্যাৰে জীৱনৰ পৰিসমাপ্তি ঘটাবলৈ বাধ্য হোৱা বুলি লিপিবদ্ধ কৰিছিল। ইতিমধ্যে জ্যোষিতা দাসৰ মাতৃয়েও উক্ত অভিযোগ উত্থাপন কৰি এজাহাৰ দাখিল কৰিছে। এই সন্দৰ্ভত আজি এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি জ্যোতিষা দাসৰ আত্মহত্যাৰ চি বি আই তদন্ত ঘোষণা কৰিবলৈ দাবী জনায়। মৰিগাঁও জিলা কংগ্ৰেছ কাৰ্যালয়ত অনুষ্ঠিত হোৱা প্ৰতিবাদী কাৰ্যসূচীত উপস্থিত থকা মৰিগাঁও জিলা কংগ্ৰেছৰ সভাপতি বীৰ কুমাৰ কোঁৱৰ, প্ৰাক্তন সভাপতি তথা তিৱা স্বায়ত্ত পৰিষদৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য ৰমেশ বৰদলৈ, মৰিগাঁও জিলা কংগ্ৰেছৰ তত্বাৱধায়ক মতিউৰ ৰহমান, জিলা কংগ্ৰেছৰ প্ৰশাসনিক সাধাৰণ সম্পাদক মুনিন্দ্ৰ কুমাৰ নাথ, সাংগঠনিক সাধাৰণ সম্পাদক ৰবীন্দ্ৰ তামোলী জেষ্ঠ কংগ্ৰেছ নেতা শশীমোহন বিশ্বাস, সীমান্ত হাজৰিকাকে প্ৰমুখ্যে কৰি ভালেমান কংগ্ৰেছ নেতা কৰ্মী উপস্থিত থাকে।




# ঠেঙাল কছাৰী সাহিত্য সভা, অসমৰ নতুন সমিতি গঠন

## দ্বীপেন বৰাক সভাপতি-অংকুৰ ৰঞ্জন শইকীয়াক প্ৰধান সম্পাদক নিৰ্বাচিত

**অসম বাৰ্তা, মেৰাপানী, ২৯ জুলাই ঃ** গোলাঘাটৰ জনজাতি ভৱনত আজি ঠেঙ্গাল কছাৰী সাহিত্য সভা, অসমৰ প্ৰতিনিধি সভা সম্পূৰ্ণ। সেই উপলক্ষে ঠেঙ্গাল কছাৰী সংগঠন, অসমৰ সভাপতি দ্বীপেন বৰাৰ সভাপতিত্বত অনুষ্ঠিত সংগঠনৰ প্ৰধান সম্পাদক ডঃ পদ্ম হাজৰিকাই আঁত ধৰা সভাত সভাৰ। প্ৰায় চাৰিখন জিলাৰ প্ৰতিনিধি সকলৰ উপস্থিতিত সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে প্ৰধান সম্পাদকে। প্ৰতিনিধি সভাত সদৌ অসম ঠেঙাল কছাৰী সংগঠনৰ সভাপতি মাইনা মাধৱ কাছাৰী ইয়াৰ পাছতে প্ৰতিনিধি সকলৰ সৰ্ব সন্মতি সিদ্ধান্ত মৰ্মে দ্বীপেন বৰা (গোলাঘাট) ক সভাপতি, পদ্ম হাজৰিকা (লক্ষ্মীমপুৰ), হৃদয় ৰঞ্জন দাস(গুৱাহাটী), ৰত্নেশ্বৰ কছাৰী(যোৰহাট) ক উপ-সভাপতি, অংকুৰ ৰঞ্জন শইকীয়া (গোলাঘাট )প্ৰধান সম্পাদক, ৰাজু ঠেঙ্গাল (গোলাঘাট), জয়ন্ত শইকীয়া(কাৰ্বি আংলং)ক সাংগঠনিক সম্পাদক, দেৱশ্ৰী হাজৰিকা( যোৰহাট)ক আৰু অংকুৰ ঠেঙ্গাল (গোলাঘাট)ক সাংস্কৃতিক সম্পাদক হিচাপে ঠেঙ্গাল কছাৰী সংগঠন, অসমৰ নতুন সমিতি গঠন কৰা হয়। ইফালে পৰৱৰ্তী কাৰ্যনিৰ্বাহক সভাত সমিতিখন পূৰ্ণাংগ সমিতি গঠন কৰা হ'ব বুলি নৱ নিৰ্বাচিত প্ৰধান সম্পাদক অংকুৰ ৰঞ্জন শইকীয়াই এক প্ৰেছটোকা যোগে জানিবলৈ দিয়ে।

# কচুৱাত চালান বিহীন বালি ভৰ্তি ডাম্পাৰ জব্দ বন বিভাগৰ

**অসম বাৰ্তা, কচুৱা, ২৯ জুলাই ঃ** নগাঁও জিলাৰ কামপুৰ বনাঞ্চলিক বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত লংজাপৰ পৰা বালি কঢ়িয়াই অনা ডাম্পাৰ জব্দ কৰে বন বিভাগে। যোৱা নিশা AS-02-EC-1870 নম্বৰৰ চালান বিহীন ডাম্পাৰ জব্দ কৰে বন বিভাগে। ইপিনে ডাম্পাৰখনত অত্যধিক বালি কঢ়িয়াই আনিছিল চালকে। সাংবাদিকে সোধা প্ৰশ্নত ডাম্পাৰৰ চালকে গাড়ীৰ মালিকৰ ওচৰত চালান থকা বুলি মন্তব্য কৰে।

মৰিগাঁও জিলা বাথৌ মহাসভা ভংগৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া

# নীতি বহিভূৰ্তভাৱে পুনৰ জিলা সমিতি গঠনৰ বিৰোধিতাৰে কেন্দ্ৰীয় নেতৃত্বৰ বিৰুদ্ধে আদালতৰ দ্বাৰস্থ হোৱা হুংকাৰ

**অসম বাৰ্তা, ভূৰাগাঁও, ২৯ জুলাই ঃ** বড়ো সমাজৰ সহযোগত কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়াৰ উপস্থিতিত শপত গ্ৰহণেৰে গঠিত মৰিগাঁও জিলা বাথৌ মহাসভা সমিতিখন কোনো কাৰণ দৰ্শোৱা জাননী প্ৰেৰণ নকৰাকৈ কেন্দ্ৰীয় সমিতিয়ে হঠাৎ ভংগ কৰি দিয়া ঘটনাই মৰিগাঁও জিলা বড়ো সমাজত তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি কৰিছে। ইয়াৰ মাজতে আজি পুনৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক গণেশ দৈমাৰীসহ কেইগৰাকীমান বিষয়ববীয়া জিলাখনৰ কুশতলিত উপস্থিত হৈ নীতিবহিভূৰ্ত ভাৱে পুনৰ এখন জিলা সমিতি গঠন কৰি থৈ যোৱাত আদালতৰ দ্বাৰস্থ হোৱা হুংকাৰ দিছে পূৰ্বৰ সমিতিয়ে। এই সন্দৰ্ভত মৰিগাঁও জিলা বাথৌ মহাসভাৰ সভাপতি শুকদেৱ ব্ৰহ্ম আৰু সম্পাদক খগেন খাখলাৰীয়ে আজি কাকতলৈ পঠোৱা এক প্ৰেছ বিবৃতিত উল্লেখ কৰা মতে, 2024 বৰ্ষৰ 24 জুলাইত সদৌ মৰিগাঁও জিলা বড়ো সমাজৰ পূৰ্ণ সহযোগত বাথৌ মহাসভাৰ মৰিগাঁও জিলা সমিতিখন মৰিগাঁও নগৰৰ বাথৌ থানচালিত আনুষ্ঠানিকভাৱে গঠন কৰা হয়। পাছত সেই বছৰে 11 আগষ্টত কুশতলি আঞ্চলিক বাথৌ থানচালিত কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক গণেশ দৈমাৰীসহ কেন্দ্ৰীয় নেতৃবৃন্দৰ উপস্থিতিত শপত গ্ৰহণ কৰা হয়। ইফালে সময় অতিবাহিত হোৱাৰ লগে লগে ৰাজনীতিৰ পোষকতাত থকা এচামে উক্ত জিলা সমিতিখন ভংগ কৰিবলৈ উঠিপৰি লাগে আৰু এই ক্ষেত্ৰত কেন্দ্ৰীয় একাংশ নেতাই হাত উজান দিয়ে। ফলস্বৰূপে চলিত বছৰৰ 4 এপ্ৰিলত বাথৌ মহাসভাৰ তামোলপুৰৰ অধিবেশনত স্বীকৃতিপ্ৰাপ্ত সমিতিৰ বিষয়ববীয়া অনুপস্থিতিৰ অজুহাত লৈ কেন্দ্ৰীয় সমিতিয়ে কোনো কাৰণ দৰ্শোৱা জাননী জাৰি নকৰাকৈ হঠাৎ সমিতিখন ভংগ কৰি দিয়ে। পৰিতাপৰ বিষয় যে কেন্দ্ৰীয় সমিতিয়ে স্বীকৃতি প্ৰাপ্ত সমিতিখনৰ কোনো ধৰণৰ প্ৰতি অভিযোগ জানিবলৈ সময় নিদিলে। যাৰ ফলস্বৰূপে ৰাজনীতিৰ পোষকতাত গঢ় লৈ উঠা এচামক উৎসাহিত কৰি বড়ো সমাজৰ ধৰ্মীয় অনুভূতিত আঘাত দিয়ে। ইফালে আজি কুশতলিত সমাজৰ একাংশ উদণ্ড ব্যক্তিক লৈ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক গণেশ দৈমাৰীয়ে নীতি বহিভূৰ্তভাৱে আন এখন নতুন জিলা সমিতি গঠন কৰে। পূৰ্বৰ সমিতি খনৰ বিষয়ববীয়া বা সদস্য বৃন্দৰ অনুপস্থিতিত একপক্ষীয় ভাৱে গঠন হোৱা নতুন সমিতিখন অবৈধ বুলি মৰিগাঁও বাসী বড়ো ৰাইজে ঘোষণা কৰিছে। লগতে কেন্দ্ৰীয় নেতৃ বৃন্দই মৰিগাঁও বাসী বড়ো ৰাইজক শান্তিৰে থাকিবলৈ নিদিয়ে বুলিও আক্ষেপ প্ৰকাশ কৰে। ইফালে পূৰ্বৰ স্বীকৃতিপ্ৰাপ্ত সমিতি খনলৈ কাৰণ দৰ্শোৱা জাননী প্ৰেৰণ নকৰাকৈ কেন্দ্ৰীয় নেতৃত্বই কেনেকৈ আন এখন নতুন সমিতি গঠন কৰিলে, ইয়াকে লৈ মৰিগাঁও বাসী বড়ো সমাজখনে কেন্দ্ৰীয় নেতৃবৃন্দৰ ওপৰত সন্দেহ প্ৰকাশ কৰিছে। ইফালে এই সমগ্ৰ বিষয়টো সমাধানৰ বাবে কেন্দ্ৰীয় সমিতিৰ নেতৃত্ব তথা সাধাৰণ সম্পাদকক 10 দিনৰ সময় সীমা নিৰ্ধাৰণ কৰি দিয়ে। অন্যথা কেন্দ্ৰীয় নেতৃত্বৰ বিৰুদ্ধে আদালতৰ দ্বাৰস্থ হ'ব বুলিও পূৰ্বৰ জিলা সমিতিৰ বিষয়ববীয়া সকলে সকীয়াই দিয়ে।

# জ্যোষিতা দাসৰ মৃত্যুৰ তদন্ত বিচাৰি নগাঁৱত কংগ্ৰেছৰ প্ৰতিবাদ

**অসম বাৰ্তা, নগাঁও, ২৮ জুলাই ঃ** ৰাজ্যৰ লোকনিৰ্মাণ বিভাগৰ গাফিলতি তথা মহিলা সুৰক্ষাত চৰকাৰৰ ব্যৰ্থতাৰ অভিযোগ তুলি নগাঁও জিলা কংগ্ৰেছ কমিটিএ আজি নগাঁও জিলা কংগ্ৰেছ কাৰ্যালয়ৰ সন্মুখত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। লোকনিৰ্মাণ বিভাগৰ সহকাৰী অভিযন্তা জ্যোশিতা দাসৰ মৃত্যুৰ তদন্ত বিচাৰি আৰু লোকনিৰ্মাণ বিভাগৰ ওপৰত চি বি আইৰ তদন্ত বিচাৰি নগাঁও জিলা কংগ্ৰেছে এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰী সকলে জ্যোশিতা দাসৰ মৃত্যুৰ তদন্ত কৰক, অসম চৰকাৰ হায় হায়, আমাক ন্যায় লাগে, মহিলাৰ সুৰক্ষা নিশ্চিত কৰক আদি বিভিন্ন ধ্বনি দি পৰিবেশ উত্তাল কৰি তোলে। কাৰ্যসূচীত জিলা কংগ্ৰেছৰ সভানেত্ৰী জুনুমণি বৰা, সাধাৰণ সম্পাদক সুৰেণ শইকীয়া, প্ৰদেশ কংগ্ৰেছৰ সম্পাদক মৃণাল হাজৰিকা, কংগ্ৰেছৰ যুৱ নেতা উৎপল বণিয়াকে ধৰি কংগ্ৰেছৰ শতাধিক নেতা কৰ্মীয়ে অংশগ্ৰহণ কৰে। বঙাইগাঁও জিলা লোকনিৰ্মাণ বিভাগৰ উচ্চ পদস্থ বিষয়াৰ মানসিক হেঁচাৰ বাবেই সহকাৰী অভিযন্তা জ্যোশিতা দাসে আত্মহত্যাৰ পথ বাচি ললে বুলি নগাঁও জিলা কংগ্ৰেছে অভিযোগ কৰে।

# ভোজপুৰী পৰিষদৰ উদ্যোগত দিচাংমুখৰ তিয়ৰবস্তীত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**অসম বাৰ্তা, দিচাংমুখ, ২৯ জুলাই ঃ** সদৌ অসম ভোজপুৰী পৰিষদৰ শিৱসাগৰ জিলা সমিতিৰ অন্তৰ্গত দিচাংমুখ আঞ্চলিক সমিতিৰ উদ্যোগত আজি দিচাংমুখৰ তিয়ৰবস্তীস্থিত লুইতপৰীয়া মালা প্ৰাথমিক বিদ্যালয় প্ৰাংগণত এক সুশৃঙ্খল সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত অঞ্চলটোৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হোৱা 10 গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। তেওঁলোকৰ ভিতৰত ছয় গৰাকীয়ে প্ৰথম বিভাগত আৰু বাকী চাৰি গৰাকী দ্বিতীয় আৰু তৃতীয় বিভাগত উত্তীৰ্ণ হোৱা। পৰিষদৰ পক্ষৰ পৰা তেওঁলোকক ফুলাম গামোচা, সম্বৰ্ধনা পত্ৰৰ লগতে স্মৃতিৰূপত এজোপাকৈ গছ পুলি উপহাৰ স্বৰূপে প্ৰদান কৰা হয়। অনুষ্ঠানত সভাপতিত্ব কৰে দিচাংমুখ আঞ্চলিক সমিতিৰ সভাপতি সুভাষ মালাই। সভাৰ আৰম্ভণিতে অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক ৰাজু প্ৰসাদ। এই বিশেষ দিনটোত উপস্থিত থাকি কৃতী শিক্ষাৰ্থীসকলক আশীৰ্বাদ আৰু উৎসাহ জ্ঞাপন কৰে—পিণ্টু পাঠক (জিলা সমিতিৰ সাধাৰণ সম্পাদক), সাংবাদিক- ৰজনীকান্ত পাংগিং, অৰুণ ঠাকুৰ, মইনা মালা (প্ৰধান শিক্ষক, লুইতপৰীয়া মালা প্ৰা. বিদ্যালয়), কুণ্ডল মালা, ৰামকুমাৰ প্ৰসাদ, ৰাকেশ শৰ্মা, দীপক শৰ্মা, ৰতন চাহানী, ৰাহুল চাহু, সন্তোষ প্ৰসাদ আদিকে ধৰি জিলা সমিতিৰ দায়িত্বশীল ব্যক্তিসকল। বক্তাসকলে শিক্ষাৰ্থীসকলক তেওঁলোকৰ আগন্তুক শিক্ষাজীৱনৰ বাবে শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে সমাজ আৰু জাতিৰ বাবে দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি উঠাৰ আহ্বান জনায়। অনুষ্ঠানটো স্থানীয় ৰাইজ আৰু অভিভাৱকসকলৰ উপস্থিতিত এক উৎসৱমুখৰ পৰিৱেশত সম্পন্ন হয়।

নতুন সমিতিৰ দায়িত্ব গ্ৰহণ ঃ গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ

# মাজুলী জিলা মইনা পাৰিজাতৰ যুটীয়া বৈঠক

**অসম বাৰ্তা, উজনী মাজুলী, ২৯ জুলাই ঃ** মাজুলী জিলা মইনা পাৰিজাতৰ বিশেষ গুৰুত্বপূৰ্ণ যুটীয়া বৈঠকখন আজি কমলাবাৰীৰ মাজুলী জিলা মহিলা সমিতিৰ জিলা কাৰ্যালয়ত অনুষ্ঠিত হয়। মাজুলী জিলা মইনা পাৰিজাতৰ সদ্য বিদায়ী সভাপতি লোহিত বৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে মাজুলী জিলা মইনা পাৰিজাতৰ সাধাৰণ সম্পাদক শশীধৰ বৰুৱাই। সভাত সদৌ অসম শিশু মইনা পাৰিজাতৰ শিশু মহীয়ান তৰুণ বৰা আৰু সুভদ্ৰা শইকীয়া বৰা, শিশু বন্ধু কৃষ্ণৰাম হাজৰিকা, টংকেশ্বৰ দুৱৰা, ৰাজ্যিক সমিতিৰ উপ-সভাপতি লোহিত বৰা, নতুন জিলা সমিতিৰ সভাপতি খগেন হাজৰিকা, কাৰ্যকৰী সভাপতি জগত হাজৰিকা আৰু সম্পাদক শশীধৰ বৰুৱাক সম্বৰ্ধনা জনোৱা হয়। সভাত, যোৱা 18 জুলাইত নামনি মাজুলীৰ গোৱালগাঁও তৰুণ নাট্য সমাজৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা মাজুলী জিলা মইনা পাৰিজাতৰ সাধাৰণ পৰিষদৰ সভাৰ প্ৰতিবেদন পাঠ কৰে সহকাৰী সম্পাদক ঋতুপৰ্ণ বৰাই। সভাত নতুন কাৰ্যকৰী সমিতিৰ সকলো বিষয়ববীয়াক আনুষ্ঠানিকভাৱে চিনাকি কৰাই দিয়া হয়। সভাত মাজুলী জিলা মইনা পাৰিজাতৰ 2025-2027 বৰ্ষৰ বাবে নতুন সমিতিক আনুষ্ঠানিকভাৱে দায়িত্ব অৰ্পণ কৰা হয়। নতুন সমিতিয়ে দায়িত্ব গ্ৰহণ কৰাৰ পাছত উক্ত সমিতিৰ নতুন সভাপতি খগেন হাজৰিকাই সভাৰ পৰৱৰ্তী কাৰ্য্যসূচীত সভাপতিত্বত কৰে। সভাত মাজুলী জিলা মইনা পাৰিজাতৰ এটা স্থায়ী ন্যাস গঠন কৰাৰ বাবে কোষাধ্যক্ষ তথা প্ৰকৃতিপ্ৰেমী অতুল হাজৰিকাই প্ৰস্তাৱ প্ৰদান কৰে। সভাত মাজুলী জিলা মইনা পাৰিজাতৰ জিলা সদস্যসকলৰ পৰা বাৰ্ষিক বৰঙনি 200.00 টকা ধাৰ্য কৰা হয়। উক্ত, সভাত তৰুণ বৰা, যোগেন শইকীয়া, টংকেশ্বৰ দুৱৰা, জগত হাজৰিকা, লোহিত বৰা, সুভদ্ৰা শইকীয়া বৰা, ৰত্নেশ্বৰ বৰা, পবিত্ৰ কলিতা, প্ৰবীণ কুমাৰ ভূএগ, ভূপেন বৰা, যদু কলিতা আদিয়ে বিভিন্ন গঠনমূলক পৰামৰ্শ প্ৰদান কৰে। সভাত আগন্তুক বিজ্ঞান কৰ্মশালাখন ৰাৱনাপাৰ আঞ্চলিক মইনা পাৰিজাতৰ সৌজন্যত 3 আগষ্টত অনুষ্ঠিত কৰা, শাখাসমূহৰ নৱীকৰণ কৰা, জিলা মইনা পাৰিজাতৰ পঞ্জীয়ন কৰা, আগন্তুক গড়মূৰ আঞ্চলিকৰ সৌজন্যত জিলা শিশু সমাৰোহ অনুষ্ঠিত কৰা সন্দৰ্ভত আলোচনা কৰা হয়। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে সাধাৰণ সম্পাদক শশীধৰ বৰুৱাই।



# আব্দুল চাত্তাৰৰ মৃত্যুত কটহগুৰিত শোকৰ ছাঁ

**অসম বাৰ্তা, টুকটুকী, ২৯ জুলাই ঃ** নগাঁও জিলাৰ ধিং ৰাজহ চক্ৰৰ অন্তৰ্গত কটহগুৰি নিবাসী তথা ধৰ্মপ্ৰাণ ব্যক্তি আব্দুল ছাত্তাৰৰ যোৱা 25 জুলাইৰ পুৱা 4 বজাত নিজ বাসগৃহত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। ছাত্তাৰৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে বহুতো আত্মীয়-স্বজনে তেওঁৰ ঘৰত ভিৰ কৰা পৰিলক্ষিত হয়। ছাত্তাৰ তবলীকি জামাতৰ লগত ওতপ্ৰোত বাবে জড়িত থকাৰ লগতে তবলীকি জামাতৰ আমীৰ আছিল। ছাত্তাৰৰ মৃত্যুত টুকটুকী প্ৰেছ ক্লাৱে গভীৰ শোক প্ৰকাশ কৰে। কটহগুৰি - টুকটুকী দাৰুল উলুম মাদ্ৰাছাৰ প্ৰাংগনত যোৱা শুকুৰবাৰে জুম্মাৰ নামাজৰ পাছতেই ছাত্তাৰৰ সুযোগ্য পুত্ৰ মৌলানা জিয়াবুৰ ৰহমানৰ ইমামতিত্বত জানাজা সম্পন্ন কৰা হয়। মৃত্যুৰ সময়ত ছাত্তাৰৰ বয়স আছিল 84 বছৰ। মৃত্যুৰ সময়ত ছাত্তাৰে 6জন পুত্ৰ আৰু 4 গৰকী কন্যা সন্তানৰ লগতে বহুতো আত্মীয় - স্বজনক এই ইহঃ সংসাৰত এৰি থৈ যায়। আব্দুল ছাত্তাৰৰ মৃত্যুত কটহগুৰিত শোকৰ ছাঁ পৰে।

অসম নেপালী সাহিত্য সভা

# বাক্সা জিলা সমিতিৰ নৱনিৰ্বাচিত সমিতিৰ শপত গ্ৰহণ অনুষ্ঠান

**অসম বাৰ্তা, বাগানপাৰা, ২৯ জুলাই ঃ** অসম নেপালী সাহিত্য সভাৰ বাক্সা জিলা সমিতিৰ নৱনিৰ্বাচিত সমিতি খনে কালি দিনৰ দুই বজাত শপত গ্ৰহণ কৰে। অসম নেপালী সাহিত্য সভাৰ মধ্যম বাক্সা সমিতিৰ সাহিত্য সভা কাৰ্যালয়ত অনুষ্ঠিত শপত গ্ৰহণ অনুষ্ঠানত অসম নেপালী সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ মুখ্য সচিবৰ অনুপস্থিতিত নেপালী সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ সাংস্কৃতিক সম্পাদক পৃথিবিলাস ভট্টৰাই আৰু কেন্দ্ৰীয় সমন্বয়ক কালিপ্ৰসাদ ভূষালে শপত বাক্য পাঠ কৰোৱায়। সভাত নৱনিৰ্মিত সভাপতি ঈশ্বৰ গৌতম, কাৰ্যকৰী সভাপতি, শান্তিৰাম পোখ্ৰেল, মুখ্য সচিব মোহন ভট্টৰাইৰ লগতে আন আন সদস্য সকলে শপত গ্ৰহণ কৰে। শপত গ্ৰহণ অনুষ্ঠানত নেপালী সাহিত্য সভাৰ বি টি আৰ ক্ষেত্ৰীয় সমিতিৰ মুখ্য সচিব ওমপ্ৰসাদ পোখ্ৰেল, বাক্সা জিলা সমিতিৰ প্ৰাক্তন সভাপতি চুড়ামণি নেউপালে, মুখ্য সচিব উদ্ধৱ ৰেগমী উপস্থিত থাকে। নৱনিৰ্বাচিত সভাপতি আৰু মুখ্য সচিবক সম্বৰ্ধনা জনায় নেপালী সাহিত্য সভাৰ মধ্যম বাক্সা সমিতিৰ সচিব বিক্ৰম ছেত্ৰীয়ে। সভাত নেপালী সাহিত্য সভাৰ বাক্সা জিলা সমিতি, শাখা সমিতি আৰু জিলা সমিতিৰ মহিলাকোষৰ লোক উপস্থিত থাকে।



# মাজুলী সাহিত্য সভাৰ উদ্যোগত ভোগপুৰ শাখা সাহিত্য সভা গঠন

**অসম বাৰ্তা, উজনী মাজুলী, ২৯ জুলাই ঃ** মাজুলী জিলা সাহিত্য সভাৰ উদ্যোগত ভোগপুৰ শাখা সাহিত্য সভাৰ গঠনৰ বাবে শ্ৰীশ্ৰী ভোগপুৰ সত্ৰৰ প্ৰেক্ষাগৃহত আজি এখন সাধাৰণ সভা অনুষ্ঠিত হয়। মূল সভাৰ আৰম্ভ হোৱাৰ আগতে পদ্মনাথ গোহাঞিও বৰুৱাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে শ্ৰী শ্ৰী ভোগপুৰ সত্ৰৰ সত্ৰাধিকাৰ দত্তদেৱ গোস্বামীয়ে। হীৰেন ভট্টাচাৰ্যৰ জন্ম তিথি উপলক্ষে তেখেতৰ প্ৰতিচ্ছবিৰ সন্মুখত স্মৃতি তৰ্পণ কৰে ডিম্বেশ্বৰ দত্তই। "চিৰ চেনেহী মোৰ ভাষা জননী" গীতেৰে আৰম্ভণি কৰা সাধাৰণ সভাত সভাপতিত্বত কৰে শ্ৰী শ্ৰী ভোগপুৰ সত্ৰৰ ডেকা সত্ৰাধিকাৰ উৎপল মহন্তই। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে মাজুলী জিলা সাহিত্য সভাৰ সম্পাদক সঞ্জীৱ বৰাই। মাজুলী জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল কুমাৰ বৰুৱাই শুভেচ্ছা জ্ঞাপন কৰি বক্তব্য প্ৰদান কৰে। পৰ্যবেক্ষক হিচাবে ভাষণ প্ৰদান কৰে ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সদস্য মনোজ্যোতি ৰেগনে। ভাষণত কয় যে ভাষা-সাহিত্য আৰু সংস্কৃতিৰ প্ৰতি দায়িত্ব আৰু কৰ্তব্য প্ৰতিগৰাকী অসমীয়াই আন্তৰিকতাৰে গ্ৰহণ কৰিব লাগিব। নহ'লে অসমীয়া ভাষাটোৰ সংকট বাঢ়ি গৈ থাকিব। অসমীয়া হিচাবে অসম সাহিত্য সভাৰ এগৰাকী আজীৱন সভ্য হ'বলৈ অনুৰোধ জনায়। ভোগপুৰ অঞ্চলৰ বৰেণ্য ব্যক্তি অনিল দত্ত আৰু ৰবীন শইকীয়াই এই অঞ্চলত অসম সাহিত্য সভাৰ শাখা সাহিত্য সভাৰ গঠনৰ প্ৰয়োজনীয়তা আৰু জিলা সাহিত্য সভাৰ উদ্যোগক সন্তুষ্টি প্ৰকাশ কৰি বক্তব্য আগবঢ়ায়। সভাত উপস্থিত সকলোৰে সৰ্বসন্মত সিদ্ধান্তমৰ্মে ভোগপুৰ শাখা সাহিত্য সভা নামেৰে নামকৰণ কৰি ৰবীন শইকীয়াক সভাপতি, উৎপল মহন্তক উপ সভাপতি, দীপক বৰাক সম্পাদক, অমূল্য টায়েক সহকাৰী সম্পাদক হিচাবে লৈ 21 জনীয়া পূৰ্ণাংগ সমিতি গঠন কৰে। বিশ্বজিত ডেকাৰ বৰগীত পৰিৱেশন, গৰীমা শইকীয়াৰ কৃষ্ণ নৃত্য আৰু বাৰ্বী হাজৰিকা আৰু ভাগ্যশ্ৰী বৰুৱাৰ সত্ৰীয়া নৃত্য প্ৰদৰ্শনে সভাখনৰ অনন্য মাত্ৰা প্ৰদান কৰে। "চিৰ চেনেহী মোৰ ভাষা জননী" গীতটিৰ সমল ব্যক্তি হিচাবে নৃপেন কলিতা, বিষ্ণু দাস, দেৱযানী দত্ত আৰু ৰশ্মিৰেখা শইকীয়াই সহযোগিতা আগবঢ়াই নেতৃত্ব প্ৰদান কৰি আহিছে। সভাত অসম সাহিত্য সভাৰ কুঁহি উপশমিতিৰ সদস্য তিলক ৰাজখোৱা, মাজুলী জিলা সাহিত্য সভাৰ সহকাৰী সম্পাদক সোণজ্যোতি পামেগাম, ৰাৱণাপাৰ শাখা সাহিত্য সভাৰ সম্পাদক অতুল কলিতা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ মাজুলীৰ সভাপতি মুনিন্দ্ৰ ভূএগ, বেঙেনাআটী ৰমাকান্ত দেৱ উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক পৰেশ দোলাকাষৰীয়া, সত্ৰীয়া মনিৰাম পাচনি, কমল বৰবায়ন, কুঞ্জ শইকীয়া, দীপা শইকীয়া, দিপালী হাজৰিকা, তৃষ্ণা শইকীয়া দত্ত আৰু নৰেন শইকীয়া প্ৰমুখ্যে বহুকেইজন গণ্য মান্য ব্যক্তি উপস্থিত থাকি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। শেষত জাতীয় সংগীত পৰিৱেশনেৰে সভা সমাপ্তি ঘোষণা কৰে।



## জুবাইৰ মাছুদ শৈক্ষিক ন্যাস
# বঙাইগাঁৱৰ নাৰাৰভিটাত শৈক্ষিক সজাগতা সভা

**অসম বাৰ্তা, সৃজনগ্ৰাম, ২৯ জুলাই ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম শিক্ষা খণ্ডৰ অন্তৰ্গত নাৰাৰভিটা মজলীয়া বিদ্যালয়ত আজি জুবাইৰ মাছুদ শৈক্ষিক ন্যাসৰ উদ্যোগত এখনি শৈক্ষিক সজাগতা সভা অনুষ্ঠিত কৰা হয়। আব্দুৰ ৰহিমৰ সভাপতিত্বত অনুষ্ঠিত সভাত স্থানীয় শিক্ষক ছান মামুদ, ন্যাসৰ প্ৰকল্প সমন্বয়ক ছামচুল আলম, সমন্বয়কদ্বয় ফৰজুল ইচলাম, চুৰত জামাল, ন্যাসৰ ফেলো পূজা ৰায়সহ অন্যান্য বিষয় ববীয়া, অভিভাৱক আৰু ছাত্ৰ ছাত্ৰীৰ উপস্থিতিত আয়োজিত সভাত সমাজখন সুপথে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ গুৰুত্বপূৰ্ণ ভূমিকা সন্দৰ্ভত আলোকপাত কৰা হয়। সঠিক পথত অগ্ৰসৰ হবলৈ প্ৰতিগৰাকী অভিভাৱকে নিজৰ সন্তানৰ পথ প্ৰদৰ্শক হিচাবে দায়িত্ব লব লাগিব। শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ নিয়মীয়া উপস্থিতি, বিদ্যালয় এৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস কৰা, বাল্য বিবাহ আদিৰ ক্ষেত্ৰত ৰাইজৰ মাজত সজাগতা সৃষ্টি কৰা এই অনুষ্ঠানত অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীৰ লগতে প্ৰায় এশ অভিভাৱকসহ অঞ্চলটোৰ বিশিষ্ট ব্যক্তি উপস্থিত থাকে। স্মতৰ্ব্য যে, ন্যাসে সৃজনগ্ৰাম শিক্ষা খণ্ড অন্তৰ্গত 26 বিদ্যালয়ত গুণগত শিক্ষা প্ৰসাৰৰ উদ্দেশ্যে শিক্ষা কেন্দ্ৰ চলাই আছে।

# শিক্ষয়িত্ৰী মনোমালা হাজৰিকালৈ অসম গ্ৰাম্য শিৰোমণি বঁটা

**অসম বাৰ্তা, আমগুৰি, ২৯ জুলাই ঃ** যোৰহাট জিলাৰ হাঁহচৰা চাৰিআলিৰ টীয়ক উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী, হিন্দী ভাষাৰ গৱেষক, বিশিষ্ট সামাজিক আৰু সাংস্কৃতিক কৰ্মী তথা শিক্ষা, ক্ৰীড়া আৰু সাহিত্য সংগঠক মনোমালা হাজৰিকালৈ 2008 চনত স্থাপিত পশ্চিম কাৰ্বি আংলংৰ “অসম গৰীয়সী পুথি সংৰক্ষণ আৰু সাহিত্য-সংস্কৃতি বিকাশ মঞ্চ”ই 2024-25 বৰ্ষৰ বাবে আগবঢ়াইছে অসম গ্ৰাম্য শিৰোমণি বঁটা। উল্লেখযোগ্য যে 2008 চনৰ পৰা এই অনুষ্ঠানটোৱে অসমৰ বিভিন্ন প্ৰান্তৰৰ চহৰ, নগৰ আৰু পিছপৰা গ্ৰাম্যাঞ্চলৰ ধৰ্ম, শিক্ষা, ক্ৰীড়া, সাহিত্য-সংস্কৃতি, স্থাপত্য, ভাস্কৰ্য তথা সুকুমাৰ কলা, সমাজ সংগঠন, সমাজ সেৱক, সাংবাদিকতা আদিৰ দিশত পাৰদৰ্শিতা দেখুওৱা মহান ব্যক্তি সকলক তেখেত সকলৰ মহান কৰ্মৰ স্বীকৃতি স্বৰূপে তথা উৎকৰ্ষ মূলক কামত প্ৰেৰণা আৰু উৎসাহিত কৰাৰ উদ্দেশ্যে এই বঁটা প্ৰদান কৰি আহিছে। উল্লেখযোগ্য যে নগাঁও জিলাৰ কচুৱাত অৱস্থিত জ্ঞানজ্যোতি (উচ্চতৰ মাধ্যমিক)বিদ্যাপীঠত এই বৰ্ষৰ 3 আগষ্টত অনুষ্ঠিত হব লগা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বঁটা প্ৰাপক হাজৰিকাক এই বঁটা প্ৰদান কৰিব।

## ছাত্ৰ-ছাত্ৰীৰ হাতত পৃথিৱীখন আছে ঃ চৈয়দ জাহিৰ হুছেইন
# পলাশবাৰী সমষ্টিৰ মিৰ্জাত সন্মিলিত জনকল্যাণ মঞ্চৰ উদ্যোগত অভিনন্দন অনুষ্ঠান

**অসম বাৰ্তা, মিৰ্জা, ২৯ জুলাই ঃ** বৃহত্তৰ পলাশবাৰী সমষ্টিৰ অন্তৰ্গত বেচৰকাৰী সংস্থা ‘সন্মিলিত জনকল্যাণ মঞ্চ’ৰ উদ্যোগত আজি মিৰ্জাৰ জামৰতল খেলপথাৰত সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ কৃতী শিক্ষাৰ্থীসকলক সম্বৰ্দ্ধনা জনোৱাৰ উদ্দেশ্যে এখন বিশেষ অভিনন্দন অনুষ্ঠান অনুষ্ঠিত হয়। এই উপলক্ষে অনুষ্ঠিত হোৱা সভাত মুখ্য অতিথি হিচাপে নিউজ লাইভৰ মুখ্য সম্পাদক চৈয়দ জাহিৰ হুছেইন উপস্থিত থাকি ভাষণ প্ৰসংগত কয় যে- প্ৰথমে উপস্থিত থকা ছাত্ৰ-ছাত্ৰী, অভিভাৱক, জনকল্যাণ মঞ্চক শুভেচ্ছা তথা কৃতজ্ঞতা জ্ঞাপন কৰি কয় যে- আজি বহি থকা ছাত্ৰ-ছাত্ৰী সকলৰ বহু সৌভাগ্যবান। আজি ছাত্ৰ-ছাত্ৰীৰ হাতত পৃথিৱীখন আছে। তোমালোকৰ পিতৃ-মাতৃৰ সেইসময়ত হাতত ম'বাইল নাছিল। ম'বাইলৰ জৰিয়তে আজি পৃথিৱীৰ সমস্ত কথা জানিব পাৰি। ছাত্ৰ-ছাত্ৰীসকলক লক্ষ্য, আত্মবিশ্বাস, সপোন আৰু উচ্চ শিক্ষাৰ সন্দৰ্ভত বিভিন্ন দিশ ভাষণত কোৱাৰ লগতে তেওঁৰ জীৱনত শিক্ষাৰ সন্দৰ্ভত ঘটা বিভিন্ন অভিজ্ঞতাৰ বিষয়ে কয়। কোনো কাম অসম্ভৱ নহয় বুলি কৈ ছাত্ৰ-ছাত্ৰীসকলে নিজৰ নিজৰ লক্ষ্যত উপনীত হ'বলৈ আহ্বান জনায়। আনহাতে যিদৰে আজি প্ৰথম বিভাগত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক জনকল্যাণ মঞ্চই সম্বৰ্ধনা জনাইছে ঠিক তেনেদৰে অনাগত সময়ত দ্বিতীয় আৰু তৃতীয় বিভাগত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰী সকলক সম্বৰ্ধনা জনোৱাৰ বাবে ইয়াতকৈ ডাঙৰ অনুষ্ঠান অনুষ্ঠিত কৰিবলৈ আহ্বান জনাই। লগতে ছাত্ৰ-ছাত্ৰীসকলক ভাল মানুহ হ'বলৈ আহ্বান জনাই উজ্জ্বল ভৱিষ্যত কামনা। অনুষ্ঠানত সন্মিলিত জনকল্যাণ মঞ্চৰ সভাপতি মণিময় কৰৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত আদৰণি ভাষণ প্ৰদান কৰে অনুষ্ঠানটোৰ ‘সন্মিলিত জনকল্যাণ মঞ্চ’ৰ মুখ্য উপদেষ্টা হিমাংশু শেখৰ বৈশ্যই। বৈশ্যই আমি ছাত্ৰ- ছাত্ৰীসকলক কি দিব পাৰিছো নাজানো কিন্তু দিব পাৰো উৎসাহ। সকলোৰে জীৱনত বিভিন্ন ঘাট-প্ৰতিঘাটৰ আছে তাৰ মাজতে ছাত্ৰ-ছাত্ৰীসকলে পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈছে তাৰ বাবে আমি স্বেচ্ছাসেৱী সংগঠনৰ জৰিয়তে সম্বৰ্ধনা জনাবলৈ পাই ধন্য হৈছো। আপোনালোকে জীৱন এটা লক্ষ্য নিৰ্ধাৰণ কৰি আগুৱাই যাব লাগিব। লগতে অনগ্ৰসৰ অঞ্চলৰ পৰা বিচলিত নোহোৱাৰ বাবে আহ্বান জনায়। অকল পঢ়াৰ ক্ষেত্ৰত আগবাঢ়ি গ'লে নহ'ব সমাজৰ বাবেও কিবা কৰিব লাগিব। বৰ্তমান প্ৰতিযোগিতাৰ যুগ। গতিকে প্ৰতিযোগিতাতমূলক ভাৱে সকলো দিশতে আগবাঢ়ি যাব লাগে। প্ৰতিযোগিতা হ'ব লাগে সৎ উদ্দেশ্যৰে। নিজ গাঁৱ, বিদ্যালয় বা সমাজখনক কেতিয়াও পাহৰি যাব নালাগে। পৰিপ্ৰেক্ষিতত সময়ে সময়ে ভাল কাম কৰি যাব লাগে। আমাৰ অঞ্চলত বহু কৃষ্টি-সংস্কৃতি আছে আমি এইবোৰক আমি জীয়াই ৰাখিব লাগিব। আনহাতে ছ'চিয়েল মিডিয়াৰ কু-প্ৰভাৱ আৰু সু-প্ৰভাৱৰ ওপৰত বিভিন্ন দিশৰ ওপৰত ভাষণত উল্লেখ কৰে। লগতে স্থানীয় যুৱক যুৱতীক নিয়োগৰ লক্ষ্যৰে উদ্যোগিক ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি হিমাংশু শেখৰ বৈশ্যই ভাষণ প্ৰসংগত উল্লেখ কৰে। মঞ্চৰ সাধাৰণ সম্পাদক ড° চিন্ময় কলিতাই আৰু শিখা ৰাণী ঠাকুৰীয়াই আঁতধৰা সভাত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৰকান্ত অধিকাৰী, কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয়ৰ অধ্যক্ষ ড° যোগেন দাস, সমাজকৰ্মী ধনেশ্বৰ তালুকদাৰ, নিউজ লাইভৰ জ্যেষ্ঠ সাংবাদিক পংকজ শৰ্মা, সন্মিলীত জনকল্যাণ মঞ্চৰ শিক্ষা কোষৰ সভাপতি ৰবিন কুমাৰ দাস, কাৰ্যনিৰ্বাহ সদস্য পংকজ কুমাৰ দাস, সমাজকৰ্মী দিনেশ চৌধুৰী, কুশল মালাকৰ, অভিভাৱক-অভিভাৱিকাসহ বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। আজিৰ সম্বৰ্দ্ধনা অনুষ্ঠানত 49খন বিদ্যালয়, 11খন মহাবিদ্যালয়, চি.বি.এচ.ছিৰ বিদ্যালয় আৰু মহাবিদ্যালয়ৰ 15 গৰাকী মুঠ 1309 গৰাকী ছাত্ৰ-ছাত্ৰীক কিতাপৰ টোপোলা, মানপত্ৰ আৰু গামোচাৰে সম্বৰ্দ্ধনা জনায়।



# ডুমডুমাত ‘গডছে-গান্ধী.কম’ মঞ্চস্থ

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৯ জুলাই ঃ** “মোৰ প্ৰতিটো জনমতে মই তোমাক হত্যা কৰিব খোজো, গান্ধী/ কাৰণ তুমি হিন্দুত্বক হত্যা কৰিছা।” গান্ধীক এইদৰেই কৈছে নাথুৰাম গডছেই। এখন অগতানুগতিক নাটকৰ সংলাপ এয়া। হাইপ'থেটিকেল এখনি নাটক য'ত নাথুৰাম গডছেই গুলী কৰাৰ পিছতো মহাত্মা গান্ধী কিবা প্ৰকাৰে বাচি থাকে আৰু গান্ধীয়ে গডছেৰ সৈতে জেইলৰ ভিতৰত গৈ বাৰ্তালাপ কৰে। ডুমডুমাৰ ‘পিনাকী’ নাট্য বিদ্যালয়ৰ উদ্যোগত ঐতিহাসিক ডুমডুমা নাট্য-মন্দিৰত শনিবাৰে সন্ধিয়া মঞ্চস্থ হয় নাট্যকাৰ অজগৰ ৰজাহত ৰচিত মূল হিন্দী নাট তথা হিৰণ বৈশ্য দত্তৰ দ্বাৰা একে নামৰ অসমীয়া নাট্যৰূপ ‘গডছে-গান্ধী.কম’। ডুমডুমাৰ স্থানীয় শিল্পীসকলক লৈ বিশিষ্ট নাট্যকাৰ, পৰিচালক আৰু অভিনেতা জয়সূৰ্য বৰাৰ সুপৰিচালনাত এখনি ব্যতিক্ৰমধৰ্মী নাট ডুমডুমাবাসীয়ে উপভোগ কৰিলে। গতানুগতিক নাটকৰ বাদে নাটকৰ ওপৰত বৰ বেছি পৰীক্ষা-নিৰীক্ষা ডুমডুমাত হোৱা নাই বুলিয়েই ক'ব পাৰি। সেই দৃষ্টিকোণৰ পৰা ‘গডছে-গান্ধী.কম’ আছিল ডুমডুমাৰ নাট্যপ্ৰেমীৰ বাবে এখন অগতানুগতিক নাটক। আছগৰ ৱাজাহাতৰ ‘গডছে-গান্ধী.কম’ এটা চিন্তা উদ্ৰেককাৰী নাটক, য'ত এক বিকল্প ইতিহাস কল্পনা কৰা হৈছে এনেদৰে - মহাত্মা গান্ধী নাথুৰাম গডছেৰ হত্যাৰ চেষ্টাৰ পৰা কিবা প্ৰকাৰে বাচি যায়। নাটকখনৰ কাহিনীটো আগবাঢ়ে যেতিয়া গান্ধীয়ে কাৰাগাৰত গডছেক লগ কৰিবলৈ যায়, আৰু তাৰ পাছত দুয়োৰে মাজত তীব্ৰ আদৰ্শগত সংলাপ আৰম্ভ হয়। এই সংলাপসমূহৰ জৰিয়তে নাটকখনত গান্ধীৰ অহিংসাৰ দৰ্শনৰ সৈতে গডছেৰ কট্টৰ ৰাষ্ট্ৰবাদৰ গভীৰ তাত্বিক বিভাজনটো উন্মোচিত কৰা হৈছে। নাটকখনত দেখুওৱা হৈছে যে একে ধৰ্মগ্ৰন্থ আৰু পৰম্পৰাই কেনেকৈ সম্পূৰ্ণ ভিন্ন দৃষ্টিভংগত পৰিণত হ'ব পাৰে। সৰল কিন্তু প্ৰভাৱশালী ভাষাৰ ব্যৱহাৰেৰে নাটকখনে সহিষ্ণুতা, গণতন্ত্ৰ আৰু এখন বিভক্ত সমাজত আলোচনাৰ প্ৰয়োজনীয়তা সন্দৰ্ভত চিন্তা কৰিবলৈ উৎসাহ দিয়ে। নাটখন আৰম্ভ হয় এজন পথিক আৰু গান্ধীৰ এটা মুৰ্ত্তিৰ মাজৰ কথোপকথনেৰে। গান্ধীৰ মূৰ্তিটো হঠাতে বাংময় হৈ উঠে আৰু পথিকৰ সৈতে কথা পাতে। এগৰাকী ঘোষিকাই কাহিনীটো আগবঢ়াই নিয়ে। সংলাপ, সূত্ৰ আৰু কাহিনীৰ সুন্দৰ উপস্থাপনত অনুবাদক হিৰণ বৈশ্য দত্ত সফল হৈছে। অৱশ্যে পৰিচালক জয়সূৰ্য বৰাই মূল নাটকখনৰ কিছু পৰিমাৰ্জন আৰু সৰলীকৰণ কৰি লৈছে। গান্ধী চৰিত্ৰটো এনেদৰে উপস্থাপন কৰা হৈছে যে সূক্ষ্মভাৱে লক্ষ্য নকৰিলে গান্ধীৰ প্ৰতি দৰ্শকৰ বিৰাগ উপজিব আৰু গডছেৰ প্ৰতি মোহ। কোনোটো চৰিত্ৰই কম গুৰুত্বপূৰ্ণ নহয়, সকলো চৰিত্ৰকে সমান মৰ্যাদা দিব পৰাটো নাট্যকাৰৰ কৃতিত্ব। সেইদৰে চৰিত্ৰবোৰ ফুটাই তুলিব পৰাটো পৰিচালকৰ কৃতিত্ব। ন-পুৰণি শিল্পীসকলে নিজ নিজ চৰিত্ৰসমূহ ফুটাই তুলিবলৈ চেষ্টাৰ কোনো ত্ৰুটি কৰা নাই। অৱশ্যে মূল চৰিত্ৰকেইটা আৰু অধিক প্ৰাণৱন্ত কৰাৰ থল আছিল। কেইগৰাকীমান শিল্পীয়ে নিজৰ সংলাপ পাহৰি যোৱাটো দৰ্শকৰ চকুত ধৰা পৰিছে। নাটকখনৰ বিভিন্ন চৰিত্ৰত অভিনয় কৰিছিল: - ঘোষিকা: সংগীতা বৰুৱা ডেকা, গাঞ্জীলাল অঘৰী কবি: খঞ্জন শইকীয়া, মহাত্মাৰ মূৰ্তি: মনজিত গগৈ, মহাত্মা গান্ধী: শুভাশীষ মল্লিক, নাথুৰাম গডছে: সাৰাংগ নাথ, জৱহাৰলাল নেহৰু: প্ৰণৱ ভূঞা, চৰদাৰ পেটেল: নগেন তালুকদাৰ, মৌলানা আজাদ: অনন্ত বৰুৱা, প্যাৰেলাল: ৰণদ্বীপ বৰদলৈ, বাৱন দাস: দৌলত সোণোৱাল, নবীন যোশী: লক্ষ্যজ্যোতি মহন্ত, বিষ্ণু কৰকৰে: ধৰ্মেন্দ্ৰ বৰা, নানা আপ্তে: দ্বীজেন শৰ্মা, সুষমা শৰ্মা: মন্দিৰা বৰুৱা, নিৰ্মলা দেৱী: মৌচুমী মৰাণ, জেইলৰ: কিৰণ বৰা, কস্তুৰবা: ৰশ্মিতা বড়া আৰু আঙ্গিক শিল্পী: জাগৃতি বুঢ়াগোহাঁই, মোৱানা দাস, সঞ্জিনী কাশ্যপ। নয়ন ডেকা আৰু প্ৰাণকৃষ্ণ দাসৰ সংগীত, পিংকু মৰাণৰ পেশাদাৰীসুলভ আলোক-সজ্জা, খঞ্জন শইকীয়াৰ কলা-নিৰ্দেশনা আৰু নিলাক্ষী হাজৰিকাৰ ৰূপসজ্জাৰ সমাহাৰেৰে ‘গডছে-গান্ধী.কম’ সফল ৰূপত মঞ্চায়ন হ'ল। অৱশ্যে শব্দযন্ত্ৰৰ শব্দ স্পষ্ট নোহোৱাত দৰ্শকে বহু সংলাপ বুজাত অসুবিধা পাইছিল। সি যি কি নহওক সীমিত সা-সুবিধাৰ মাজেৰে ডুমডুমাত এখন অগতানুগতিক নাটক মঞ্চস্থ কৰিবলৈ সাহস কৰাৰ বাবে ‘পিনাকী’ নাট্য বিদ্যালয় নিঃসন্দেহে ধন্যবাদৰ পাত্ৰ।

# মৰিয়নিৰ চেলেংহাটৰ মানসিকভাৱে অসুস্থ বিটুলৰ আদ্যশ্ৰাদ্ধ সম্পন্ন কৰিলে ৰাইজে

**অসম বাৰ্তা, মৰিয়নি, ২৯ জুলাই ঃ** মৰিয়ণিৰ চেলেংহাট অঞ্চলৰ এখন চিনাকি মুখ বিতুল দত্ত। মানসিকভাৱে অসুস্থ বিতুল দীৰ্ঘদিনৰ পৰা চেলেংহাট ৰে'ল ষ্টেচনৰ ব্যৱসায়িক এলেকাকে ধৰি বিভিন্ন অঞ্চলত অনাই বনাই ঘূৰি ফুৰা লগতে ৰাজহুৱা স্থানত নিশা আশ্ৰয় গ্ৰহণ কৰি আহিছিল। কোনো লোককে একো অসুবিধা নিদিয়া বিতুল চেলেংহাটৰ প্ৰায় সংখ্যক লোকৰে চিনাকি আছিল। ডেকা বয়সৰ পৰাই মানসিক ৰোগত আক্ৰান্ত হৈছিল পৰিয়ালৰ তৰফৰ পৰা বিতুল চৰম অৱহেলাৰ বলি হ'ল বুলি ৰাইজে অভিযোগ উত্থাপন কৰিছে। বিতুলৰ জেষ্ঠ ভাতৃয়ে মাক দেউতাকৰ মৃত্যুৰ পাছতে ঘৰৰ মাটী ভেটী বিক্ৰী কৰি শিৱসাগৰৰ গৌৰিসাগৰত স্থায়ী ভাৱে থাকিবলৈ ল'লে। ইয়াৰ পাছতে মুৰৰ ওপৰৰ চালি খনো সম্পূৰ্ণ ৰূপে হেৰুৱালে বিতুলে। পৰিয়ালৰ লোকে মানসিক ৰোগত আক্ৰান্ত বিতুলৰ দায়িত্ব গ্ৰহণ নকৰা বাবেই চেলেংহাটৰ একাংশ সচেতন ৰাইজৰ উদ্যোগত বহু স্বেচ্ছাসেৱী সংগঠনে চিকিৎসাৰ দায়িত্ব ল'বলৈ গৈয়ো থমকি ৰ'ব লগীয়া হৈছিল। যোৱা 15 জুলাই তাৰিখে 52 বছৰ উৰ্ধৰ বিতুলৰ মৃতদেহ এটি জিৰনি চৰাত উদ্ধাৰ কৰে স্থানীয় ৰাইজে। কিন্তু আটাইতকৈ পৰিতাপৰ কথা যে বিতুলৰ মৃত্যু সন্দৰ্ভত পৰিয়ালৰ লোকক খবৰ দিয়ে যদিও কোনো সুদুত্তৰ লাভ নকৰিলে। অৱশেষত স্থানীয় ৰাইজে আৰক্ষীৰ সহযোগত পৰিয়ালৰ লোকক যোগাযোগ কৰে যদিও বিতুলৰ ভাতৃৰ পৰিয়ালে মৃতদেহটো চমজি ল'বলৈ অপৰাগতা প্ৰকাশ কৰা লগতে ৰাইজে শেষকৃত্য কৰাত আপত্তি নাই বুলি এখন পত্ৰ যোগে অৱগত কৰে। আজি বিতুল দত্তৰ আদ্যশ্ৰাদ্ধ চেলেংহাট বাসী ৰাইজৰ উদ্যোগত জন্ম স্থান কুকুৰাচোৱা গাঁৱৰ ৰাইজৰ সহযোগত কুকুৰাচোৱা ৰঙ্গমঞ্চত অনুষ্ঠিত কৰে। মানসিক ৰোগী হোৱাৰ বাবেই পৰিয়ালৰ অৱহেলাৰ বলি হোৱা বিতুলৰ অন্তিম সময়ত কুকুৰাছোৱা গাঁওবাসীৰ লগতে চেলেংহাট বাসীৰ মানৱতাৰ নিৰ্দশন আগবঢ়োৱা কাৰ্যক সকলোৱে শলাগ লৈছে।

# গেলেকীত প্ৰধানমন্ত্ৰী মোদী কামাখ্যা প্ৰসাদ তাছাৰ প্ৰতিমূৰ্তি দাহ

**অসম বাৰ্তা, গেলেকী, ২৯ জুলাই ঃ** গেলেকীত সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা)ৰ প্ৰতিবাদী কাৰ্যসূচী। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাৰ প্ৰতিমূৰ্ত্তি দাহ কৰি প্ৰতিবাদ সাব্যস্ত কৰে সংগঠনটোৱে। উল্লেখযোগ্য যে কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই যোৱা ইংৰাজী 24 জুলাইত বৈদ্যুতিক মাধ্যমৰ এক সাক্ষাৎকাৰত আদিবাসীসকলৰ জনজাতিকৰণ সন্দৰ্ভত মন্তব্য দাঙি ধৰিব যাওঁতে আদিবাসী খ্ৰীষ্টান ধৰ্মৰ লোকসকলে জনজাতিকৰণ নাপায় বুলি মন্তব্য প্ৰকাশ কৰিছিল। এতিয়া এই মন্তব্যক লৈ জাঙুৰ খাই উঠিছে সদৌ অসম আদিবাসী ছাত্ৰ সন্থা। সংগঠনটোৰ মতে আদিবাসী সমাজখনক দুটা ভাগত বিভক্ত কৰিব বিচাৰিছে সাংসদ কামাখ্যা প্ৰসাদ তাছাই। যাৰ বাবে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ লগতে শিৱসাগৰ জিলাৰ গেলেকীতো আজি আছা গেলেকী আঞ্চলিক সমিতিয়ে সাংসদ গৰাকীৰ প্ৰতিমূৰ্ত্তি দাহ কৰাৰ উপৰিও প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতিমূৰ্ত্তি দাহ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। সংগঠনটোৱে কামাখ্যা প্ৰসাদ তাছা হায় হায়, কামাখ্যা প্ৰসাদ তাছা মুৰ্দাবাদ, বি, জে, পি গ' বেক, বি, জে, পিৰ কাম নাই ইত্যাদি বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তুলে। প্ৰতিবাদস্থলীৰ পৰা আছাৰ শিৱসাগৰ জিলা সমিতিৰ উপ-সভাপতি বিতুল কুৰ্মীয়ে এনে মন্তব্য কৰাৰ বাবে সাংসদ গৰাকীক ৰাজহুৱাকৈ ক্ষমা খুজিবলৈ দাবী জনাই। ইয়াৰ অন্যথা উজনি অসমৰ চাহ বাগিচাত কামাখ্যা তাছাৰ প্ৰৱেশত বাধা প্ৰদান কৰাৰ হুংকাৰ দিয়ে। লগতে সাংসদ গৰাকীয়ে আজিৰলৈকে জনজাতিটোৰ কাৰণে সংসদৰ মজিয়াত এবাৰো মাত নমতাৰ অভিযোগ উত্থাপন কৰিছে। জনজাতিটোৰ উন্নতিৰ কাৰণে কাম নকৰি সাংসদ গৰাকীয়ে জনজাতিটোক দুটা ভাগত ভাগ কৰিবলৈ লোৱা বুলি অভিযোগ উত্থাপন কৰিছে সংগঠনটোৱে। আজি এই কাৰ্যসূচীত উপস্থিত আছিল আছাৰ শিৱসাগৰ জিলা সমিতিৰ অজয় ভূঞা, গেলেকী আঞ্চলিক সমিতিৰ সভাপতি দিলিপ চাহুৰ লগতে গেলেকী আঞ্চলিক সমিতিৰ বিষয়ববীয়া।

# চাৰিজনকৈ চাইবাৰ অপৰাধীক গ্ৰেপ্তাৰ মুকালমুৱা আৰক্ষীৰ

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ২৯ জুলাই ঃ** নলবাৰী জিলাৰ মুকালমুৱা আৰক্ষীয়ে দীৰ্ঘদিন ধৰি চাইবাৰ অপৰাধৰ লগত জড়িত 4 গৰাকী দুৰ্ধৰ্ষ অপৰাধীক আজি গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। মুকালমুৱা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া জ্যোতিষ গয়াৰীয়ে সংবাদ মাধ্যমৰ আগত সদৰি কৰা অনুসৰি চাইবাৰ জগতত নে'ছ চলাই থকা এই দুৰ্ধৰ্ষ অপৰাধী চাৰিগৰাকীৰ দুগৰাকী হৈছে বঙাইগাঁও জিলাৰ অভয়াপুৰীৰ আৰফান আলীৰ পুত্ৰ খাইকল আলম (27) আৰু আব্দুল কাদেৰৰ পুত্ৰ চফিকুল ইছলাম (26)। আন দুগৰাকী হৈছে মুকালমুৱা আৰক্ষী থানাৰ অন্তৰ্গত কাপলাবড়ী গাঁৱৰ চুকুৰ আলীৰ পুত্ৰ ৰহিবুল হক (21) আৰু আক্কাচ আলীৰ পুত্ৰ মিৰ হুছেইন (23)। ইতিমধ্যে অপৰাধী কেইজনৰ বিৰুদ্ধে মুকালমুৱা আৰক্ষী থানাত 188525 নম্বৰত গোচৰ ৰুজু কৰি আৰক্ষীয়ে মাৰাথন জেৰা অব্যাহত ৰাখিছে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা চাইবাৰ অপৰাধৰ লগত জড়িত মূল অভিযুক্তজন বৰ্তমানেও পলাতক হৈ আছে যদিও অতি সোনকালে আৰক্ষীৰ জালত পৰিব বুলি আৰক্ষী সূত্ৰত প্ৰকাশ। ধৃত অপৰাধী কেইজনে আৰক্ষীক দিয়া স্বীকাৰোক্তি অনুসৰি দীৰ্ঘদিন ধৰি কিছু সংখ্যক লোকক জৱকাৰ্ড আৰু শ্ৰম কাৰ্ড বনাই দিম বুলি কৈ তেওঁলোকৰ বেংকৰ পাছবুকৰ পৰা একাউণ্ট নম্বৰ আৰু এ. টি .এম হস্তগত কৰি চাইবাৰ নে'ছ চলাই আছিল।

# বিজেপি নেত্ৰী বিনীতা কলিতাৰ মৃত্যু

**অসম বাৰ্তা, বাহাৰঘাট, ২৯ জুলাই ঃ** পশ্চিম বড়িগোগ মৌজাৰ অন্তৰ্গত ঐতিহাসিক বালিসত্ৰৰ সৰবৰহী মহিলা বিনীতা কলিতাৰ কালি দিনৰ 11 বজাত নিজ বাসগৃহত পৰলোকপ্ৰাপ্তি হয়। বিষ্ণুপুৰ বালিসত্ৰ গাঁও পঞ্চায়তৰ প্ৰাক্তন সদস্যা বিনীতা কলিতা কিছুদিন ধৰি যকৃত ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল 56বছৰ। তেওঁৰ মৃত্যুৰ বাৰ্তা পোৱাৰ লগে লগে অঞ্চলটোত শোকৰ ছা পৰিছে। অসমৰ জনপ্ৰিয় পাঠক প্ৰয়াত সন্মিৰাম কলিতাৰ সহধৰ্মিণী বিনীতা কলিতাই মৃত্যুৰ সময়ত পুত্ৰ, বোৱাৰী, জী-জোঁৱাই সহ চাৰি গৰাকী নাতি-নাতিনী এৰি থৈ যায়।

## পৰিৱেশ সংৰক্ষণত ইউএমআৰচি ভিজিয়্যনাৰী ফাউণ্ডেচনৰ পদক্ষেপ
# শ্ৰীমন্ত শংকৰদেৱৰ স্থাপিত সত্ৰসমূহত গছপুলি ৰোপণ আৰু বিতৰণ

**অসম বাৰ্তা, অভয়াপুৰী, ২৯ জুলাই ঃ** সমগ্ৰ অসমৰ সামাজিক আৰু আধ্যাত্মিক পৰম্পৰাৰ গৌৰৱ বহন কৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দ্বাৰা স্থাপিত বিষ্ণুপুৰ সত্ৰ আৰু ঘৰশিয়া সত্ৰত গছপুলি ৰোপণ কাৰ্যসূচীৰ আয়োজন কৰা হয়। এই পবিত্ৰ ঠাইখিনি পৰিৱেশ সংৰক্ষণ আৰু সেউজ বিপ্লৱৰ পথত আগবঢ়াবলৈ ইউ. এম. আৰ. চি. ভিজিয়্যনাৰি ফাউণ্ডেচন নামৰ এক সমাজসেৱী প্ৰতিষ্ঠানৰ উদ্যোগত এই মহৎ কাৰ্য সম্পন্ন কৰা হয়। উক্ত কাৰ্যসূচীত সত্ৰৰ বয়োজ্যেষ্ঠ, স্থানীয় ভক্তবৃন্দ, আৰু সমাজৰ বিভিন্ন ক্ষেত্ৰৰ গণ্যমান্য ব্যক্তিসকলে অংশগ্ৰহণ কৰে। ইউ. এম. আৰ. চি. ভিজিয়্যনাৰি ফাউণ্ডেচনৰ সদস্যসকলে সত্ৰৰ মঠ আৰু নিকটৱৰ্তী স্থানসমূহত বিভিন্ন ধৰণৰ ফল মূল, ছাঁয়া আৰু ঔষধি গছপুলি ৰোপণ কৰাৰ লগতে গছপুলি বিতৰণ কৰে। সত্ৰসমূহৰ পৰিবেশ সুৰক্ষা আৰু সৌন্দৰ্য বঢ়োৱা, নতুন প্ৰজন্মলৈ শংকৰদেৱীয় চিন্তাধাৰাৰ সৈতে প্ৰকৃতি প্ৰেমৰ বাৰ্তা প্ৰেৰণ কৰা, বনাঞ্চল সংৰক্ষণ আৰু জলবায়ু পৰিবৰ্তনৰ বিৰুদ্ধে সামাজিক সচেতনতা গঢ়ি তোলাই কাৰ্যসূচীৰ মূল লক্ষ্য। সমাজসেৱী প্ৰতিষ্ঠানটোৰ মুখ্য সঞ্চালিকা গৰাকীয়ে জনায় যে পবিত্ৰ সত্ৰসমূহ কেৱল ধৰ্মীয় আস্থান নহয়, এইবোৰ হ'ল অসমৰ সাংস্কৃতিক হৃদয়স্পন্দন। এই ক্ষেত্ৰত গছপুলি ৰোপণ কৰাটো আমাৰ বাবে এটা গৌৰৱৰ বিষয়। আমি আশা কৰোঁ, আজিৰ এই পদক্ষেপে সমাজত পৰিৱেশ সম্পৰ্কে এক নতুন দৃষ্টিভংগী আগবঢ়াব। উক্ত অনুষ্ঠানত ফাউণ্ডেচনৰ সঞ্চালিকা ৰুনিমা ছেত্ৰী, সাংবাদিক উত্তম কুমাৰ মণ্ডল, সমাজসেৱক পৰমানন্দ ৰাজবংশী, দীপক দাস, প্ৰিয়ংকা মাৰাক, কাজল ঘোষ, কুঞ্জ কিশোৰ অধিকাৰী, কৌতুক অভিনেতা দুলাল দেৰ লগতে সত্ৰৰ বিষয়ববীয়া সকল উপস্থিত থাকে।

# ডুমডুমাত ‘পিনাকীৰ উদ্যোগত গ্ৰীষ্মকালীন কৰ্মশালা

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৯ জুলাই ঃ** অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত, তিনিচুকীয়া জিলা প্ৰশাসনৰ সহযোগত আৰু ডুমডুমাৰ নাট্য চৰ্চাৰ এক অন্যতম অনুষ্ঠান ‘পিনাকী’ নাট্য বিদ্যালয়ৰ তত্ত্বাৱধানত যোৱা 7 জুলাইৰ পৰা আৰম্ভ হোৱা গ্ৰীষ্মকালীন কৰ্মশালাখনিৰ শুকুৰবাৰে সন্ধিয়া সামৰণি পৰে। শিশু নাট, মূকাভিনয় আৰু ‘টেৰাকোটা’ক মূল বিষয় হিচাপে লৈ সম্পন্ন হোৱা কৰ্মশালাখনি যোৱা 7 জুলাইত অসম চৰকাৰৰ শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আৰু গৃহ বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাই উদ্বোধন কৰিছিল। কৰ্মশালাৰ সামৰণি অনুষ্ঠানটি সম্প্ৰতি নতুনকৈ নিৰ্মাণ কৰি থকা ডুমডুমাৰ ঐতিহ্যমণ্ডিত নাট্য মন্দিৰত অনুষ্ঠিত হয়। অনুষ্ঠানত ডুমডুমা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া (সংলগ্ন) ভাৰতী বৰা, ডুমডুমা সম-জিলাৰ সাংস্কৃতিক উন্নয়ন বিষয়া ৰশ্মি ডেকা, অসম চৰকাৰৰ সাংবাদিক পেঞ্চনাৰ ধীৰেন ডেকা, ডুমডুমা নাট্য মন্দিৰ সমিতিৰ সভাপতি জিতেন ডেকা, ডুমডুমা শতদল শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বিমলা বৰুৱা, বৰ্তমানৰ সভাপতি দেবেন ডেকা আৰু সাংবাদিক অভিজিৎ খাটনিয়াৰে আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰে। বিশিষ্ট সাংস্কৃতিক কৰ্মী তথা কৰ্মশালাৰ অন্যতম তত্ত্বাৱধায়ক নয়ন ডেকাই আঁত ধৰা অনুষ্ঠানটিত ‘পিনাকী’ নাট্য বিদ্যালয়ৰ সঞ্চালক জয়সূৰ্য বৰাই কৰ্মশালাখনৰ সন্দৰ্ভত বক্তব্য আগবঢ়াই কৰ্মশালাখনি সুচাৰুৰূপে সম্পন্ন কৰা সকলোলৈকে কৃতজ্ঞতা জ্ঞাপন কৰে। আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে বিমলা বৰুৱা, ভাৰতী বৰা আৰু ৰশ্মি ডেকাই। সামৰণি অনুষ্ঠানত বক্তব্য প্ৰদান কৰি সাংবাদিক পেঞ্চনাৰ ধীৰেন ডেকাই অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগে এনেধৰণৰ উদ্যোগ লোৱাৰ বাবে অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বড়াক ধন্যবাদ জ্ঞাপন কৰে। ইয়াৰ পাছতেই কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰশিক্ষাৰ্থীসকলৰদ্বাৰা পৰিৱেশিত মূকাভিনয় আৰু শিশু নাট আনুষ্ঠানিকভাৱে উদ্বোধন কৰে ডুমডুমা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া (সংলগ্ন) ভাৰতী বৰাই। এই অনুষ্ঠানতে মূকাভিনয়ৰ প্ৰশিক্ষক মৃণ্ময় বৰা আৰু ‘টেৰাকোটা’ৰ প্ৰশিক্ষক খঞ্জন শইকীয়াক গ্ৰীষ্মকালীন কৰ্মশালা পৰিচালনা সমিতিৰ তৰফৰ পৰা একোখনকৈ ফুলাম গামোচাৰে কৃতজ্ঞতা জনোৱা হয়। শিশুসকলে প্ৰদৰ্শন কৰা মূকাভিনয় আৰু শিশু নাটে দৰ্শকৰ প্ৰশংসা বুটলিবলৈ সক্ষম হয়।



## সম্পাদকীয়

# স্পষ্টতাৰ দাবী

পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত ভাৰতীয় সেনাই অপাৰেচন সেন্দূৰৰ জৰিয়তে যি কঠোৰ প্ৰতিশোধমূলক কাৰ্য্য হাতত লৈছিল, সেয়া নিশ্চিতভাৱে দেশৰ ইতিহাসত এক গৌৰৱময় অধ্যায় হিচাপে লিপিবদ্ধ হ'ব। কিন্তু এই অভিযানৰ সময়ত ওলোৱা বিভিন্ন বিৰোধাভাসী তথ্য আৰু বিভ্ৰান্তিকৰ খবৰে জনসাধাৰণৰ মনত অসংখ্য প্ৰশ্নৰ সৃষ্টি কৰিছে। এনে এক সংবেদনশীল বিষয়ত সম্পূৰ্ণ স্বচ্ছতাৰে সকলো তথ্য জনসমুখত উলিয়াই দিয়াটো এতিয়া সময়ৰ এক জৰুৰী দাবী হৈ পৰিছে। অপাৰেচন সেন্দূৰে ভাৰতৰ সন্ত্ৰাসবাদ নীতিৰ এক নতুন মাইলৰ খুঁটি স্থাপন কৰিছিল। এই অভিযানে স্পষ্ট কৰি দিছে যে ভাৰতীয় সেনাই সন্ত্ৰাসবাদী আৰু তেওঁলোকৰ আশ্ৰয়দাতাসকলক কঠোৰ হাতেৰে প্ৰত্যুত্তৰ দিব। কিন্তু এই সফলতাৰ মাজতো কিছুমান অস্পষ্টতাই ৰাজনৈতিক বিতৰ্কৰ সৃষ্টি কৰিছে। বিৰোধী দলসমূহে সংসদত এই বিষয়টোত আলোচনাৰ দাবী জনাইছে, আৰু এই দাবী সম্পূৰ্ণ যুক্তিসংগত। অপাৰেচন সেন্দূৰৰ সময়ত হোৱা ক্ষয়-ক্ষতি, পাকিস্তানৰ সৈতে হোৱা সংঘৰ্ষৰ পৰিণতি আৰু যুদ্ধবিৰতিৰ প্ৰকৃত কাৰণ আদি বিষয়ত চৰকাৰে স্পষ্ট তথ্য আগবঢ়োৱা নাই। আনহাতে, আমেৰিকাৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে ভাৰত-পাকিস্তানৰ মাজত শান্তিৰ মধ্যস্থতা কৰাৰ দাবী কৰাৰ পিছত এই বিষয়টোৱে আন্তৰ্জাতিক ৰাজনীতিৰ এক জটিল ৰূপ লৈছে। এনে পৰিস্থিতিত চৰকাৰৰ উচিত হ'ব সকলো প্ৰকাৰৰ সন্দেহ দূৰ কৰিবলৈ সম্পূৰ্ণ তথ্য জনসমুখত উলিয়াই দিয়া। পহলগামৰ আক্ৰমণৰ পিছত কাশ্মীৰৰ উপৰাজ্যপালে নিৰাপত্তা ব্যৱস্থাত থকা ত্ৰুটিসমূহ স্বীকাৰ কৰিছিল। কিন্তু এই ত্ৰুটিসমূহ কিয় হ'ল, আক্ৰমণকাৰীসকল কেনেকৈ পলায়ন কৰিবলৈ সক্ষম হ'ল, আৰু তেওঁলোকৰ পৰিচয় কি- এই সকলোবোৰ বিষয়ত আজিলৈকে কোনো স্পষ্টতা নাই। এনে পৰিস্থিতিত জনসাধাৰণৰ মনত স্বাভাৱিকতে প্ৰশ্নৰ সৃষ্টি হয়। ৰাষ্ট্ৰীয় নিৰাপত্তাৰ দৰে গুৰুত্বপূৰ্ণ বিষয়ত সম্পূৰ্ণ স্বচ্ছতা ৰক্ষা কৰাটো চৰকাৰৰ কৰ্তব্য। অপাৰেচন সেন্দূৰৰ সফলতাক লৈ কোনো সন্দেহ নাই, কিন্তু এই সফলতাৰ মাজত থকা অস্পষ্টতাবোৰ দূৰ কৰিবলৈ চৰকাৰে সকলো তথ্য সংসদত উপস্থাপন কৰিব লাগিব। ৰাষ্ট্ৰৰ স্বাৰ্থত চৰকাৰ আৰু বিৰোধী দল উভয়ে একেলগে কাম কৰিব লাগিব। তেতিয়াহে সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ যুঁজত এক শক্তিশালী ঐক্য গঢ়ি তুলিব পৰা যাব।

> যেতিয়াই দেশৰ আইন উলংঘা হয়, তাত চৰকাৰে হস্তক্ষেপ কৰাটো দায়িত্ব আৰু ঔচিত্যপূৰ্ণ। ১৯৫১ চনৰ পিছত তেনেকুৱা বহুতো কাম চৰকাৰে কৰা নাছিল বাবেই ছাত্ৰ সমাজে ছবছৰীয়া আন্দোলন চলাব লগা হৈছিল। বন মন্ত্ৰী, বনবিষয়াৰ নাম বনাঞ্চল উচ্ছেদ কৰাৰ লগত শুনিবলৈ পোৱা গৈছিল। দেশৰ প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাৰ প্ৰতি ভ্ৰূক্ষেপ নকৰা সকলেই বনাঞ্চল ধ্বংসৰ বিৰুদ্ধে চৰকাৰক গালি পাৰে, আন্দোলন কৰে। জনসংখ্যা অনুপাতে বনাঞ্চল সংৰক্ষণ কৰাৰ বাবে তথা জৈৱ বৈচিত্ৰ্যৰ সামঞ্জস্য ৰক্ষাৰ স্বাৰ্থত উচ্ছেদৰ প্ৰয়োজন হয়।

# উচ্ছেদ অভিযান আৰু কিছু কথা

**ড° আৰ কে বেজবৰুৱা**

বৰ্তমানৰ উচ্ছেদ অভিযানক লৈ সৰ্বত্ৰে বিভিন্ন কথা চলি আছে। অসমক ভাল পোৱা, ভৱিষ্যতৰ কথা চিন্তা কৰা সকলোৱেই এই উচ্ছেদ কাৰ্য্য সমৰ্থন কৰিছে। কিছুমানে তাৰ বিপক্ষত থিয় দিছে। উচ্ছেদৰ সপক্ষে বিপক্ষে তুমুল চৰ্চা তথা বিতৰ্কৰ মাজত কিছুমান কথা চিন্তালৈ আহে।

অসমৰ সংৰক্ষিত আৰু অ-সংৰক্ষিত ভূমিবোৰ কিমান বছৰৰ আগৰ পৰা অবৈধ দখললৈ গৈছে, তাৰ কিবা তথ্য কাৰোবাৰ হাতত আছে নে? সেই ভূমি কোন মানুহে অবৈধ ভাৱে দখল কৰি আছে, তাক কোনোবাই জানে নে? অবৈধ দখল কৰা সকল অসমৰ ভূমি হীন লোক নে ভূমি থকা লোক? সেই দখলদাৰ বোৰ সঁচাকৈয়ে অসমৰ স্থায়ী নহয় নেকি? আন নালাগে, ৰাজধানী চহৰ গুৱাহাটীৰ মাটিত অবৈধ দখল কিমান হৈছে, সেই বিষয় লৈ কোনোবাই কেতিয়াবা চিন্তা কৰিছিল নে? কিমান মানুহে ভৰলু নদী আৰু গুৱাহাটীৰ নলা-নৰ্দমাৰ ওপৰত ঘৰ সাজিছে সেই তথ্য নগৰ পালিকাৰ হাতত আছে নে? সেইবোৰত উচ্ছেদ কৰাৰ প্ৰয়োজন আছে নে নাই?

পূৰ্বতেও যদি অবৈধ দখল উচ্ছেদৰ কথা কোনোবাই চিন্তা কৰিছিল, তেওঁলোকে কি ধৰণৰ পদক্ষেপ লৈছিল? আজি তাৰ গ্ৰহণযোগ্য উত্তৰ বিচাৰি পোৱা টান হ'ব। সত্ৰৰ মাটিৰ আশে পাশে যেতিয়া অবৈধ ভাবে কোনোবাই ঘৰ এটা সাজিছিল, তেতিয়াই যদি তাত থকা খিলঞ্জীয়া মানুহ খিনিয়ে মাত দিলেহেঁতেন সেই ঘৰটো তুলি লৈ যাবলৈ বাধ্য হ'লহেঁতেন আৰু তাত দ্বিতীয়টো ঘৰ সজোৱাৰ সাহস কোনোৱেই নকৰিলেহেঁতেন। কাজিৰঙাত বনৰক্ষী বাহিনী এটাই সকলো সময়তে বনাঞ্চল পহৰা দি আহিছে। তেওঁলোকৰ চকুৰ আগত সংৰক্ষিত বনাঞ্চলত কেনেকৈ কোনো ব্যক্তিয়ে ঘৰ সাজিব পাৰিলে? দিপৰ বিলত বছৰটোৰ ছমাহেই বনভোজ খাবলৈ মানুহ যায়। তাৰ ভিতৰত প্ৰশাসনৰ মানুহো নিশ্চয় যায় বা গৈছে। বিলৰ আশে পাশে নতুন বসতি গঢ়ি উঠা দৃশ্য তেওঁলোকৰ চকুত পৰা নাছিল নে? চন্দ্ৰপুৰৰ দৰে স্থানত কেনেকৈ বে-দখল হ'বলৈ পালে? এসময়ত দেখোন তাত স্থায়ী ৰাজধানী হোৱাৰ কথা ওলাইছিল, এতিয়াও গুৱাহাটীৰ জালুকবাৰী পৰা পল্টন বজাৰলৈ ৰেল আলিৰ কাষে কাষে প্লাষ্টিক আৰু তিৰপাল জাপি কিছুমান মানুহে সংসাৰ চলাই আছে। সেইবোৰ ৰে'ল বিভাগৰ বিষয়া-কৰ্মচাৰীৰ চকুত পৰা নাই নেকি? অসমক প্ৰতিনিধিত্ব কৰা কোনো ব্যক্তিয়ে দেখা নাই নেকি? নে কোনো সাংবাদিকৰ দৃষ্টিতো সেয়া পৰা নাই, আজি পৰ্যন্ত? সেই চালিবোৰে গুৱাহাটীৰ কদৰ্য ৰূপ এটা প্ৰকাশ কৰি আছে। তাক চাফা কথাটো নগৰ প্ৰশাসন নে ৰেল প্ৰশাসনৰ দায়িত্ব? সেই মানুহবোৰৰ দেশ নিৰ্মাণত ভূমিকা কি?

এতিয়া আহিছোঁ গোৱালপাৰা-ধুবুৰী জিলাৰ কথালৈ। সূৰ্য্য পাহাৰকে ধৰি দুয়োখন জিলাৰ বিভিন্ন স্থানত অবৈধ দখল ইমানেই হৈছে যে আজি প্ৰশাসনেও হাত ডাঙি পলাব লগীয়া হৈছে। এই পৰিস্থিতি কিয় হ'বলৈ পালে? দেশৰ ৰাজহ বিভাগ সকলো জিলা, মহকুমাত সক্ৰিয় হৈ আছে। বনবিভাগৰ মানুহে সকলো বনাঞ্চলতে বেতন ভোগ কৰি আহিছে। প্ৰশ্ন উঠে- ইমানবোৰ চৰকাৰী দৰমহাত পালিত বিষয়া-কৰ্মচাৰীসকলে ইমান বছৰে কি কৰি আছিল? তেওঁলোকে বনাঞ্চল ৰক্ষা কৰিছিল নে ধ্বংসৰ সহভাগী হৈছিল?

সেইবোৰো পিছৰ কথা। অসমৰ ১২৬টা বিধান সভা সমষ্টি আছে। সেই ১২৬টা সমষ্টিৰ বিধায়ক সকলে ইমান দিনে কি কৰি আছিল? তাৰ ওপৰত আছে লোক সভাৰ সদস্যসকল! দেশৰ উন্নয়ন, দেশৰ সংৰক্ষণ ব্যৱস্থাৰ লগত তেৰোঁলোকে ইমান দিনে বিশ্বাস ঘাতকতা কৰা নাই নে? বেদখল উচ্ছেদ কৰাৰ দায়িত্ব কেৱল মুখ্যমন্ত্ৰীজনৰ নেকি? সেই মুখ্যমন্ত্ৰীজন হ'ব লাগিব নেকি একমাত্ৰ হিমন্ত বিশ্ব শৰ্মা? তেওঁক সকলোৱে 'কমিউনেল' বুলি কয়। লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ পিছত কিমান বাঘা বাঘা মুখ্যমন্ত্ৰীয়ে অসমৰ ৰাজপাট শুৱনি কৰিলে। একোজন মুখ্যমন্ত্ৰীয়ে তিনিটা শাসন কালত ৰাজ্য চলালে। ছাত্ৰ-ছাত্ৰীৰ পিঠিত জখলা লগাই দুবাৰকৈ শাসনলৈ অহা মুখ্যমন্ত্ৰীও আছিল। কিন্তু কোনোৱেই এই অবৈধ দখলবোৰ দেখা নাছিল নে? অবৈধ দখলত থকা ভূমিবোৰ মুক্ত কৰাৰ বাবে কোনো মুখ্যমন্ত্ৰী, ৰাজহ মন্ত্ৰী জিলা প্ৰশাসনে কেতিয়াবা প্ৰচেষ্টা হাতত লৈছিল নে? তেনেকৈ গৈ থাকিলে প্ৰশ্নৰ তালিকাখন দীঘল হৈ গৈ থাকিব। গৈ গৈ উত্তৰ হ'ব শূন্য হোৱাৰ লগতে আমাৰ কিছুমান চৰকাৰী বিষয়া, কৰ্মচাৰী, দেশ নেতাৰ নামো সন্মুখলৈ আহিব।

অসম আন্দোলনৰ পিছত আজি এজন মুখ্যমন্ত্ৰী তথা অসমৰ অভিভাৱকে অসম তথা অসমবাসীৰ ভৱিষ্যত সংৰক্ষিত কৰাৰ বাবে প্ৰত্যাহ্বান গ্ৰহণ কৰিছে। যদি কোনোবাই ভাবিছে, পলমকৈ হ'লেও সেয়া উপযুক্ত প্ৰক্ৰিয়া, তেন্তে তাক জাতি, বৰ্ণ, দল, সংগঠন, ব্যক্তি নিৰ্বিশেষে সমৰ্থন কৰা উচিত। যদি ভাবিছে, অসমৰ মাটি কোনোবা অবৈধ দখলকাৰীৰ হাতত গ'লেও কাৰো একো হানি নহয়, তেন্তে মুখ্যমন্ত্ৰীক মুকলি বাবে জনাব লাগে - এই খেদা খেদি আৰু হিংসা বন্ধ কৰক, সেই দখলদাৰীসকলে আমাৰ অপকাৰ নকৰে, ভাই- ককাইৰ দৰে আমাৰ লগত থাকিব বুলি।

চাবলৈ গ'লে আজিৰ তাৰিখত কোনো সমষ্টিৰ বিধায়ক আৰু মন্ত্ৰী সকলে অবৈধ দখল সন্দৰ্ভত কোনো উদ্বেগ প্ৰকাশ কৰা নাই। তেওঁলোকে উচ্ছেদত কি ভূমিকা গ্ৰহণ কৰিছে, তাক সকলোৱে দেখিছে। অসমত বহুতো ছাত্ৰ সংগঠন আছে। কোনো এটা ছাত্ৰ সংগঠনে উচ্ছেদৰ সপক্ষে বিবৃতি এটা প্ৰচাৰ কৰা নাই। জাতীয়তাবাদী সংগঠনৰো অভাৱ নাই। তেওঁলোকেও মাত মতা নাই। বুদ্ধিজীৱী সকলৰ কথা নকলোৱেই বা।

যোৰহাটৰ বিধায়ক অখিল গগৈয়ে কাৰ ৰক্ষণাবেক্ষণৰ বাবে থিয় দিছে, কাৰ বাবে আন্দোলন কৰিব খুজিছে, তাক সকলোৱে বুজিছে। ইতিমধ্যে অসমৰ মুখ্যমন্ত্ৰীয়ে কৈছে - কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খৰ্গে আৰু ৰাহুল গান্ধীৰ অসম ভ্ৰমণ তথা সংখ্যা লঘু অধ্যুষিত অঞ্চলত দিয়া ভাষণৰ পিছতে উচ্ছেদ স্থলীত অপ্ৰীতিকৰ ঘটনা সংঘটিত হৈছে। এনেবোৰ কথাই কি সূচায়? আমাৰেই কিছুমান মানুহৰ বাবে অবৈধ দখল সম্ভৱ হৈছে নেকি? আমাৰ শক্তিশালী নেতাৰ প্ৰত্যক্ষ বা পৰোক্ষ উচতনিত বেদখল হৈছে নেকি, সেয়াও বিচাৰ যোগ্য বিষয়। অসমীয়া ভাষাক উচ্ছেদ কৰাৰ ভাবুকি দিব পৰা অপশক্তি পিছফালে কোন আছে, তাকো বিচাৰি উলিয়াব লাগে। এখন ৰাষ্ট্ৰৰ সাৰ্বভৌমত্বৰ প্ৰতি এয়া এক ডাঙৰ ভাবুকি!



যেতিয়াই দেশৰ আইন উলংঘা হয়, তাত চৰকাৰে হস্তক্ষেপ কৰাটো দায়িত্ব আৰু ঔচিত্যপূৰ্ণ। ১৯৫১ চনৰ পিছত তেনেকুৱা বহুতো কাম চৰকাৰে কৰা নাছিল বাবেই ছাত্ৰ সমাজে ছবছৰীয়া আন্দোলন চলাব লগা হৈছিল। বন মন্ত্ৰী, বনবিষয়াৰ নাম বনাঞ্চল উচ্ছেদ কৰাৰ লগত শুনিবলৈ পোৱা গৈছিল। দেশৰ প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাৰ প্ৰতি ভ্ৰূক্ষেপ নকৰা সকলেই বনাঞ্চল ধ্বংসৰ বিৰুদ্ধে চৰকাৰক গালি পাৰে, আন্দোলন কৰে। জনসংখ্যা অনুপাতে বনাঞ্চল সংৰক্ষণ কৰাৰ বাবে তথা জৈৱ বৈচিত্ৰ্যৰ সামঞ্জস্য ৰক্ষাৰ স্বাৰ্থত উচ্ছেদৰ প্ৰয়োজন হয়। কিয়নো দেশৰ মাটি বৃদ্ধি নহয়। তাৰ পৰিপ্ৰেক্ষিতত আজিৰ চৰকাৰে আৰম্ভ কৰিব লগীয়া হৈছে উচ্ছেদ অভিযান। যিসকল লোকৰ ন্যায়িক বৈধতা নাই, আন ৰাষ্ট্ৰৰ পৰা প্ৰব্ৰজন কৰা সকলে চৰকাৰৰ পৰা নিৰ্দেশ পোৱা মাত্ৰেই সময় ব্যয় নকৰি তাৰ পৰা আঁতৰি যোৱা উচিত। ছিন্নমূল কিছুমান মানুহে দেশৰ সম্পদ বিনষ্ট কৰি অবৈধ কাম কৰিব, সেয়া হ'ব দিয়াটো চৰকাৰৰ নিৰ্লিপ্ততা বা দূষণীয় কাম। যেতিয়া দেশ বা ৰাষ্ট্ৰৰ সাৰ্বভৌমত্ব বা জাতিৰ অস্তিত্বৰ কথা আহে, তেতিয়া সৰ্বোপৰি দেশ আৰু জাতিক আগ স্থান দিব লাগিব। আজি অসমৰ প্ৰশাসনে অবৈধ দখলকাৰীক উচ্ছেদ কৰাৰ বাবে যি কঠোৰ স্থিতি গ্ৰহণ কৰিছে, তাক সকলোৱে মানি লোৱা উচিত। চৰকাৰে যি তথ্য প্ৰস্তুত কৰিছে, তাৰ ভিত্তি নিশ্চয় আছে। ন্যায্যতা আছে। এয়াও সত্য যে যি কোনো অবৈধ দখল দূষণীয় বা অপৰাধ, সেয়া ব্যক্তিগতই হওক বা চৰকাৰী সম্পদেই হওক। তাৰ বাবেও নিশ্চয় শাস্তিৰ বিধান আছে।

কিন্তু গোৱালপাৰাৰ উচ্ছেদিত এচাম লোকে যি ধৰণৰ উগ্ৰতা প্ৰদৰ্শন কৰিলে তাক জানো সহজ ভাবে গ্ৰহণ কৰিব পাৰি? ব্যক্তিগত ভাবে অসমৰ মুখ্যমন্ত্ৰীজনে উচ্ছেদিত মানুহৰ দুখত কান্দিব পাৰে। কিন্তু দেশৰ দায়িত্বত থাকি তেওঁ সেই উচ্ছেদ বন্ধ কৰিব নোৱাৰে। যি অবৈধ, সি ঘৰ-দুৱাৰেই হওক বা কঠীয়া তলীয়েই হওক, তাক সূকীয়াকৈ চোৱাৰ যুক্তি অন্ততঃ আইনে নামনে। চৰকাৰে যি কাম কৰিছে, সেয়া অসমৰ ভৱিষ্যতৰ বাবে কৰিছে। আজি সকলোৱে হয়তো উপলব্ধি কৰিব পৰা নাই, এচাম বহিৰাগতই অসমীয়া ভাষাক আক্ৰমণ কৰিবলৈ সাহস কৰিছে। বৈধ চৰকাৰ এখনৰ কৰ্তব্যৰত পুলিচ-কৰ্মচাৰীক কেমেৰাৰ সন্মুখত আক্ৰমণ কৰিছে। ই নিশ্চয় অসম আৰু অসমীয়াৰ ভৱিষ্যতৰ বাবে অতি ভয়ংকৰ সংকেত। আজিৰ তাৰিখত পুলিচ আৰু চৰকাৰী মানুহ তেনে এচাম মানুহৰ আক্ৰমণৰ লক্ষ্য হৈছে। অসমীয়া ভাষাক নিচিহ্ন কৰাক সংকল্প লোৱা মানুহ কিছুমানৰ পৰা দহ বছৰ পিছত অসমীয়া মানুহৰ গতি কি হ'ব সেয়া সময় থাকোঁতেই চিন্তা কৰিব লাগিব। ছ'ছিয়েল প্লেটফৰ্মত এচামে উচ্ছেদ আৰু অসমৰ মুখ্যমন্ত্ৰীৰ বিষয়ে যি ধৰণৰ কথা লিখে, তাক পঢ়ি যিকোনো অসম প্ৰেমী লোকৰ চিন্তা হয়, সেইবোৰ মানুহে যদি কিবাকৈ সংখ্যা গৰিষ্ঠতা লাভ কৰে নাইবা শাসনৰ সুবিধা লাভ কৰে, তেন্তে প্ৰকৃত অসমীয়াৰ অৱস্থা কাশ্মীৰি পণ্ডিতৰ নিচিনা হ'ব। নিকৃষ্ট স্বাৰ্থ বিচাৰি যোৱাটো প্ৰকৃত অসমীয়াৰ কৰ্তব্য নহয়। অবৈধ দখলকাৰীক কেতিয়াও সাহস যোগাবলৈ নাযাব, যদিহে কোনোবাই নিজকে অসমীয়া বুলি চিনাকি দিয়ে। মুখ্যমন্ত্ৰীৰ কামক সমালোচনা কৰা বা শাওপাত দিয়াতকৈ নিজৰ ভৱিষ্যত চাবলৈ চেষ্টা কৰা উচিত। মুখ্যমন্ত্ৰীজন বা চৰকাৰখন অপ্ৰিয় হ'লেও ন্যায়সংগত কামত চৰকাৰী প্ৰচেষ্টাৰ সপক্ষে জনমত সৃষ্টিৰ চেষ্টা কৰা উচিত। চৰকাৰক সুস্থ পৰামৰ্শ দিয়া উচিত।

আমাৰ ৰাজহ বিভাগ, বন বিভাগ, স্থানীয় গাঁওবুঢ়া, বিধায়ক, মন্ত্ৰীসকলে যদি আগৰে পৰা অবৈধ দখলৰ ওপৰত চকু ৰাখি কাৰ্য্য ব্যৱস্থা হাতত ল'লেহেঁতেন তেন্তে আজিৰ এই দুখজনক উচ্ছেদ অভিযান চলাব লগীয়া নহ'লহেঁতেন। সকলো অসমীয়া লোক এনেকুৱা কথা আৰু কামৰ পৰা বিৰত থকা উচিত, যাৰ দ্বাৰা অসমৰ ক্ষতি হয়। দুস্কৃতিকাৰী কাষত থিয় দিয়া জনো দুস্কৃতিকাৰী হিচাপে চিহ্নিত হোৱা উচিত। দেশৰ অস্তিত্বৰ প্ৰশ্নত চৰকাৰৰ স্থিতি কঠোৰ নহ'লে ভৱিষ্যত বংশধৰে আজিৰ চৰকাৰকো জগৰীয়া কৰিব। কিন্তু সিদিনা পস্তাবলৈ বা প্ৰতিকাৰ কৰিবলৈ কাৰো হাতত একো নাথাকিব।

সকলো শান্তকামী নাগৰিকে অযথা অশান্তি নিবিচাৰে। প্ৰকৃত ভূমিহীন ভাৰতীয় নাগৰিকে ঘৰ এটা সাজিবলৈ ন্যূনতম মাটি অকণ পোৱা উচিত। অৱশ্যে মুখ্যমন্ত্ৰীয়ে কিছুমান উচ্ছেদিত লোকক ভূমি দিছে বুলিও শুনিছোঁ। এই কথাও মনত ৰখা উচিত যে যদি উচ্ছেদিত সকল প্ৰকৃততে অসমৰ স্থায়ী বাসিন্দা আৰু উচ্ছেদিত স্থানৰ পট্টাদাৰ, তেওঁলোকে নিশ্চয় ক্ষতিপূৰণ আৰু ঘৰ সজাৰ বাবে চৰকাৰৰ পৰা ভূমি লাভ কৰিব। আমি সকলোৱে আশা ৰাখিম প্ৰকৃত ভাৰতীয় লোকে ন্যূনতম ভূমিৰ পৰা বঞ্চিত যাতে নহয়। জীৱ-জন্তু আৰু প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষাৰ বাবেও উচ্ছেদ আৱশ্যক। কিন্তু অবৈধ লোক উচ্ছেদ হ'বই লাগিব। কিন্তু অবৈধ উচ্ছেদিতক লৈ কোনোৱে যাতে অযথা অশান্তিৰ সৃষ্টি নকৰে। চৰকাৰলৈ আমাৰ আবেদন আৰু পৰামৰ্শ, প্ৰকৃত ভাৰতীয় লোকক যাতে প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত কৰা নহয়।

# অৱসৰপ্ৰাপ্ত শিক্ষক নিযুক্তি

**চিন্ময় নাথ**

দেশৰ লগতে আমাৰ ৰাজ্য অসমত প্ৰতিবছৰে উচ্চ শিক্ষা লাভ কৰা হেজাৰ-হেজাৰ যুৱক-যুৱতী স্নাতক, স্নাতকোত্তৰ, পি.এইচ.ডি. আদিৰ দৰে ডিগ্ৰী লাভ কৰাৰ পিছতো নিজৰ যোগ্যতাৰ সদ্ব্যৱহাৰ কৰিবলৈ উপযুক্ত কৰ্মসংস্থাপন নোপোৱাকৈ ঘৰত বহি থাকে। অভিজ্ঞতা, দক্ষতা, পৰিশ্ৰম থকা সত্বেও তেওঁলোকে আজিও নিবনুৱা শব্দটোৰ ওচৰত আত্মসমৰ্পণ কৰিবলৈ বাধ্য হৈছে। আনহাতে, অৱসৰপ্ৰাপ্ত শিক্ষক, যি ইতিমধ্যে নিজা চাকৰি জীৱন সম্পূৰ্ণ কৰি দেশ-জাতিৰ বাবে বছৰ বছৰ ধৰি সেৱা আগবঢ়াই আহিছে আৰু তেওঁলোকক পুনৰ নিযুক্তি দিয়া বিষয়টোৱে সমাজৰ এক গভীৰ আৰু বিৰোধাভাসপূৰ্ণ ছবি প্ৰতিফলিত কৰিছে।

বৰ্তমান সময়ছোৱাত আমাৰ ৰাজ্য অসমৰ প্ৰেক্ষাপটত শিক্ষা বিভাগত বহু পদ খালী হৈ আছে। বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়ত উপযুক্ত সংখ্যক নিয়মীয়া শিক্ষক নিযুক্তি হোৱা নাই, যাৰ ফলত শিক্ষাৰ মান দিনক দিনে হ্ৰাস পাইছে। এই সমস্যা সমাধানৰ নামত চৰকাৰে বা বিভিন্ন প্ৰতিষ্ঠান সমূহে যি সিদ্ধান্ত গ্ৰহণ কৰিছে সেয়া চিন্তনীয় বিষয়। আজিৰ নৱ প্ৰজন্মৰ যুৱক-যুৱতীসকল শিক্ষিত হোৱাৰ পিছতো সামাজিক, মানসিক আৰু অৰ্থনৈতিক বিপৰ্যয়ৰ সন্মুখীন হৈছে। তেওঁলোকে বহু বছৰ ধৰি প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰস্তুতি লৈ, প্ৰশিক্ষণ, কিতাপ আদিত দৰিদ্ৰ পিতৃ-মাতৃৰ হাড়ভঙা উপাৰ্জনৰ সমগ্ৰ পুঁজি খৰচ কৰি আগবাঢ়িছে। তথাপি, চাকৰি প্ৰাপ্তিৰ ক্ষেত্ৰত সুযোগৰ অভাৱ, দৰমহা ভিত্তিত নিযুক্তি, চুক্তিভিত্তিক পদ সৃষ্টি আদিয়ে তেওঁলোকৰ মনোবল সম্পূৰ্ণভাৱে ভাঙি পেলাইছে।

অৱসৰপ্ৰাপ্ত শিক্ষকসকলক পুনৰ নিযুক্তি দিয়া মানে, নতুন প্ৰজন্মৰ চাকৰিৰ ক্ষেত্ৰ সঙ্কুচিত কৰি, এক নিৰাশাময় সমাজৰ জন্ম দিয়া। যদিও অৱসৰপ্ৰাপ্ত শিক্ষকসকলৰ অভিজ্ঞতা অমূল্য, তেন্তে সেই অভিজ্ঞতা পৰামৰ্শকাৰী, অধ্যাপক-অধীক্ষক পৰ্যায়ৰ নীতি-নিৰ্ধাৰক ৰূপত ব্যৱহাৰ কৰা উচিত; শিক্ষা প্ৰদানৰ প্ৰাথমিক ক্ষেত্ৰত তেওঁলোকৰ নিৰ্ভৰতা আগন্তুক সময়ৰ বাবে সুস্থধাৰা নহ'ব পাৰে। চাকৰিৰ ক্ষেত্ৰখন কিমান সংকীৰ্ণ হৈছে, সেই কথা নিৰ্বাচনী প্ৰতিশ্ৰুতি আৰু বাস্তৱনীতিৰ বেলেগ ভাবেই বুজা যায়। চৰকাৰীভাৱে বছৰি নিযুক্তি ঘোষণা হোৱা প্ৰতিযোগিতামূলক পৰীক্ষাৰ ফলাফল প্ৰকাশ হ'বলৈ বছৰ বছৰ সময় লাগে, কাৰ্যনিৰ্বাহ শূন্যতাৰ বাবে আদালতৰ সহায় ল'ব লগা হয়— এই সকলোবোৰে শিক্ষিত যুৱ প্ৰজন্মক দিশাহীন কৰি তুলিছে। এই সমস্যাৰ সমাধানৰ বাবে এক সু-সংহত নীতিৰ প্ৰয়োজন। প্ৰথমতে, প্ৰতিটো শিক্ষানুষ্ঠানত খালী পদবোৰ সঠিকভাৱে চিনাক্ত কৰি, আধুনিক আৰু স্বচ্ছ নিয়োগ প্ৰক্ৰিয়া অৱলম্বন কৰি, নতুন প্ৰজন্মক চাকৰিৰ সুযোগ দিয়াটো অতি প্ৰয়োজন। তদুপৰি, অৱসৰ গ্ৰহণ কৰা শিক্ষকসকলৰ জ্ঞান আৰু অভিজ্ঞতা যেন সমপযোগীভাৱে শিক্ষানীতি আৰু পাঠ্যক্ৰম পৰ্যালোচনাৰ ক্ষেত্ৰত ব্যৱহৃত ব্যৱস্থা কৰা উচিত।

সঁচাকৈয়ে যদি অসমৰ যুৱ শক্তিক আগবঢ়াবলৈ হয়, তেন্তে তেওঁলোকৰ বাবে স্থায়ী আৰু সন্মানজনক চাকৰিৰ ক্ষেত্ৰ সৃষ্টি কৰাটো বাধ্যতামূলক। ইয়াৰ বাবেই চৰকাৰ, সমাজ আৰু শিক্ষা বিভাগে একেলগে দায়িত্বশীল ভূমিকা গ্ৰহণ কৰিব লাগিব।





# কৃত্ৰিম বুদ্ধিমত্তা আৰু আজিৰ যুৱ প্ৰজন্মৰ ওপৰত ইয়াৰ প্ৰভাৱ

**চন্দন কুমাৰ নাথ**

আজিৰ দ্ৰুতগতিৰ বিশ্বত কৃত্ৰিম বুদ্ধিমত্তা (Artificial Intelligence, AI) এটা এনে প্ৰযুক্তিৰূপে আত্মপ্ৰকাশ কৰিছে, যিয়ে কেৱল আমাৰ জীৱনশৈলীক সহজ কৰাই নহয়, সমাজৰ প্ৰতিটো স্তৰতে গভীৰ প্ৰভাৱ পেলাইছে। বিশেষকৈ যুৱ প্ৰজন্মৰ ক্ষেত্ৰত এই প্ৰযুক্তিৰ প্ৰভাৱ অতি তাৎপৰ্যপূৰ্ণ। আজিৰ যুৱক-যুৱতীসকল, যিসকল প্ৰযুক্তিৰ সৈতে জন্মগ্ৰহণ কৰি ডিজিটেল জগতত ডাঙৰ-দীঘল হৈছে, তেওঁলোকৰ বাবে কৃত্ৰিম বুদ্ধিমত্তা কেৱল এটা সঁজুলি নহয়, বৰঞ্চ জীৱনৰ এটা অবিচ্ছেদ্য অংশ হৈ পৰিছে। শিক্ষা, কৰ্মক্ষেত্ৰ, সামাজিক সম্পৰ্ক আৰু ব্যক্তিগত সৃষ্টিশীলতাৰ ক্ষেত্ৰত এই প্ৰযুক্তিয়ে নতুন দিগন্ত মুকলি কৰিছে, লগতে কিছু জটিল প্ৰত্যাহ্বানৰো সৃষ্টি কৰিছে।

কৃত্ৰিম বুদ্ধিমত্তাৰ মূল সৌন্দৰ্য্য হ'ল ইয়াৰ তথ্য বিশ্লেষণৰ ক্ষমতা আৰু সিদ্ধান্ত গ্ৰহণৰ দক্ষতা। যুৱ প্ৰজন্মৰ বাবে এই প্ৰযুক্তিয়ে শিক্ষাক্ষেত্ৰত এক বিপ্লৱৰ সূচনা কৰিছে। আজিৰ ছাত্ৰ-ছাত্ৰীসকলে এআই-ভিত্তিক শিক্ষণ প্লেটফৰ্মৰ জৰিয়তে ব্যক্তিগতকৃত শিক্ষণৰ সুবিধা লাভ কৰিছে। এই প্ৰক্ৰিয়াই শিক্ষাৰ্থীৰ আত্মবিশ্বাস বৃদ্ধি কৰাৰ লগতে জটিল বিষয়সমূহকো সৰল কৰি তুলিছে। তদুপৰি, এআই-চালিত চ্যাটবট আৰু ভাৰ্চুৱেল সহায়কৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে যিকোনো সময়তে তেওঁলোকৰ প্ৰশ্নৰ উত্তৰ পাব পাৰে, যিয়ে শিক্ষাক অধিক সুলভ আৰু নমনীয় কৰি তুলিছে। শিক্ষাৰ বাহিৰেও কৰ্মক্ষেত্ৰত এআইৰ প্ৰভাৱ অতি স্পষ্ট। আজিৰ যুৱক-যুৱতীসকল এনে এটা সময়ত কৰ্মজগতত প্ৰৱেশ কৰিছে, য'ত এআইৰ ব্যৱহাৰে কৰ্মক্ষেত্ৰৰ গতিশীলতাক সম্পূৰ্ণৰূপে সলনি কৰি দিছে। স্বয়ংক্ৰিয় ব্যৱস্থাৰ জৰিয়তে পুনৰাবৃত্তিমূলক কামসমূহ এআয়ে সম্পন্ন কৰাৰ ফলত যুৱক-যুৱতীসকলে অধিক সৃষ্টিশীল আৰু কৌশলগত কামৰ ওপৰত মনোযোগ দিব পাৰিছে। উদাহৰণস্বৰূপে, বিপণন ক্ষেত্ৰত এআই-চালিত সঁজুলিয়ে গ্ৰাহকৰ আচৰণ বিশ্লেষণ কৰি ব্যক্তিগতকৃত বিজ্ঞাপনৰ পৰামৰ্শ দিয়ে, যাৰ ফলত যুৱ বিপণনকৰ্তাসকলে অধিক ফলপ্ৰসূভাৱে কাম কৰিব পাৰে। কিন্তু এই সুবিধাৰ লগতে এটা উদ্বেগও দেখা দিছে। এআইৰ স্বয়ংক্ৰিয়কৰণৰ ফলত কিছুমান পৰম্পৰাগত চাকৰিৰ ক্ষেত্ৰ হ্ৰাস পাইছে, যাৰ বাবে যুৱ প্ৰজন্মৰ মাজত দক্ষতা উন্নয়নৰ প্ৰতি আগ্ৰহ বৃদ্ধি পাইছে। প্ৰোগ্ৰামিং, ডাটা বিশ্লেষণ আৰু এআইৰ সৈতে সম্পৰ্কিত দক্ষতা এতিয়া অধিক জনপ্ৰিয় হৈ পৰিছে, কাৰণ যুৱক-যুৱতীসকলে নিজৰ কেৰিয়াৰক ভৱিষ্যতৰ বাবে সুৰক্ষিত কৰিবলৈ এই দক্ষতা আয়ত্ত কৰিবলৈ চেষ্টা কৰিছে।

সামাজিক সম্পৰ্কৰ ক্ষেত্ৰতো এআইৰ প্ৰভাৱ অতি লক্ষণীয়। সামাজিক মাধ্যমৰ প্লেটফৰ্মসমূহে এআইৰ ব্যৱহাৰ কৰি ব্যৱহাৰকাৰীৰ পছন্দ অনুসৰি বিষয়বস্তু প্ৰদৰ্শন কৰে, যাৰ ফলত যুৱক-যুৱতীসকলৰ মনোযোগ অধিক সময় ধৰি আকৰ্ষিত হৈ থাকে। এই প্ৰক্ৰিয়াই তেওঁলোকৰ মতামত গঠনতো প্ৰভাৱ পেলায়। উদাহৰণস্বৰূপে, এআই-চালিত এলগৰিদমে কোনো ব্যক্তিৰ পছন্দৰ ওপৰত ভিত্তি কৰি নিৰ্দিষ্ট ধৰণৰ পোষ্ট বা বিজ্ঞাপন দেখুৱায়, যাৰ ফলত তেওঁলোকৰ বিশ্বদৃষ্টি কেতিয়াবা সংকীৰ্ণ হৈ পৰে। ইয়াৰ বিপৰীতে, এআইৰ জৰিয়তে বিশ্বৰ বিভিন্ন প্ৰান্তৰ যুৱক-যুৱতীসকলৰ মাজত সংযোগ স্থাপনৰ সুবিধাও বৃদ্ধি পাইছে। ভাৰ্চুৱেল কমিউনিটি আৰু অনলাইন প্লেটফৰ্মৰ জৰিয়তে তেওঁলোকে নিজৰ ধাৰণা আৰু সংস্কৃতিৰ আদান-প্ৰদান কৰিব পাৰিছে, যিয়ে তেওঁলোকৰ সামাজিক দিগন্তক সম্প্ৰসাৰিত কৰিছে। কিন্তু এই সুবিধাসমূহৰ লগতে এআইৰ কিছুমান নেতিবাচক প্ৰভাৱও যুৱ প্ৰজন্মৰ মাজত পৰিলক্ষিত হৈছে। বিশেষকৈ মানসিক স্বাস্থ্যৰ ক্ষেত্ৰত এআই-চালিত সামাজিক মাধ্যমৰ অত্যধিক ব্যৱহাৰে উদ্বেগ আৰু হতাশাৰ সমস্যা বৃদ্ধি কৰিছে। এআইৰ দ্বাৰা সৃষ্ট ফিল্টাৰ বা সম্পাদিত ছবিৰ ব্যৱহাৰে যুৱক-যুৱতীসকলৰ মাজত অবাস্তৱ শাৰীৰিক সৌন্দৰ্য্যৰ মানদণ্ড গঢ়ি তুলিছে, যাৰ ফলত আত্মবিশ্বাসৰ অভাৱ আৰু শৰীৰৰ প্ৰতি অসন্তুষ্টিৰ সমস্যা দেখা দিছে। তদুপৰি, এআইৰ অত্যধিক নিৰ্ভৰশীলতাই যুৱক-যুৱতীসকলৰ স্বাধীন চিন্তাশক্তি আৰু সমস্যা সমাধানৰ ক্ষমতাকো কিছু পৰিমাণে প্ৰভাৱিত কৰিছে। উদাহৰণস্বৰূপে, এআই-চালিত সঁজুলিৰ সহায়ত সহজে উত্তৰ পোৱাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে গভীৰভাৱে চিন্তা কৰাৰ প্ৰৱণতা হ্ৰাস পাইছে।

অসমৰ পৰিপ্ৰেক্ষিতত এআইৰ প্ৰভাৱৰ এটা বিশেষ দিশ হ'ল ইয়াৰ দ্বাৰা স্থানীয় ভাষা আৰু সংস্কৃতিৰ সংৰক্ষণৰ সম্ভাৱনা। অসমীয়া ভাষাৰ ডিজিটেলাইজেচন আৰু এআই-চালিত ভাষা প্ৰক্ৰিয়াকৰণ সঁজুলিৰ জৰিয়তে অসমীয়া ভাষাৰ সাহিত্য, গান আৰু সাংস্কৃতিক উপাদানসমূহ বিশ্বৰ বিভিন্ন প্ৰান্তত প্ৰচাৰ কৰাৰ সুযোগ সৃষ্টি হৈছে। যুৱ প্ৰজন্মৰ মাজত এই প্ৰযুক্তিৰ ব্যৱহাৰে অসমীয়া ভাষাৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰিব পাৰে। উদাহৰণস্বৰূপে, এআই-ভিত্তিক ভাষা অনুবাদ সঁজুলিয়ে অসমীয়া ভাষাক বিশ্বৰ অন্যান্য ভাষাৰ সৈতে সংযোগ কৰিব পাৰে, যাৰ ফলত যুৱক-যুৱতীসকলে নিজৰ সংস্কৃতিক গৌৰৱৰ সৈতে বিশ্বৰ সৈতে সংযোগ স্থাপন কৰিব পাৰে। কিন্তু এই সম্ভাৱনাৰ মাজতো এআইৰ নৈতিক ব্যৱহাৰৰ প্ৰশ্নটো অতি গুৰুত্বপূৰ্ণ। যুৱ প্ৰজন্মই এই প্ৰযুক্তিৰ সুবিধা গ্ৰহণ কৰাৰ লগতে ইয়াৰ নেতিবাচক দিশসমূহৰ প্ৰতিও সচেতন হোৱা প্ৰয়োজন। এআইৰ অপব্যৱহাৰ, যেনে ভুৱা তথ্যৰ প্ৰচাৰ বা গোপনীয়তাৰ লঙ্ঘন, যুৱক-যুৱতীসকলৰ বাবে বিপদৰ কাৰণ হ'ব পাৰে। সেয়েহে, এআইৰ দায়িত্বশীল ব্যৱহাৰৰ বিষয়ে শিক্ষাৰ প্ৰয়োজনীয়তা বৃদ্ধি পাইছে।

সামৰণিত ক'ব পাৰি যে কৃত্ৰিম বুদ্ধিমত্তাই যুৱ প্ৰজন্মৰ জীৱনত এক নতুন গতি আৰু সম্ভাৱনাৰ সৃষ্টি কৰিছে। শিক্ষা, কৰ্মক্ষেত্ৰ আৰু সামাজিক জীৱনত ইয়াৰ ইতিবাচক প্ৰভাৱৰ লগতে নেতিবাচক দিশসমূহৰ প্ৰতিও সজাগ হোৱাৰ প্ৰয়োজন। অসমৰ যুৱক-যুৱতীসকলে এই প্ৰযুক্তিৰ সুবিধা গ্ৰহণ কৰি নিজৰ সৃষ্টিশীলতা আৰু সাংস্কৃতিক পৰিচয়ৰ সৈতে বিশ্বৰ সৈতে সংযোগ স্থাপন কৰিব পাৰে। কিন্তু এই যাত্ৰাত নৈতিকতা আৰু দায়িত্বশীলতাৰ ভাৰসাম্য ৰক্ষা কৰাটোৱেই হ'ব ভৱিষ্যতৰ সফলতাৰ চাবিকাঠি।

*লেখকৰ ঠিকনা ঃ সৰভোগ, বৰপেটা*



# শিৱসাগৰত ৰূপকোঁৱৰৰ মইনা পাৰিজাতৰ উদ্যোগত বিজ্ঞান মেলা আৰু অভিনন্দন অনুষ্ঠান

**ষ্টাফ ৰিপ'টাৰ, শিৱসাগৰ, ২৯ জুলাই ঃ** সদৌ অসম মইনা পাৰিজাতৰ মহাৰজত জয়ন্তী বৰ্ষৰ উপলক্ষত, শিৱসাগৰ জিলাৰ দক্ষিণ আঞ্চলিক মইনা পাৰিজাতৰ অন্তৰ্গত ৰূপকোঁৱৰ মইনা পাৰিজাত দিছিয়ালৰ উদ্যোগত ২৩ জুলাই তাৰিখে দিনজোৰা কাৰ্যসূচীৰে বিজ্ঞান মেল আৰু অভিনন্দন অনুষ্ঠান অনুষ্ঠিত কৰা হয়। সম্পাদক পূৰ্ণিমা দত্তই আঁত ধৰা অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে দক্ষিণ আঞ্চলিক মইনা পাৰিজাতৰ সভাপতি প্ৰবিন চন্দ্ৰ দত্ত দেৱে। অনুষ্ঠানত শুভেচ্ছা মূলক বক্তব্য আগবঢ়ায় শিৱসাগৰ জিলা মইনা পাৰিজাতৰ সভাপতি গোবিন্দ চন্দ্ৰ বৰাদেৱে। জিলাৰ সাধাৰণ সম্পাদক শ্ৰীযুত মোহন চন্দ্ৰ দত্ত দেৱে মইনাসকলক মইনা পাৰিজাতৰ বিভিন্ন অনুষ্ঠান আৰু বিজ্ঞান প্ৰকল্প তৈয়াৰ সম্পৰ্কেও এটি সুন্দৰ ভাষণ আগবঢ়ায়। দক্ষিণ আঞ্চলিক মইনা পাৰিজাতৰ ৫খন শাখাৰ ৪২জন মইনা আৰু চেমনীয়াই অংশগ্ৰহণ কৰা অনুষ্ঠানটোৰ সমল ব্যক্তি হিচাবে উপস্থিত থাকে শিৱসাগৰ বিশ্ববিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ ড০ নৱজ্যোতি বড়া আৰু ৰূপহীমুখ গাঁৱৰ ড° জগত দাসে। 'প্ৰকৃতি আৰু মইনা' মূল তত্ত্ব হিচাপে লোৱা বিজ্ঞান মেলখনত ড° বড়াদেৱে প্ৰকৃতিৰ ধাৰণা দিয়াৰ লগতে বিশেষত বিজ্ঞান প্ৰকল্পৰ ধাৰণা, প্ৰণালীবদ্ধ অধ্যয়ন, প্ৰতিবেদন প্ৰস্তুতকৰণ আৰু উপস্থাপন বিষয়ত হাতে-কামে বিশদভাৱে আলোচনা কৰে। আনজন সমল ব্যক্তি ড° জগত দাসে মইনাসকলক প্ৰকৃতিৰ পৰা দ্ৰব্য আহৰণ কৰি কিদৰে বিজ্ঞানৰ প্ৰকল্প তৈয়াৰ কৰিব পাৰি তাক সহজ-সৰল ভাষাৰে আলোচনা কৰে। অতি কম খৰচত এই প্ৰকল্পসমূহ কেনেকৈ তৈয়াৰ কৰিব পাৰে তাৰো আভাস দি মইনাসকলে যি প্ৰকল্প তৈয়াৰ কৰে তাত সদায় সহযোগ আগবঢ়াব বুলি মন্তব্য আগবঢ়ায়। বিজ্ঞান মেলৰ কাৰ্য্যসূচীত সমল ব্যক্তিসকলক বিশেষভাৱে সহায় কৰে কিশোৰ বৰা আৰু পল্লৱ কলিতাই। পিকুমণি দত্ত, ৰেখাৰাণী ভূএঃা, ঝৰণা কাকতি সহিতে ৰূপকোঁৱৰ মইনা পাৰিজাতৰ সমূহ কৰ্মকৰ্তা আৰু মইনা সকলৰ অভিভাৱকসকলে পূৰ্ণ সহযোগ আগবঢ়োৱা বিজ্ঞানমেলত বক্তব্য আগবঢ়ায় মইনাসকলৰ হৈ প্ৰস্তাৱনা শইকীয়া, দৰদী বৰুৱা, প্ৰিয়ম পাৰিজাত সন্দিকৈ, হৰ্ষিতা বৰুৱাকে আদি কৰি বিভিন্ন মইনা চেমনীয়াই। বিজ্ঞান মেলৰ অন্তত অংশগ্ৰহণ কৰা অংশগ্ৰহণকাৰী সকলৰ মাজত আঞ্চলিক ভিত্তিত এখনি প্ৰকল্প প্ৰতিযোগিতা আগষ্ট মাহত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ৰূপকোঁৱৰৰ মইনা পাৰিজাতৰ উদ্যোগত অনুষ্ঠিত হোৱা সম্বৰ্দ্ধনা ও অভিনন্দন অনুষ্ঠানত ২২জন কৃতীমান ছাত্ৰ-ছাত্ৰীক সম্বৰ্দ্ধনা জনোৱা হয় আৰু এই অনুষ্ঠানৰ আঁত ধৰে ৰূপকোঁৱৰৰ মইনা পাৰিজাতৰ সম্পাদক পূৰ্ণিমা দত্তই। অভিনন্দন অনুষ্ঠানটিত অধিবক্তা দিপীকা নেওগে শিশু আৰু মাতৃ সকলৰ মাজত কেনেধৰণৰ সম্পৰ্ক হ'ব লাগে এই বিষয়ত মইনা সকলৰ লগত মতৰ আদান -প্ৰদান কৰে। প্ৰাক্তন মইনা অ' এন. জি.চি. ৰ কৰ্মচাৰী পল্লৱ কলিতাই একাগ্ৰতা আৰু অধ্যৱসায়ৰ ফলত কিদৰে জীৱনত সফল হ'ব পাৰি, বিফলতাৰ পৰা কেনেকৈ শিকিব লাগে, লগতে নিজক বুজি পাবলৈ যে বিভিন্ন কিতাপ পঢ়াৰ অভ্যাস কৰিব লাগে, এই বিষয়ত এটি অনুপ্ৰেৰণামূলক তত্ত্ব গধুৰ বক্তৃতা প্ৰদান কৰে। ৰূপহী উচ্চ মাধ্যমিক বিদ্যালয়ৰ ইংৰাজী শিক্ষক নবীন ভৰালী দেৱেও কৃতিমান ছাত্ৰ -ছাত্ৰীসকলক শুভেচ্ছা মূলক বক্তব্য দিয়াৰ লগতে মোবাইলৰ সঠিক ব্যৱহাৰ কৰিবলৈ উপদেশ দিয়ে আৰু ভৱিষ্যত জীৱনত আগবাঢ়ি যাবলৈ আৰ্শীবাদ প্ৰদান কৰে।

# বিভিন্ন সমস্যা সমাধানৰ দাবীত অনুসূচিত জাতি ছাত্ৰ সন্থাৰ মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ২৯ জুলাই ঃ** আজি বিভিন্ন সমস্যাৰ সমাধানৰ দাবীলৈ সদৌ গোলাঘাট জিলা অনুসূচিত জাতি ছাত্ৰ সন্থাই বিক্ষোভ কাৰ্যসূচীৰ জৰিয়তে জিলা আয়ুক্তৰ যোগেদি অসমৰ মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰে। জিলা সমিতিৰ সভাপতি প্ৰণৱ প্ৰতিম দাস আৰু সাধাৰণ সম্পাদক ইন্দ্ৰ প্ৰসাদ দাস স্বাক্ষৰিত এক প্ৰেছ বিবৃতিৰ জৰিয়তে জানিবলৈ দিয়ে যে অনুসূচিত জাতিৰ লোকক আজি পৰ্যন্ত ভূমিহীন কৰি ৰখাটো অতি দুৰ্ভাগ্যজনক আৰু পৰিতাপৰ কথা। প্ৰতিখন চৰকাৰে বাৰে বাৰে জাতিটোক বঞ্চিত আৰু প্ৰতাৰণা কৰি আহিছে আৰু শাসনাধিষ্ঠ বিজেপি নেতৃত্বাধীন চৰকাৰখনেও




জাতিটোক নিঃশেষ কৰি দিয়াৰ ষড়যন্ত্ৰ কোনো পধ্যেই মানি নলয় বুলি সংগঠনটোৱে হুংকাৰ দিয়ে। অতি শীঘ্ৰেই অনুসূচিত জাতিৰ ভূমিহীন ৰাইজক ভূমি পট্টা প্ৰদান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায়। ইয়াৰ সমান্তৰালকৈ দৈয়াং আৰু টেঙাণী অঞ্চলত বসবাস কৰি থকা খিলঞ্জীয়া ভূমিপুত্ৰসকলক ভূমিপট্টা প্ৰদান কৰিবলৈ দাবী জনায়। অনা-অনুসূচিত জাতিৰ লোকক অনুসূচিত জাতিৰ তালিকাত অন্তৰ্ভুক্ত কৰা বা জাতিৰ প্ৰমাণ পত্ৰ প্ৰদান নকৰিবলৈয়ো স্মাৰক পত্ৰৰ জৰিয়তে দাবী জনায়। সাময়িকভাৱে এই সিদ্ধান্ত স্থগিত ৰাখিছে যদিও অনাগত দিনত অনা-অনুসূচিত জাতিৰ লোকক অনুসূচিত জাতিৰ অন্তৰ্ভুক্ত কৰিবলৈ দিয়া নহ'ব বুলি বিবৃতিটোত উল্লেখ কৰি কয়, যিহেতু অনুসূচিত জাতিৰ লোকসকল আজি পৰ্যন্ত অস্পৃশ্যতাৰ বলি হৈ থাকিবলগীয়া হৈছে। অস্পৃশ্যতাৰ বিৰুদ্ধে যুদ্ধ কৰাৰ সময়ত অনুসূচিত জাতি বুলি দাবী কৰা কেওঁটসকলে এতিয়া যুদ্ধ জয় হ'বলৈ ধৰাৰ সময়ত অনুসূচিত জাতিৰ মৰ্যাদা বিচাৰিছে কিহৰ লালসাত, কি ৰাজনীতিৰ ষড়যন্ত্ৰত? তেখেতসকলৰ লাজ লাগিব লাগিছিল। সংবিধানে সামাজিকভাৱে অস্পৃশ্য সকলকহে অনুসূচিত জাতিৰ মৰ্যাদা প্ৰদান কৰিছে। অস্পৃশ্যতাৰ পৰা পলায়ন কৰা সকলক দিয়া নাই। চৰকাৰে এই বিষয়ে গুৰুত্ব দি আগন্তুক দিনত জাতিটোৰ সাংবিধানিকভাৱে থকা মৰ্যাদা অক্ষুণ্ণ ৰাখিবলৈ দাবী জনায়।

# নগাঁৱৰ অনুৰাগিনী সুৰ সংগীত বিদ্যালয়ৰ গ্ৰীস্মকালীন কৰ্মশালাৰ সফল সামৰণি

**অসম বাৰ্তা, নগাঁও, ২৯ জুলাই ঃ** নগাঁও জিলাৰ মধুপুৰস্থিত অনুৰাগিনী সুৰ সংগীত বিদ্যালয়ৰ উদ্যোগত যোৱা ১৫ জুলাইৰ পৰা আৰম্ভ হোৱা বৰগীত আৰু আধুনিক নৃত্যৰ কৰ্মশালাখনিৰ আজি সফল সামৰণি পৰে। আজিৰ এই সামৰণি অনুষ্ঠানত এগছি বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানটি মুকলি কৰে গুৱাহাটী লতাশিল খেলপথাৰৰ মঞ্চ বিহুৰ প্ৰথম গৰাকী বিহুৱতী ৰূপৰেখা শইকীয়াই। অনুষ্ঠানৰ আৰম্ভণিতে এটি বৰগীত পৰিৱেশন কৰে সংগীত বিদ্যালয়ৰ অধ্যক্ষা বৰ্ণালী মহেলাই। অনুষ্ঠানত বিশিষ্ট অতিথি হিছাপে উপস্থিত থাকি অধ্যাপিকা ড° ত্ৰিবেণী শইকীয়াই তেওঁৰ ভাষণ প্ৰসংগত কয় যে সংগীত বিদ্যালয়ে সংগীত চৰ্চাৰ লগতে বৰগীত পৰিবেশন আৰু কৰ্মশালাৰ জৰিয়তে উদীয়মান ছাত্ৰছাত্ৰী সকলক বৰগীতৰ লগত চৰ্চা লাভ কৰাটো আমাৰ বাবে গৌৰৱৰ কথা। এনেদৰে সংগীত বিদ্যালয় সমূহে



বৰগীতৰ লগত নতুন প্ৰজন্মক আগুৱাই নিয়াত সহায়ক হব। বিয়লি ৩ বজাৰ পৰা আৰম্ভ হোৱা অনুষ্ঠানত বিশিষ্ট অতিথি হিছাপে উপস্থিত থাকে সাংস্কৃতিক কৰ্মী ভাগ্যলক্ষ্মী মহন্ত, নগাঁৱৰ সাংস্কৃতিক উন্নয়ন বিষয়া নম্ৰতা বৰা, অৱসৰপ্ৰাপ্ত অধ্যক্ষা ড° তুলুমণি দেৱী, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী মীনা শইকীয়া, কটঁহগুৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° খাইৰুল ইছলাম, অবসৰপ্ৰাপ্ত অধ্যাপক আব্দুল ছালাম, চিনু ৰাজখোৱা লস্কৰ, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ অধ্যয়নৰত ছাত্ৰছাত্ৰী ৰিতুপৰ্ণ বৰা, ভাস্কৰ প্ৰতীম বৰুৱা, প্ৰীতি মহেলা আদি উপস্থিত থাকে। দহদিনীয়াকৈ আয়োজিত অনুষ্ঠানটি সামগ্ৰীক ভাৱে আতঁধৰে সাংস্কৃতিক কৰ্মী তথা সমাজ সংগঠক প্ৰবীণ চন্দ্ৰ দাসে। অনুষ্ঠানত অসমীয়া শিখ মহিলা অমৰজিৎ কৌৰে পৰিবেশন কৰে এটি শ্ৰবন। আনহাতে স্থানীয় মহিলা সকলে পৰিবেশন কৰা এটি দিহানামৰ লগতে এটি বিয়ানামে উপস্থিত সকলোকে আপ্লুত কৰে।

# যোৰহাটত দেশভক্তি দিৱস পালন

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ২৯ জুলাই ঃ** ৰাজ্যখনৰ অন্য জিলাসমূহৰ লগতে যোৰহাট জিলা প্ৰশাসনে জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয়ৰ সহযোগত দেশভক্ত তৰুণৰাম ফুকনৰ মৃত্যু দিন দেশভক্তি দিৱস হিচাপে ২৮ জুলাইত পালন কৰে। জিলা উন্নয়ন আয়ুক্ত ৰাজীৱ ৰয়ৰ সভাপতিত্বত যোৰহাট জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাগৃহত অনুষ্ঠিত দিৱসত উপস্থিত থকা লোকসকলে দেশভক্তগৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰাৰ পাছতে পুষ্পাঞ্জলি অৰ্পণ কৰে। নিৰ্দিষ্ট বক্তাৰূপে অংশগ্ৰহণ কৰি যোৰহাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ সৌমিত্ৰ পূজাৰীয়ে দেশভক্ত তৰুণৰাম ফুকনৰ জীৱন পৰিক্ৰমা বৰ্ণনাৰে দেশপ্ৰেম আৰু দেশৰ হকে কৰি যোৱা কৰ্মৰ সম্পৰ্কত বক্তব্য আগবঢ়োৱাৰ লগতে শিক্ষা, ৰাজনৈতিক, সামাজিক, সাহিত্য আদি বিষয়ত দেশভক্তগৰাকীৰ অৱদান বিষয়েও উল্লেখ কৰে। যোৰহাট জিলা মুক্তি যুঁজাৰু সন্মিলনৰ নীৰেন শৰ্মাই স্বাধীনতা সংগ্ৰামী গৰাকীৰ ত্যাগ আৰু কৰ্মৰ বিষয়ে উল্লেখ কৰে। যোৰহাট জিলা তথ্য আৰু জনসংযোগ বিষয়া ৰজত সেনে আদৰণী ভাষণ আগবঢ়োৱা দিৱসত ভালেসংখ্যক লোক উপস্থিত থাকে।

## আন্তঃৰাষ্ট্ৰীয় কাৰাটে প্ৰতিযোগিতাত অসমৰ খেলুৱৈৰ সফলতা

**অসম বাৰ্তা, বাহাৰঘাট, ২৯ জুলাই ঃ** পশ্চিম বংগৰ নেতাজী ইন্দোৰ হলত ২৪ৰ পৰা ২৭ জুলাইলৈ অনুষ্ঠিত হৈছে নৱম আন্তঃৰাষ্ট্ৰীয় কাৰাটে প্ৰতিযোগিতা। উক্ত খেলত অসমৰ পৰাযোগদান কৰা খেলুৱৈ সকলৰ মাজৰ পৰা দহটা পদক আজুৰি আনিবলৈ সক্ষম হৈছে। ইয়াৰ ভিতৰত অনুৰাগ বৈশ্যই সোণৰ পদক, পৰশমণি দাসে সোণৰ পদক.বিশাল কলিতাই ৰূপৰ পদক, ৰিচা ডেকাই ৰূপৰ পদক, পৰশমণি দাসে ৰূপৰ পদক, মৌচুমী দাসে ৰূপৰ পদক, ময়ুখ কাশ্যপে ৰূপৰ পদক, জ্ঞানদ্বীপ কলিতা ব্ৰঞ্জ, প্ৰিয়াংসু কাশ্যপ ব্ৰঞ্জ আৰু নিতীশ শৰনীয়াই ব্ৰঞ্জপদক পাবলৈ সক্ষম হয়।

# ৰূপাই (শতদল) শাখা সাহিত্য সভাৰ প্ৰথমখন পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**ষ্টাফ ৰিপ'টাৰ, ডুমডুমা, ২৯ জুলাই ঃ** তিনিচুকীয়া জিলাৰ ৰূপাই (শতদল) শাখা সাহিত্য সভাৰ ২০২৫-২৭ কাৰ্যবৰ্ষৰ প্ৰথম পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সভাখন দেওবাৰে ৰূপাই চাইডিং তপোবনস্থিত শাখাৰ নিজা ভৱনত অনুষ্ঠিত হয়। শাখাৰ সভাপতি বেণু বৰাৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা সভাখনিৰ উদ্দেশ্য ব্যাখা কৰে শাখাৰ সম্পাদক ৰাতুল গগৈয়ে। সভাৰ আৰম্ভণিতে বিশিষ্ট শিক্ষাবিদ, প্ৰথিতযশা সাহিত্যিক, মিতভাষৰ স্ৰষ্টা তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড০ নগেন শইকীয়া সম্প্ৰতি শাৰীৰিক অসুস্থতাৰ হেতু তেখেতৰ আশু আৰোগ্য আৰু দীৰ্ঘায়ু কামনাৰে সমূহীয়া প্ৰাৰ্থনা জনোৱা হয়। সভাত অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱা আৰু কাৰ্যনিৰ্বাহক সদস্য উদয়ন গগৈ উপস্থিত থাকে। উপ-সভাপতি ৰাজখুৱাই অসম সাহিত্য সভাই ৰূপায়ণ কৰিব বিচৰা বিভিন্ন কৰ্ম তথা আঁচনিৰ ওপৰত আলোকপাত কৰি বক্তব্য প্ৰদান কৰে। নিজৰ বক্তব্যত তেখেতে কয় যে সকলো শাখাই ৰাইজক কাষ চপাই অনাৰ প্ৰয়াস কৰিব পাৰিব লাগিব। প্ৰতিগৰাকী অসমীয়া পুৰুষ, মহিলা, মাতৃ, শিশু সমস্বৰে 'চিৰ চেনেহী মোৰ ভাষা জননী' আৰু জাতীয় সংগীত পৰিৱেশন কৰিব পাৰিব লাগিব। ভাষা-সাহিত্য সৃষ্টি কৰিবলৈ নতুন চামক আগ্ৰহী কৰিব লাগিব বুলি কৈ ৰাইজ, সাংবাদিক, বৌদ্ধিক সমাজ আদি সকলোৰে দিহা-পৰামৰ্শ পাৰ্থেয় হিচাপে লৈ আগবাঢ়িব লাগিব বুলি উপ-সভাপতিগৰাকীয়ে তাৎপৰ্যপূৰ্ণ বক্তব্য প্ৰদান কৰে। তেখেতে সভাৰ আজীৱন সভ্য এক লাখ হোৱাৰ কামনা কৰি শাখাৰ আজীৱন সভ্য বৃদ্ধি কৰিবলৈ আহ্বান জনোৱাৰ লগতে অসম সাহিত্য সভাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সাহিত্য তথা সৃষ্টিৰাজিক ইংৰাজী ভাষালৈ অনুবাদৰ কাম আৰম্ভ কৰা বুলিও কয়। বৰাক-ব্ৰহ্মপুত্ৰৰ সম্প্ৰীতিৰ বাবেও অসম সাহিত্য সভাই পদক্ষেপ লোৱা বুলিও তেখেতে কয়। সভাত বিভিন্ন উপ-সমিতিৰ দায়িত্ব, কৰ্ম আঁচনি, শাখাৰ সোণালী জয়ন্তী উদযাপন (২০২৭ বৰ্ষত), গৃহ নিৰ্মাণ আদিৰ ওপৰত আলোচনা হয়। সভাত শাখাৰ প্ৰতিষ্ঠাপক সভাপতি বদন শৰ্মা, আব্দুল কাদিৰ, প্ৰাক্তন সভাপতি চন্দ্ৰকান্ত সন্দিকৈ, প্ৰতিষ্ঠা কালৰ সদস্য দোলন দত্ত, ধৰ্মেশ্বৰ বৰা, প্ৰণীতা সন্দিকৈ, কবি সন্মিলন উপ-সমিতিৰ কাৰ্যকৰী সভাপতি ইন্দু দত্ত উজীৰ, নাট্য সন্মিলন উপ-সমিতিৰ উপ-সভাপতি ৰাজীৱ কুমাৰ শৰ্মা, প্ৰজাতীয় মৈত্ৰীবন্ধন উপ-সমিতিৰ কাৰ্যকৰী সভাপতি অৰূপ কুমাৰ বৰুৱা, আকাশ উপ-সমিতিৰ আহ্বায়ক জুনুমণি বৰা আদিয়ে বক্তব্য প্ৰদান কৰে। প্ৰতিষ্ঠাপক সভাপতি বদন শৰ্মাই সাহিত্য-সংস্কৃতিৰ মণিকাঞ্চন সংযোগত ৰূপাই (শতদল) শাখা আগবাঢ়ি যোৱা বুলি কোৱাৰ লগতে তেখেতে নৈতিক শৃংখলাৰ এক বক্তৃতা প্ৰদান অনুষ্ঠান অনুষ্ঠিত কৰাৰ পোষকতা কৰে। সভাত অলপতে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ দ্বাৰা নৃত্য শিল্পী ষড়ানন বৰঠাকুৰ সোঁৱৰণী সু-সংগঠক বঁটাপ্ৰাপক সদৌ অসম লেখিকা সমাৰোহ সমিতি উপ-সভানেত্ৰী কিৰণময়ী হাজৰিকা বৰুৱাই সাংগঠনিক দিশত আলোকপাত কৰি বক্তব্য প্ৰদান কৰে। সভাত ৰেণু দত্তই এটি বিয়া নাম পৰিৱেশন কৰে। সভাত স্থানীয় মানখোৱা গাঁও পঞ্চায়তৰ নৱ-নিৰ্বাচিত সভানেত্ৰী লাৱণ্য কুমবাঙক এখনি ফুলাম গামোচাৰে আদৰণি জনোৱা হয়। সভাত শাখাৰ প্ৰাক্তন সভাপতি লক্ষেশ্বৰ মৰাণ, উপ-সভাপতি বীণা দেৱী বৰদলৈ প্ৰমুখ্যে প্ৰায় ৮০ গৰাকী সদস্য-সদস্যাৰ উপস্থিতিত অনুষ্ঠিত হোৱা সভাখনি জাতীয় সংগীত পৰিৱেশনৰে সামৰণি পৰে।

# মৈৰাবাৰীত আইন সেৱা প্ৰাধিকৰণ মৰিগাঁৱৰ ড্ৰাগছ মুক্ত ভাৰত আৰু শিশু সুৰক্ষা আইন সজাগতা সভা

**অসম বাৰ্তা, মৈৰাবাৰী, ২৯ জুলাই ঃ** আজি মৰিগাঁও জিলাৰ মৈৰাবাৰী মহাবিদ্যালয়ৰ পেক্ষাগৃহ প্ৰাঙ্গনত আইন সেৱা প্ৰাধিকৰণ মৰিগাঁৱৰ উদ্যোগত আৰু মৰিগাঁও মহাবিদ্যালয়ৰ সহযোগত অনুষ্ঠিত হয় ড্ৰাগছ মুক্ত ভাৰত আৰু শিশু সুৰক্ষা আইন বিষয়ত এখনি সজাগতা সভা। মৈৰাবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ৰিয়াজুল হকৰ সঞ্চালনাত অনুষ্ঠিত সজাগতা সভাখনত অতিথি হিছাবে উপস্থিত থাকে আইন সেৱা প্ৰাধিকৰণ মৰিগাঁৱৰ সচিব কুমাৰী আৰ্তি, ডি এছ পি প্ৰিতম শইকীয়া, আইনজ্ঞ ছাহনাজ বেগম ছাহ, যুৱ নেতা মেহবুব মুক্তাৰ, সমাজ সেৱক জেহেৰুল ইছলাম, সমাজ সংগঠক আজাহাৰ উদ্দিনকে প্ৰমোখ্য কৰি বহু কেইজন বিশিষ্ট ব্যক্তি। বিভিন্ন দল সংগঠনৰ লগতে প্ৰায় সকলো স্তৰৰ লোক উপস্থিত থকা সভা খনত সমাজত ড্ৰাগছৰ ভয়ানক প্ৰভাৱ আৰু এই ভয়াবহ মৰবিহৰ পৰা নতুন প্ৰজন্মক ৰক্ষা কৰা সন্দৰ্ভত সমাজৰ প্ৰতিটো স্তৰৰ লোকৰ কৰনীয় সন্দৰ্ভত আলোচনা আগবঢ়াই সভাত উপস্থিত থকা বিশিষ্ট ব্যক্তি সকলে। তদুপৰি সভাখনত বৰ্তমান সময়ত শিশু সুৰক্ষা আইন সম্পৰ্কে বক্তব্য আগবঢ়াই কুমাৰী আৰ্তিৰ লগতে আইনজ্ঞ আৰু আৰক্ষী শীৰ্ষ বিষয়া প্ৰিতম শইকীয়াই। ইফালে যুৱনেতা মেহবুব মুক্তাৰ, জেহেৰুল ইছলাম আৰু আজাহাৰ উদ্দিনেও ভাষণ প্ৰসঙ্গত "ড্ৰাগছ মুক্ত ভাৰত" গঢ়াৰ অভিযানৰ অংশ হিচাপে অঞ্চলটোত সজাগতাৰ প্ৰয়োজনীয়তা আৰু ড্ৰাগছৰ কবলত পৰি কিদৰেএটা প্ৰজন্ম ধ্বংস হৈছে আৰু




বহু পৰিয়াল কিদৰে ক্ষতিগ্ৰস্ত হৈছে তাৰ কেতবোৰ বাস্তৱ ঘটনাৰ বিৱৰণ দি বক্তব্য ৰখি সমাজৰ প্ৰতিজন লোকক এনে ব্যাধি নিৰাময়ৰ যাত্ৰাৰ অংশীদাৰ হবলৈ আহ্বান জনাই। ইফালে আলোচনা চক্ৰৰ সঞ্চালক ড০ ৰিয়াজুল হকে আইন সেৱা প্ৰাধিকৰণ মৰিগাঁৱে এনে এক বিষয়ৰ আলোচনা তথা সজাগতা সৃষ্টিৰ বাবে মৈৰাবাৰীত বিভিন্ন সময়ত গ্ৰহণ কৰি অহা পদক্ষেপক শলাগ লয়।

এক পৃষ্ঠাৰ পৰা

## অভিনেত্ৰী নন্দিনী কাশ্যপক

সৃষ্টি কৰিছে, আৰু জনমানসত বিভিন্ন প্ৰশ্নৰ সৃষ্টি কৰিছে। উল্লেখ্য যে শুকুৰবাৰে মধ্যৰাতি গুৱাহাটীৰ দক্ষিণগাঁও অঞ্চলত নন্দিনী কাশ্যপৰ গাড়ীয়ে ২১ বছৰীয়া যুৱক ছামিউল হকক তীব্ৰবেগত খুন্দা মাৰে। ছামিউল হক গুৱাহাটী মিউনিচিপাল কৰ্প'ৰেচন (জিএমচি)ৰ অস্থায়ী কৰ্মী হিচাপে নিযুক্ত হৈছিল আৰু ৰাস্তাৰ বীজলীৰ মেৰামতিৰ কামত নিয়োজিত আছিল। প্ৰত্যক্ষদৰ্শীৰ মতে, অভিনেত্ৰীয়ে দুৰ্ঘটনাৰ পিছত আহত যুৱকক সহায় নকৰি ঘটনাস্থলীৰ পৰা পলায়ন কৰে আৰু কাহিলীপাৰাৰ এপাৰ্টমেণ্ট কমপ্লেক্সত গাড়ী লুকুৱাই ৰাখিবলৈ চেষ্টা কৰে। তেওঁৰ এই কাৰ্যকলাপৰ ভিডিঅ' সামাজিক মাধ্যমত ভাইৰেল হৈ পৰে, য'ত জনতাই তেওঁক প্ৰশ্ন কৰা আৰু দুৰ্ঘটনাৰ পিছত তেওঁৰ পলায়নৰ কাৰণ জানিবলৈ চেষ্টা কৰা দেখা যায়। ছামিউল হকক প্ৰথমে গুৱাহাটী মেডিকেল কলেজ হাস্পতালত (জিএমচি) ভৰ্তি কৰা হৈছিল, য'ত তেওঁৰ অৱস্থা সংকটজনক বুলি চিকিৎসকে জানিছিল। পিছত তেওঁক উন্নত চিকিৎসাৰ বাবে অপ'লো হাস্পতাললৈ স্থানান্তৰিত কৰা হৈছিল যদিও দুৰ্ভাগ্যজনকভাৱে, মঙলবাৰে তেওঁৰ মৃত্যু হয়। যাৰ ফলত এই ঘটনাৰ গুৰুত্ব আৰু জনৰ ক্ষোভ অধিক তীব্ৰ হৈ পৰে। ছামিউলৰ মৃত্যুৰ পিছত সামাজিক মাধ্যমত নন্দিনী কাশ্যপৰ বিৰুদ্ধে তীব্ৰ সমালোচনা আৰু কঠোৰ শাস্তিৰ দাবী উত্থাপিত হৈছে। বহুতে তেওঁৰ উদাসীনতা আৰু দায়িত্বহীনতাৰ সমালোচনা কৰি কৈছে যে তেওঁ আহত যুৱকৰ পৰিয়ালৰ সৈতে যোগাযোগ কৰা বা তেওঁৰ চিকিৎসাৰ বাবে সহায় আগবঢ়োৱাৰ কোনো প্ৰচেষ্টা নকৰিলে। ছামিউলৰ পৰিয়ালে ন্যায়ৰ দাবী জনাইছে আৰু অভিযোগ কৰিছে যে নন্দিনীৰ সামাজিক মৰ্যাদাৰ বাবে আৰক্ষীয়ে তেওঁক সুৰক্ষা দিবলৈ চেষ্টা কৰিছে। পৰিয়ালৰ সদস্যসকলে কয়, "আমি আমাৰ পুত্ৰৰ বাবে ন্যায় বিচাৰো। তেওঁ এগৰাকী অভিনেত্ৰী হ'লেও আইনৰ সন্মুখত সকলো সমান।" আৰক্ষীয়ে নন্দিনীৰ গাড়ী (নম্বৰ AS 01FM 9199) জব্দ কৰিছে আৰু তদন্ত অব্যাহত আছে। ভাৰতীয় ন্যায় সংহিতাৰ সংশ্লি-ষ্ট ধাৰাৰ অধীনত গোচৰ ৰুজু কৰা হৈছে। ছামিউলৰ মৃত্যুৰ পিছত জনৰ ক্ষোভ আৰু অধিক তীব্ৰ হৈ পৰিছে, আৰু আৰক্ষীৰ ওপৰত তদন্তত স্বচ্ছতা আৰু দ্ৰুত কাৰ্যকৰী পদক্ষেপ গ্ৰহণৰ বাবে চাপ বৃদ্ধি পাইছে। এই ঘটনাই অসমৰ ৰাজপথত নিৰাপত্তা আৰু দায়িত্বশীল চালনাৰ প্ৰশ্নৰ লগতে বিখ্যাত ব্যক্তিৰ আইনী জবাবদিহিতাৰ বিষয়টোও পুনৰ উত্থাপন কৰিছে।

## অবৈধ সুৰা ব্যৱসায়ৰে

বিপনীৰ পৰা চুৰি হোৱা শতাধিক বিদেশী সুৰাৰ কাৰ্টুন উদ্ধাৰৰ লগতে চাপৰত বিজেপি নেতা ৰাকেশ নাগক সুৰাৰ কাৰ্টুনসহ গ্ৰেপ্তাৰ কৰা হৈছে। অভিযোগ অনুসৰি, ৰাকেশ নাগে পশ্চিম অসমত দীৰ্ঘদিন ধৰি চোৰাং বিদেশী সুৰাৰ ব্যৱসায় গঢ়ি তুলিছিল। তেওঁৰ পিতৃ অৰুণ নাগ, যিনি চাপৰ পৌৰসভাৰ উপ-পৌৰপতি, তেওঁৰ ক্ষমতাৰ অপব্যৱহাৰ কৰি ৰাকেশে এই অবৈধ বাণিজ্য চলাই আহিছিল। গোলাঘাটৰ সুৰা বিপনীৰ স্বত্বাধিকাৰীৰ এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰে। তদন্তৰ জৰিয়তে গুৱাহাটীৰ পৰা ৰাজেশ দাস নামৰ এজন যুৱকক গ্ৰেপ্তাৰ কৰা হয়। ৰাজেশৰ স্বীকাৰোক্তিৰ ভিত্তিত চাপৰ আৰক্ষীয়ে গোলাঘাট আৰক্ষীৰ সহযোগিতাত অৰুণ নাগৰ মালিকানাধীন চাপৰৰ এখন ওৱাইন চপত অভিযান চলায়। অভিযানৰ সময়ত চাপৰৰ বহলপুৰত ৰাকেশ নাগৰ মালিকানাধীন ৰাজদ্বীপ ওৱাইন চপত গোলাঘাটৰ পৰা চুৰি হোৱা সুৰাখিনি উদ্ধাৰ কৰা হয়। এই সুৰা এখন বলেৰ' পিকআপ ভানৰ জৰিয়তে সৰবৰাহৰ প্ৰস্তুতি চলি থকাৰ সময়তে ৰাকেশ নাগক হাতেলোটে গ্ৰেপ্তাৰ কৰা হয়। লগতে, সুৰা সৰবৰাহত ব্যৱহৃত বলেৰ' পিকআপ ভানৰ চালক মানজাপ আলীকো আটক কৰে আৰক্ষীয়ে।উল্লেখযোগ্য যে, গুৱাহাটীত আটক ৰাজেশ দাস অসম সচিবালয়ৰ কৰ্মচাৰী আৰু ৰাকেশ নাগৰ সমন্ধীয় ভাতৃ। ৰাজেশৰ সূত্ৰৰ জৰিয়তে ৰাকেশে গোলাঘাটৰ চুৰি হোৱা সুৰাখিনি কম মূল্যত ক্ৰয় কৰি এই ব্যৱসায় চলাইছিল। পিছত, গোলাঘাট আৰক্ষী চাপৰ থানাত উপস্থিত হৈ বিজেপি নেতা ৰাকেশ নাগক নিজৰ জিম্মাত লয়। বিজেপিৰ নেতা হিচাপে ক্ষমতাৰ অপব্যৱহাৰ কৰি ৰাকেশ নাগৰ দৰে কিছুমান নেতাই এনে অপকৰ্মত জড়িত হৈছে। এই ঘটনাই প্ৰশ্ন উত্থাপন কৰিছে যে দিছপুৰ আৰু বশিষ্ঠৰ বাজপেয়ী ভৱন এনে নেতাসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ সক্ষম হ'ব নে নহয়।

**সত্ৰীয়া নৃত্যৰ প্ৰতি অৱদানৰ ৰাজহুৱা স্বীকৃতি**

# আমগুৰিত ড° মল্লিকা কন্দলীক 'সূত্ৰধাৰ বঁটা ২০২৫' প্ৰদান

**অসম বাৰ্তা, আমগুৰি, ২৮ জুলাই ঃ** সত্ৰীয়া নৃত্যৰ প্ৰখ্যাত শিল্পী তথা গৱেষক ড° মল্লিকা কন্দলীক তেওঁৰ এই ক্ষেত্ৰত অসামান্য অৱদানৰ স্বীকৃতি স্বৰূপে "সূত্ৰধাৰ বঁটা ২০২৫" প্ৰদান কৰা হৈছে। আমগুৰিৰ ৰাজহুৱা প্ৰেক্ষাগৃহত সূত্ৰধাৰ সাংস্কৃতিক মঞ্চৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে যোৱা ২৬ জুলাইত আয়োজিত 'না ধেই দাও থেই' শীৰ্ষক সাংস্কৃতিক অনুষ্ঠানত এই বঁটা প্ৰদানৰ কাৰ্যসূচী অনুষ্ঠিত হয়। প্ৰয়াত ভনী শইকীয়াৰ স্মৃতিত প্ৰতিষ্ঠিত এই বঁটা সত্ৰীয়া নৃত্যৰ প্ৰতি ড° কন্দলীৰ একনিষ্ঠ সাধনা আৰু তাত্ত্বিক গৱেষণাৰ প্ৰতি সন্মান জনাই প্ৰদান কৰা হৈছে। উল্লেখ্য যে ড° মল্লিকা কন্দলীয়ে মাত্ৰ ৮ বছৰ বয়সৰ পৰা সত্ৰীয়া নৃত্যৰ জগতত প্ৰৱেশ কৰি অধ্যাপক হৰেন্দ্ৰ নাথ শৰ্মা, অধ্যাপক নিষ্পদ্মা পাল, অধ্যাপক ভিলেশ্বৰ



তামূলী, পদ্মশ্ৰী ঘনকান্ত বৰা বৰবায়ন আৰু অধ্যাপক নৰেন চন্দ্ৰ বৰুৱাৰ দৰে গুৰুসকলৰ নিৰ্দেশনাত এই নৃত্যকলাৰ শিক্ষা গ্ৰহণ কৰিছিল। তেওঁ আমেৰিকা, থাইলেণ্ড আদি দেশত সত্ৰীয়া নৃত্য পৰিৱেশন কৰি অসমৰ সংস্কৃতিক বিশ্ব মঞ্চত উপস্থাপন কৰিছে। ২০০৫ চনত "The Sattriya and the Odissi Dances: A Comparative Study" শীৰ্ষক গৱেষণাৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ড'ৰেট ডিগ্ৰী লাভ কৰা ড° কন্দলীৰ সত্ৰীয়া নৃত্যৰ ওপৰত অসমীয়া আৰু ইংৰাজী ভাষাত তিনিখন মৌলিক গ্ৰন্থ প্ৰকাশিত হৈছে। বৰ্তমান তেওঁ গুৱাহাটীৰ ৰাধা গোৱিন্দ বৰুৱা মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপিকা। বঁটা প্ৰদান অনুষ্ঠানত তিতাবৰ কমলাবাৰী সত্ৰৰ সোণাৰাম শৰ্মা বুঢ়াভকত, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিবেশ্য কলা অধ্যয়ন কেন্দ্ৰৰ সহযোগী অধ্যাপিকা তথা সত্ৰীয়া নৃত্য শিল্পী ড° ৰূপলেখা বৰবৰা দাস, শিৱসাগৰ জিলা সাহিত্য সভাৰ সভাপতি তথা বিশিষ্ট কবি, সাহিত্যিক যোগেশ কিশোৰ ফুকন, তিতাবৰৰ বিধায়ক ভাস্কৰ বৰুৱাৰ লগতে বহুকেইজন গণ্যমান্য ব্যক্তি উপস্থিত আছিল। অনুষ্ঠানৰ আৰম্ভণিতে উদীয়মান শিল্পী নয়ন নিবিৰৰ এটি বৰগীতৰ পৰিৱেশনৰ জৰিয়তে 'না ধেই দাও থেই' শীৰ্ষক সাংস্কৃতিক কাৰ্যসূচীৰ সূচনা হয়। সূত্ৰধাৰ সাংস্কৃতিক মঞ্চৰ উদ্যোগত আয়োজিত ৭ দিনীয়া ভোৰতাল নৃত্য কৰ্মশালাৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা ভোৰতাল নৃত্য, জাঁজী জৰাবাৰী মমতাময়ী কলা কেন্দ্ৰৰ শিল্পীৰ দ্বাৰা "খোল মাটী আখৰাৰ সংৰচনা", সূত্ৰধাৰৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা "শংকৰদেৱ" শীৰ্ষক নৃত্য নাটিকা, মহাপুৰুষ শংকৰদেৱৰ "পাৰিজাত হৰণ" নাট, আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিবেশ্য কলা অধ্যয়ন কেন্দ্ৰৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা "কুৰুক্ষেত্ৰ ৰণ" নৃত্যাভিনয়ে দৰ্শকক মুগ্ধ কৰে। এই অনুষ্ঠানে সত্ৰীয়া নৃত্যৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত ড° মল্লিকা কন্দলীৰ অৱদানৰ লগতে নৱপ্ৰজন্মৰ শিল্পীসকলৰ প্ৰতিভাকো উজ্জ্বল কৰি তুলিছে।

# চামগুৰি সমষ্টিৰ শিঙিমাৰী মহম্মদ আলী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আধাৰশিলা স্থাপন বিধায়ক দিপ্লুৰঞ্জনৰ

**অসম বাৰ্তা, ৰূপহীহাট, ২৯ জুলাই ঃ** চামগুৰি সমষ্টিৰ অন্তৰ্গত শিঙিমাৰীস্থিত মহম্মদ আলী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি বিয়লি সময়ত চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মাই প্ৰায় ৭ কোটি টকাৰ ব্যায় সাপেক্ষে গ্ৰামীণ আন্তঃগাথনি উন্নীতকৰণ আঁচনিৰ শুভ উদ্বোধন কৰে। ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰে সদায় শিক্ষা আৰু স্বাস্থ্যৰ প্ৰতি গুৰুত্ব দি আহিছে, ভৱিষ্যতেও দি থাকিব বুলি মন্তব্য আগবঢ়ায় বিধায়ক দিপ্লুৰঞ্জন শৰ্মাই। চামগুৰি সমষ্টিত শৈক্ষিক দিশটো আগুৱাই নিয়াৰ বাবে বিশেষ ভূমিকা ল'ম বুলি মন্তব্য কৰে বিধায়ক গৰাকীয়ে। সংবাদ মাধ্যমৰ আগত বিধায়ক দিপ্লুৰঞ্জন শৰ্মাই কয় যে অহা চাৰি পাঁচ বছৰৰ ভিতৰত গ্ৰাম্য অঞ্চলৰ শিক্ষানুষ্ঠান সমূহ গুৱাহাটী, দিল্লীৰ দৰে ভাল শিক্ষানুষ্ঠান সমূহৰ লগত ফেৰ মাৰিব পৰাকৈ আমাৰ চৰকাৰে প্ৰচেষ্টা লৈছে। বিধায়ক দিপ্লুৰঞ্জন শৰ্মা আত্ম বিশ্বাসী অহা বাৰ বিজেপিৰ চৰকাৰ আহিব বুলি। উল্লেখ্য যে যোৱা কেইদিনমান পূৰ্বে অগপ নেত্ৰী আঞ্জুমা বেগমৰ বাহনত দুৰ্বৃত্তৰ আক্ৰমণ সন্দৰ্ভত মন্তব্য আগবঢ়ায় বিধায়ক গৰাকীয়ে কয় যে আঞ্জুমা বেগমক মই ভালকৈ চিনি নাপাওঁ, মোক এনেদৰে গুণ্ডাবাহীনী লগাই আক্ৰমণ কৰাৰ কথা অভিযোগ উত্থাপিত কৰিছে। আচলতে যিয়ে যি অভিযোগ নিদিয়ে কিয় এটা বেকগ্ৰাউণ্ড থাকিব লাগে। তেখেতে নিৰ্দলীয় প্ৰাৰ্থী হিচাপে উপ নিৰ্বাচনত কংগ্ৰেছৰ শ্ৰুতলিপি মতে কাম কৰিছে।

কংগ্ৰেছ মুখপাত্ৰ মনোৰঞ্জন বৰগোহাঁইৰ জনজাতীয় লোকৰ প্ৰতি কৰা বিতৰ্কিত মন্তব্যৰ বিৰোধিতা

# জাগুনত ১২ টা জনজাতীয় সংগঠনৰ প্ৰতিবাদ




**অসম বাৰ্তা, জাগুন, ২৯ জুলাই ঃ** অসম প্ৰদেশ কংগ্ৰেছৰ মুখপাত্ৰ মনোৰঞ্জন বৰ গোহাঁইৰ বক্তব্যৰ বিৰোধিতাৰে আজি জাগুনত জনজাতীয় কেইবাটাও সংগঠনৰ উত্তাল প্ৰতিবাদ। যোৱা কিছুদিন পূৰ্বে এটা ব্যক্তিগত টিভি চেনেলৰ টক শ্বত মাৰ্ঘেৰিটা সমষ্টিৰ অন্তৰ্গত জাগুন নামফাই আৰু তিংকো পানী সংৰক্ষিত বনাঞ্চলৰ ভূমিত বসবাস কৰি অহা জনজাতীয় লোকসকলৰ ওপৰত বিতৰ্কিত মন্তব্য কৰাৰ অভিযোগ উত্থাপন কৰি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণেৰে উত্তাল কৰি তোলে জাগুনৰ আকাশ বতাহ। জাগুন নামফাই আৰু তিংকো পানী সংৰক্ষিত বনাঞ্চলত অৰুণাচল প্ৰদেশৰ পৰা ওভতাই পঠিওৱা সন্দেহ জনক লোক সকলে অবৈধ ভাৱে গছ-গছনি কাটি বসবাস কৰি আহিছে যদিও এই লোকসকলক উচ্ছেদৰ ক্ষেত্ৰত বৰ্তমানৰ অসম চৰকাৰে কোনো পদক্ষেপ গ্ৰহণ নকৰিলে বুলি মন্তব্য আগবঢ়ায়। মুখপাত্ৰ জনৰ এই মন্তব্যৰ পাছতেই জাঙুৰ খাই উঠিছে টিৰাপ ট্ৰাইবেল বেল্টৰ জনজাতীয় ৰাইজ তথা দল সংগঠন সমূহ। যিহেতু অসম চৰকাৰৰ বনাঞ্চল আইন অনুসৰি উক্ত বনাঞ্চল কেইখনত জনজাতীয় লোকসকলেহে বছৰ বছৰ ধৰি বসবাস কৰি আহিছে তেনেস্থলত মনোৰঞ্জন বৰ গোহাঁইয়ে কি যুক্তিৰ আধাৰত এই লোকসকলক সন্দেহ জনক লোক বুলি মন্তব্য কৰাৰ অধিকাৰ পালে বুলি প্ৰশ্ন উত্থাপন কৰে। উক্ত মন্তব্যৰ বিৰোধিতাৰেই আজি জাগুন বজাৰৰ মাজ মজিয়াত TMPK, MMK, TMMK, AARSU, ARWC, ADSU, AASSU, AATSU, AASKSU, AAMKSU, UBPO, চেমা নেচনেল কাউঞ্চিল আদি 12 টাকৈ জনজাতীয় সংগঠনে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰি মনোৰঞ্জন বৰ গোহাঁইক জনজাতীয় লোকসকলৰ ওচৰত ক্ষমা খুজিবলৈ 24 ঘণ্টাৰ সময় সীমা বান্ধি দিয়ে। মনোৰঞ্জন বৰ গোহাঁইয়ে যদি জনজাতীয় সংগঠন তথা ৰাইজৰ এই দাবীৰ প্ৰতি গুৰুত্ব আৰোপ নকৰে তেন্তে অনাগত দিনত টিৰাপ মৌজাৰ জনজাতীয় বসতি প্ৰধান অঞ্চলত কংগ্ৰেছ দলৰ প্ৰৱেশত বাধা আৰোপ কৰিবলৈ বাধ্য হ'ব বুলি হুংকাৰ প্ৰদান কৰে। ইয়াৰোপৰি টিৰাপ ট্ৰাইবেল বেল্ট এগু ব্লকত বহু পুঁজিপতিয়ে হাজাৰ হাজাৰ বিঘা মাটি বেদখল কৰি ব্যৱসায় কৰি থকা আৰু লালপাহাৰ, পাহাৰপুৰ আদি অঞ্চলত অবৈধ ভাৱে বসবাস কৰি থকা সন্দেহ জনক লোক সকলক অতি শীঘ্ৰে উচ্ছেদ কৰিবলৈ দাবী জনায় অন্যান্য দাবী সম্বলিত এক স্মাৰক পত্ৰ মাৰ্ঘেৰিটা সম জিলা আয়ুক্তলৈ প্ৰেৰণ কৰে।

## মৈৰাবাৰীত মানৱ সৰবৰাহ আৰু ডাইনী হত্যাৰ বিৰুদ্ধে সজাগতা সভা অনুষ্ঠিত

**অসম বাৰ্তা, মৈৰাবাৰী, ২৯ জুলাই ঃ** মানৱ সৰবৰাহ আৰু ডাইনী হত্যাৰ দৰে অমানৱিক কৃষ্টিৰ বিৰুদ্ধে জনসচেতনতা গঢ়ি তোলাৰ উদ্দেশ্যে আজি মৈৰাবাৰীত এখনি গুৰুত্বপূৰ্ণ সজাগতা সভা অনুষ্ঠিত হৈ যায়। শিশু উন্নয়ন প্ৰকল্প মৈৰাবাৰীৰ উদ্যোগত আৰু অসম চৰকাৰৰ মহিলা আৰু শিশু উন্নয়ন বিভাগৰ সৌজন্যত আয়োজিত উক্ত অনুষ্ঠানটো মৈৰাবাৰীৰ তাঁতীকটা গাঁও পঞ্চায়ত প্ৰেক্ষাগৃহত আয়োজন কৰা হয়। সভাৰ আৰম্ভণিৰ পূৰ্বে স্থানীয় মহিলাসকলৰ এক বিশাল ৰেলি উলিয়াই। হাতে হাতে প্লে' কাৰ্ড লৈ, "মানৱ সৰবৰাহ বন্ধ কৰা হওক", "ডাইনী হত্যা অপৰাধ" আদি শ্লোগানেৰে অঞ্চলটোৰ বিভিন্ন পথ ফুৰি সচেতনতাৰ বাতাবৰণ গঢ়ি তোলে। সভাত সভাপতি হিচাপে উপস্থিত থাকে সমাজ কৰ্মী তথা সমাজচেতনা সম্প্ৰসাৰৰ ক্ষেত্ৰত আগভাগ লোৱা নুৰুজ জামান (জুৱেল)। সভাত বৃহত্তৰ অঞ্চলটোৰ অংগনবাদী কৰ্মী, অংগনবাদী সহায়িকা, আশা কৰ্মী, গাঁওবাসী আৰু বিশেষকৈ মহিলা সকলে ব্যাপক হাৰে অংশগ্ৰহণ কৰে। প্ৰায় তিনি শতাধিক ৰাইজ উপস্থিত থাকে। উক্ত সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে মৈৰাবাৰী সংহত শিশু উন্নয়ন প্ৰকল্পৰ বিষয়া বিপুল চন্দ্ৰ বৰুৱা। তেওঁ নিজৰ বক্তব্যত অসম তথা মৈৰাবাৰী অঞ্চলত দিনক দিনে বৃদ্ধি পাই থকা শিশু আৰু মহিলা সৰবৰাহ, ডাইনী সন্দেহত হোৱা হত্যাকাণ্ড আদি বিষয়ক গভীৰ চিন্তা প্ৰকাশ কৰে। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে সমাজ সেৱক জহিৰুল ইছলাম মুক্তাৰ, সমাজ কৰ্মী ও মৈৰাবাৰী হাইস্কুলৰ শিক্ষক আজহাৰ উদ্দিন আহমেদ, সমাজ সেৱীকা মিচিৰা বেগম, তাঁতীকটা গাঁৱৰ গাঁওবুঢ়া আবুল কাছেম, শিক্ষাবিদ আব্দুল ৰহিম সহ বহু গণ্যমান্য ব্যক্তি। আলোচকসকলে নিজৰ অভিজ্ঞতা আৰু তথ্যৰ আধাৰত অঞ্চলটোৰ সামাজিক সমস্যাসমূহৰ লগতে শিশু সৰবৰাহ, ডাইনী হত্যা আদিৰ ওপৰত তথ্যভিত্তিক আলোচনা কৰে।

## বিশিষ্ট চিত্ৰশিল্পী প্ৰয়াত দিগন্ত কুমাৰ মহন্তৰ সোঁৱৰণী ২০২৩-২০২৪ বৰ্ষৰ বঁটা ঋতুৰাজ দাসলৈ

### মৰিগাঁৱৰ অগ্ৰণী চিত্ৰকলা বিদ্যালয় সঞ্জীৱনী কলা নিকেতনৰ বাৰ্ষিক পৰীক্ষাৰ শুভাৰম্ভণি-বাৰ্ষিক বঁটা প্ৰদান

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ২৯ জুলাই ঃ** মৰিগাঁও চাৰু কলা শিক্ষাৰ আন্দোলনৰ অন্যতম মূল উদ্যোক্তা চিত্ৰ শিল্পী প্ৰয়াত দিগন্ত কুমাৰ মহন্তৰ সোঁৱৰণীত প্ৰতি বছৰে মৰিগাঁৱৰ অন্যতম চিত্ৰ কলা বিদ্যালয় সঞ্জীৱনী কলা নিকেতনে এক বঁটা প্ৰদান কৰি আহিছে। বিশিষ্ট চিত্ৰশিল্পী গৰাকীৰ স্মৃতি সজীৱ কৰি ৰখা মানসেৰে প্ৰদান কৰি অহা বঁটাটো বিগত বৰ্ষ সমূহৰ দৰে এইবাৰো সঞ্জীৱনী কলা নিকেতনৰ 2024-25 বৰ্ষৰ বাৰ্ষিক পৰীক্ষাৰ লগত সংগতি ৰাখি আজি উক্ত বঁটাটো প্ৰদান কৰা হয়। "2023-2024 বৰ্ষ"ৰ বাবে প্ৰয়াত দিগন্ত কুমাৰ মহন্তৰ সোঁৱৰণী বঁটা লাভ কৰিবলৈ সক্ষম হয় ঋতুৰাজ দাসে। উল্লেখ্য যে মৰিগাঁৱৰ অগ্ৰণী চিত্ৰ কলা বিদ্যালয় সঞ্জীৱনী কলা নিকেতনৰ দ্বাৰা অনুষ্ঠিত বাৰ্ষিক পৰীক্ষাত প্ৰতিবছৰে শীৰ্ষ নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীক এই বঁটা প্ৰদান কৰি আহিছে। প্ৰথম বৰ্ষৰ ছাত্ৰ ঋতুৰাজ দাসে লাভ কৰা বঁটাটো আনুষ্ঠানিক ভাবে প্ৰদান কৰে মৰিগাঁও জিলা আৰক্ষীৰ অধীক্ষক হেমন্ত কুমাৰ দাসে। সঞ্জীৱনী কলা নিকেতনৰ অধ্যক্ষ জ্যোতি মহন্তই আঁত ধৰা অনুষ্ঠানটোত বঁটা প্ৰদান কৰি আৰক্ষী অধীক্ষক দাসে কয় সাধনা আৰু কঠোৰ শ্ৰমৰ অবিহনে কোনো শিল্পই পূৰ্ণতা নাপায়। সেয়ে ছাত্ৰ ছাত্ৰী সকলক সাধনা আৰু শ্ৰমৰ জৰিয়তে আগবাঢ়ি যাবলৈ আহ্বান জনায়। অনুষ্ঠানটোত সঞ্জীৱনী কলা নিকেতনৰ পৰিচালনা সমিতিৰ সভাপতি ঘনকান্ত বৰা, বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ অমিয় বৰা, মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ প্ৰাক্তন সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মা, সাংবাদিক ডালিম ফুকন, উন্নতি সভাৰ সম্পাদক অতনু শৰ্মা, সঞ্জীৱনী কলা নিকেতনৰ সহকাৰী সম্পাদক মৃদুল কুমাৰ বৰাকে আদি কৰি ভালেসংখ্যক ব্যক্তি, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকে অংশ গ্ৰহণ কৰে। তদুপৰি বাৰ্ষিক পৰীক্ষাটো সফল ভাৱে পৰিচালনা কৰাত সহযোগিতা আগবঢ়াই চিত্ৰ কলা বিদ্যালয়ৰ শিক্ষক নিশিংপল মহন্ত, উমান মহন্ত, ভাস্কৰজ্যোতি মহন্ত, অৰ্পণ কুমাৰ তামোলী, মৃদুল ডেকা আদিয়ে। ইফালে কাৰ্যসূচী আৰম্ভণিতে চিত্ৰশিল্পী প্ৰয়াত দিগন্ত কুমাৰ মহন্তৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰা হয়।

টাইপা নেতাৰ বিৰুদ্ধে ভুৱা প্ৰচাৰক লৈ প্ৰতিক্ৰিয়া

## প্ৰেছ বিবৃতিযোগে নিজৰ স্থিতি স্পষ্ট কৰিলে আদিত্য বড়াই

**অসম বাৰ্তা, আমগুৰি, ২৯ জুলাই ঃ** টাই আহোম যুৱ পৰিষদ, চমুকৈ টাইপাৰ শিৱসাগৰ জিলা সমিতিৰ সহকাৰী সম্পাদক আদিত্য বড়াৰ বিৰুদ্ধে আমগুৰিৰ হালোৱাটিঙৰ এটা চক্ৰই সামাজিক ভাবে হেয় প্ৰতিপন্ন কৰাৰ লক্ষ্যৰে ভুৱা প্ৰচাৰত লিপ্ত হোৱাৰ অভিযোগ তুলিছে আদিত্য বড়াই। টাইপাৰ শিৱসাগৰ জিলা সমিতিৰ সহকাৰী সম্পাদক আদিত্য বড়াই আজি সংবাদমাধ্যমলৈ প্ৰেৰণ কৰা এক বিবৃতিত কয় যে, হালোৱাটিঙত আয়োজিত এক আনন্দ মেলাত জুৱাৰ খেল পতাক লৈ সৃষ্টি হোৱা এক সংঘাতৰ পিছতে এটা জনগোষ্ঠীয় সংগঠনৰ কেইজনমান স্থানীয় নেতাই এই অপপ্ৰচাৰত লিপ্ত হৈছে। বৃবিতি টোত উল্লেখ কৰা মতে আমগুৰি হালোৱাটিং অঞ্চলত চলিত মাহৰ মাজভাগতে অনুষ্ঠিত হোৱা এক আনন্দ মেলাৰ গইনা লৈ এটা অসাধু চক্ৰই অবৈধ জুৱাৰ বেহা প্ৰতি দিনে অনুষ্ঠিত কৰি আহিছিল। যাৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ হালোৱাটিং অঞ্চলত শৈক্ষিক আৰু সামাজিক পৰিবেশ বিনিষ্ট হৈছিল। এই অবাধ বেহা প্ৰচলন হৈ থকা বুলি বিভিন্ন মাধ্যমত চৰ্চা চলাৰ পৰিপ্ৰেক্ষিতত একাধিক জাতীয় জনগোষ্ঠীয় সংগঠনৰ আমগুৰি আঞ্চলিক সমিতি বিষয়ববীয়া সকলে এই অবৈধ জুৱাৰ বন্ধৰ দাবীত আমগুৰি ৰাজহ চক্ৰ বিষয়াৰ যোগেদি যোৱা 21 জুলাইত শিৱসাগৰ জিলা আয়ুক্ত আৰু শিৱসাগৰ জিলাৰ আৰক্ষী অধীক্ষকক এখন স্মাৰক প্ৰত্ৰ প্ৰদান কৰে। এই স্মাৰকপত্ৰৰ ভিত্তিতে শিৱসাগৰ জিলা প্ৰশাসনে আনন্দ মেলাত হৈ থকা অবৈধ জুৱা খেল তৎকালীন ভাবে বন্ধ কৰি দিয়ে বুলি বৃবিতিটোত দাবী কৰে টাই পাৰ জিলা বিষয়ববীয়া গৰাকীয়ে। টাইপাৰ শিৱসাগৰ জিলাৰ অন্যতম নেতা আদিত্য বড়াই প্ৰেছ বৃবিতিটোত প্ৰকাশ কৰামতে প্ৰশাসনে আনন্দ মেলাৰ নামত চলি থকা জুৱা খেল বন্ধ কৰাৰ পিছতে এই জুৱাৰ পৃষ্ঠপোষকতা কৰা আমগুৰিৰ বিশেষ কেইজনমান জনগোষ্ঠীয় সংগঠনৰ নেতাই আদিত্য বড়াৰ বাবেই জুৱা খেল বন্ধ হোৱাৰ অভিযোগ তুলি আক্ৰোশমূলকভাৱে গভীৰ ষড়যন্ত্ৰত লিপ্ত হয়। আদিত্য বৰাই দাবী কৰা অনুসৰি এই চক্ৰটোৱে আনন্দ মেলা কৰ্তৃপক্ষৰ দ্বাৰা হালোৱাটিং থানাত ভুৱা ধন দাবীৰ গোচৰ দাখিল কৰায় আৰু এই ভুৱা গোচৰ বাতৰি বিভিন্ন বৈদ্যুতিক মাধ্যমৰ যোগেদি প্ৰচাৰ চলাই টাইপা নেতাগৰাকীৰ ভাৱমূৰ্তি জনমানসত হেয় প্ৰতিপন্ন কৰাৰ প্ৰয়াস কৰে। বৃবিতিটোত আদিত্য বৰাই তেওঁৰ বিৰুদ্ধে হালোৱাটিং থানাত দাখিল কৰা ধন দাবী এজাহাৰ এই পৰ্যন্ত পঞ্জীয়ন হোৱা নাই বুলি প্ৰকাশ কৰিছে। নিজকে সম্পূৰ্ণ নিৰ্দোষী বুলি বৃবিতিটোত দাবী কৰি আদিত্য বড়া কোনো ধনদাবী ঘটনাত জড়িত নহয় বুলি স্পষ্ট কৰে আৰু এইয়া সম্পূৰ্ণ ভিত্তিহীন আৰু ভুৱা প্ৰচাৰ বুলি প্ৰকাশ কৰিছে। আনহাতে কোনো পক্ষই এই ধন দাবী কৰাৰ অভিযোগ তথ্য সহকাৰে প্ৰমাণ দিব পাৰে তেন্তে আইনে যি শাস্তি দিয়ে তাক মুৰপাতি লৱলৈ সাজু আৰু এই ক্ষেত্ৰত আইনৰ লগত সম্পূৰ্ণৰূপে সহযোগিতা কৰিব বুলিও আদিত্য বড়াই বৃবিতিটোত স্পষ্ট কৰি দিছে।

## জিলা পৰ্যায়ৰ বিশ্ব হেপেটাইটিছ দিৱস উদযাপন

**অসম বাৰ্তা, বৰপেটা সদৰ, ২৯ জুলাই ঃ** জিলা পৰ্যায়ৰ বিশ্ব হেপাটাইটিছ দিৱস 28 জুলাই তাৰিখে বৰপেটা চিভিল হস্পিতাল কলগাছিয়াত উদযাপন কৰা হয়। অনুষ্ঠানটোৰ মূল উদ্দেশ্য আছিল হেপাটাইটিছ ৰোগৰ বিষয়ে জনসাধাৰণৰ মাজত সচেতনতা সৃষ্টি কৰা, আগতীয়া পৰ্যায়ত ৰোগ চিনাক্তকৰণ আৰু সময়মতো টিকাকৰণৰ প্ৰয়োজনীয়তা বুজোৱা। অনুষ্ঠানটোত বৰপেটা জিলাৰ স্বাস্থ্য বিভাগৰ দায়িত্বত থকা অতিৰিক্ত আয়ুক্ত শ্ৰীমতী গীতাশ্ৰী লাচিত উপস্থিত থাকে। অতিৰিক্ত আয়ুক্ত গৰাকী নিজৰ ভাষণত হেপাটাইটিছ ৰোধৰ ক্ষেত্ৰত স্বাস্থ্যবিধি মানি চলা আৰু সময়মতো ব্যৱস্থা গ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বৰপেটা জিলাৰ স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ ভূপেন কুমাৰ বৰা সকলো স্বাস্থ্য কৰ্মী আৰু জনপ্ৰতিনিধিসকলক গাঁও অঞ্চলত অধিক সচেতনতা সৃষ্টি কৰাৰ আহ্বান জনায়। জিলা নোডেল বিষয়া ডাং ভাস্কৰ বেজ এ হেপেটাইটিছ ৰোগৰ জটিলতা, আগতীয়া পৰ্যায়ত পৰীক্ষাৰ প্ৰয়োজনীয়তা আৰু টিকাকৰণৰ গুৰুত্বৰ বিষয়ে ব্যাখ্যা কৰে। এই কাৰ্যসূচীত কলগাছিয়া অসামৰিক চিকিৎসালয়ৰ অধ্যক্ষ, কলগাছিয়া খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মহকুমা স্বাস্থ্য বিষয়া, চিকিৎসক নাৰ্ছ, আশা কৰ্মী, আশা পৰ্যবেক্ষক, BPMU কলগাছিয়া, লগতে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ বৰপেটাৰ জিলা মিডিয়া বিশেষজ্ঞ এ অংশ গ্ৰহণ কৰে। অনুষ্ঠানটোত অংশগ্ৰহণকাৰীসকলে হেপাটাইটিছ মুক্ত সমাজ গঠনৰ বাবে একেলগে কাম কৰাৰ অঙ্গীকাৰ ব্যক্ত কৰে।

## আমতোলাত কৃতি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**অসম বাৰ্তা, মিৰ্জা, ২৯ জুলাই ঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ 3 নং আমত'লা গাঁও উন্নয়ন সমিতিৰ উদ্যোগত অৰ্ধশতাধিক কৃতি ছাত্ৰ ছাত্ৰীক আজি বিশেষ ভাৱে সম্বৰ্ধনা জনোৱা হয়। সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ গাঁওখনৰ ছাত্ৰ ছাত্ৰী সকলক ড° ভূপেন হাজৰিকা স্থায়ী মঞ্চত এক গাম্ভীয্যপুৰ্ন অনুষ্ঠানত গাওঁ উন্নয়ন সমিতিৰ সভাপতি ভুপেন দাসৰ সভাপতিত্বত অনুষ্ঠিত হয় বিশেষ সম্বৰ্ধনা অনুষ্ঠানটি। গাঁও উন্নয়ন সমিতিৰ সম্পাদক কৃষ্ণ দাসে উদেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটিৰ সম্বৰ্ধনাৰ আঁত ধৰি উদগণিমূলক ভাষণ ৰাখে উপ সভাপতি তথা সাংবাদিক বিশ্বজিৎ দাসে। উক্ত অনুষ্ঠানত ছাত্ৰ ছাত্ৰী সকলক উদ্দেশ্যি সাৰুৱা ভাষণ আগবঢ়ায় নিয়মীয়া বাৰ্তা কাকতৰ সাংবাদিক ভগৱান দাসে। 3 নং আমত'লা গাঁৱৰ বহুমুখী সমবায় সমিতিৰ সভাপতি সিদ্ধেশ্বৰ দাস, সম্পাদক দীপক দাস, গাঁও উন্নয়ন সমিতিৰ সহ সম্পাদক ভাস্কৰ দাস, প্ৰকৃতি প্ৰেমী মনোজ কুমাৰ দাসে ছাত্ৰ ছাত্ৰী সকলৰ অতীত বৰ্তমান আৰু ভৱিষ্যত দিশ সম্পৰ্কে বহলাই ভাষণ আগবঢ়ায়। উক্ত অনুষ্ঠানত প্ৰতি গৰাকী ছাত্ৰ-ছাত্ৰীকে গামোচা, মানপত্ৰ, বেগ, এজোপাকৈ গছপুলি আৰু একোটাকৈ কলম বিতৰণ কৰা হয়। উল্লেখ্য যে বিগত প্ৰত্যেক বছৰৰ দৰে এই বেলিও আজিৰ দিনটোতে গাওঁ খনৰ কৃতি ছাত্ৰ-ছাত্ৰী সকলক বিশেষ ভাৱে সম্বৰ্ধনা জনাই আহিছে গাঁও উন্নয়ন সমিতিয়ে।



## চামগুৰিত সত্ৰীয়া, লোকসংগীত, চিৰসেউজ গীত আৰু যোগাসনৰ কৰ্মশালাৰ সফল সামৰণি

**অসম বাৰ্তা, পুৰণিগুদাম, ২৯ জুলাই ঃ** অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু নগাঁও জিলা প্ৰশাসনৰ সহযোগত আৰু ৰাধাকৃষ্ণ শৈক্ষিক গোষ্ঠীৰ ব্যৱস্থাপনাত যোৱা 12 জুলাইৰ পৰা আৰম্ভ হোৱা সত্ৰীয়া সংস্কৃতি, লোকসংগীত আৰু চিৰসেউজ গীত আৰু যোগাসনৰ কৰ্মশালাখন যোৱা 26 জুলাইত সফল সামৰণি পৰে। বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত চামগুৰিস্থিত শংকৰদেৱ শিশু নিকেতনত অনুষ্ঠিত হোৱা উক্ত কৰ্মশালাখনৰ সফল সামৰণি অনুষ্ঠানত বন্তি প্ৰজ্বালন কৰে ৰাধাকৃষ্ণ শৈক্ষিক গোষ্ঠীৰ সভাপতি মৃদুল কলিতাই। ৰাধাকৃষ্ণ শৈক্ষিক গোষ্ঠীৰ সম্পাদক জিণ্টু চাংমায়ে আঁত ধৰা অনুষ্ঠানটোত নগাঁও জিলাৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ পৰিচালনা সমিতিৰ সদস্য তথা চাপানালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা পাৰুল গায়ন, শিঙিয়া বিশ্বম্ভৰদেৱ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী ৰূপৰেখা ফুকন, প্ৰাক্তন অধ্যক্ষ দুৰ্লভ মহন্ত, বিশিষ্ট নাট্যকৰ্মী বীৰেন শইকীয়া, বিশিষ্ট সমাজসেৱক ভৰত দাসকে ধৰি বহুকেইজন গণ্যমান্য লোক উপস্থিত থাকে। ৰাধাকৃষ্ণ শৈক্ষিক গোষ্ঠীৰ সঞ্চালক প্ৰণয় প্ৰতীম ভূঞা, সভাপতি মৃদুল কুমাৰ কলিতা, কাৰ্যকৰী সভাপতি অলক মণি বৰা, কোষাধ্যক্ষ সংগীতা গায়ন, বৰা উপ-সভাপতি অৰ্ণৰাম বৰা, বদন চন্দ্ৰ বৰা, জগত চন্দ্ৰ বৰা, সম্পাদক জিণ্টু চাংমাইসহ সম্পাদক পাৰ্থ প্ৰতীম বৰা, সীমাক্ষী বৰা, ৰেখামণি বৰা, সাংগঠনিক সম্পাদক বৰ্ণালী বৰা আদিকে ধৰি ৰাধাকৃষ্ণ শৈক্ষিক গোষ্ঠীৰ সদস্য আৰু উপদেষ্টাসকলৰ প্ৰচেষ্টাত অনুষ্ঠিত হোৱা কৰ্মশালাখনত প্ৰশিক্ষক হিচাপে সীমাক্ষী বৰা, সত্যকাম বৰা, ড° ৰেখামণি বৰা, আৰু ৰাতুমণি বৰা উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক প্ৰশিক্ষণ প্ৰদান কৰে। কৰ্মশালাৰ সামৰণি অনুষ্ঠানত প্ৰশিক্ষাৰ্থীসকলে সত্ৰীয়া নৃত্য, ভোৰতাল নৃত্য, যোগাসন আদিকে ধৰি গীত-নৃত্য পৰিৱেশন কৰি অনুষ্ঠানটো সফল কৰি তোলে বুলি জানিব পৰা গৈছে।

## ডিব্ৰুগড়ত আহোম সভাৰ কাৰ্যনিৰ্বাহক সভা

### কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৯ জুলাই ঃ** আহোম জনগোষ্ঠীয় সংগঠন সমূহৰ পিতৃ সংগঠন তথা 1893 চনতে গঠিত সদৌ অসম আহোম সভা ডিব্ৰুগড় জিলা সমিতি কাৰ্য্যনিৰ্বাহক সভাখনি ডিব্ৰুগড় চহৰৰ আমোলাপট্টিস্থিত হোটেল কেতেকীৰ সভাগৃহত অনুষ্ঠিত হয়। জিলা সভাপতি সভাপতি চাও ৰঞ্জিত বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা কাৰ্যনিৰ্বাহক সভাত কেন্দ্ৰীয় সমিতিৰ সভাপতি চাও শশাংক নেওগৰ উপস্থিতিত জিলা সমিতিৰ বিষয়ববীয়া, কাৰ্য্যনিৰ্বাহক সদস্যû সদস্যা সকলৰ উপৰিও 20খন আঞ্চলিকৰ প্ৰতিনিধিৰে অংশ গ্ৰহণ কৰে। সভাত এই সময়ছোৱাৰ ৰাজ্যখনৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু সাংগঠনিক দিশ সমূহ-বিশদ আলোচনা কৰি কেইটামান গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰি সংশ্লিষ্ট বিভাগ সমূহৰ লগত যোগাযোগৰ বাবে সভাই সিদ্ধান্ত গ্ৰহণ কৰে। বিশেষভাবে ডিব্ৰুগড় জিলাখনৰ অন্তৰ্গত আহোম যুগৰ কীৰ্তিচিহ্ন সমূহ বে-দখল মুক্ত সংৰক্ষণ আৰু সৌন্দয্যবৰ্দ্ধন কৰি পৰ্য্যটকৰ আকৰ্ষণ হোৱাকৈ গঢ়ি তুলিবলৈ সভাই অসম চৰকাৰক আহবান জনাই। এই ক্ষেত্ৰত জিলাখনত অৱস্থিত সামাজিক প্ৰতিষ্ঠান যেনে অইল ইণ্ডিয়া লিমিটেডত, বি.চি.পি.এল, অসম গেছ কোম্পানী আদিৰ দৰে প্ৰতিষ্ঠানত ডিব্ৰুগড় জিলা আহোম সভাই এই দিশত গুৰুত্ব প্ৰদান কৰিবলৈ বিশেষভাবে আহবান জনাইছে। ইয়াৰ উপৰিও পূৰ্ব সিদ্ধান্তসমূহ তাই আহোম জনগোষ্ঠীক জনজাতি মৰ্য্যদা প্ৰদান, তাই আহোমক স্বায়ত্ব শাসন প্ৰদান, বিশ্ববিদ্যালয়কে ধৰি বিভিন্ন শিক্ষানুষ্ঠানত তাই আহোমৰ বাবে আসন সংৰক্ষণৰ ব্যৱস্থা কৰা, চৰকাৰী চাকৰিত মকৰল তাই আহোমৰ বাবে সংৰক্ষণ ব্যৱস্থা কৰা উপৰিও বিভিন্ন সামাজিক প্ৰতিষ্ঠান যেনে অইল ইণ্ডিয়া লিমিটেড, বি.চি.পি.এল.কে ধৰি এই প্ৰতিষ্ঠান সমূহত তাই আহোমৰ বাবে স্থায়ী মকৰলত আসন সংৰক্ষণ দাবী উত্থাপন কৰে। সাংগঠনিক দিশত পূৰ্বৰ জিলা অধিবেশনত অসম্পূৰ্ণ হৈ থকা জিলা সমিতিখনক আজি সভাই পূনাংগ ৰূপত গঠন কৰে। সেই অনুসৰি ডিব্ৰুগড় জিলা আহোম সভাৰ সভাপতি- চাও ৰঞ্জিত বৰুৱা, কাৰ্য্যকৰী সভাপতি- চাও বিভূতি বৰগোহাঁই, উপ-সভাপতি- সুৰুজ কুমাৰ গগৈ, ৰোহিতেশ্বৰ বৰুৱা, চৈতেন্ন দিহিঙ্গীয়া, সাধাৰণ সম্পাদক - দিগন্ত ফুকন, সহকাৰী সম্পাদক নীলিম সন্দিকৈ, ইন্দ্ৰকান্ত গগৈ, গজেন গগৈ, দুলাল গগৈ, দেৱ দুৱৰা, সাংগঠনিক সম্পাদক মৃদুপৱন লাহন, নিতুল গগৈ, প্ৰচাৰ সম্পাদক যোগানন্দ গগৈ, কোষাধ্যক্ষ পদ্মেশ্বৰ মোহন, সাংস্কৃতিক সম্পাদক গন্ধেশ্বৰ চমুৱা, কাৰ্য্যনিৰ্বাহক সদস্য সৰ্বচাও সীমান্ত ফুকন, ভাস্কৰ গোহাঁই, দীপৰঞ্জন দুৱৰা, ৰূপেশ্বৰ গগৈ, ৰমেন গগৈ, হীৰেন চেতিয়া, ভুলেশ্বৰ বৰুৱা, মহিম কোঁৱৰ, মীনাক্ষী গগৈ, মণি গগৈ, মধুমিতা গগৈ, কল্যাণ গগৈ আৰু ৰূপজ্যোতি গগৈ সৰ্বসন্মতিক্ৰমে অন্তৰ্ভুক্ত কৰা হয়।




*শ্ৰীমন্ত শংকৰদেৱৰ স্থাপিত সত্ৰসমূহত গছপুলি ৰোপণ আৰু বিতৰণৰ দৃশ্য*

গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত সদৌ অসম আন্তঃজিলা বেডমিণ্টন

## চেম্পিয়ন দল শিৱসাগৰ, ৰাণাৰ্চআপ গুৱাহাটী-ৰঙিয়া

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ২৯ জুলাই ঃ** গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত, অসম বেডমিণ্টন সন্থাৰ সহযোগত জিলা ক্ৰীড়া সন্থাৰ নৱ-নিৰ্মিত ইনডৰ ষ্টেডিয়ামত গাম্ভীৰ্যপূৰ্ণভাৱে আয়োজিত 73 সংখ্যক সদৌ অসম আন্তঃ জিলা বেডমিণ্টন প্ৰতিযোগিতা পূৰ্ণ গতিত অব্যাহত আছে। যোৱা 25 জুলাইৰ পৰা আৰম্ভ হোৱা প্ৰতিযোগিতাত শিৱসাগৰ জিলাই চেম্পিয়ন দলৰ খিতাপ লাভ কৰিবলৈ সক্ষম হয়। ৰাণাৰ্চ আপ দলৰ খিতাপ আৰ্জন কৰে। মেনছ চিংগলছত কামৰূপ জিলা দলৰ তন্ময় বিকাশ বৰুৱাই শিৱসাগৰৰ হিমানিছ দাসক, মহিলাৰ শাখাত শিৱসাগৰ জিলা দলৰ শান্তিপ্ৰিয়া হাজৰিকাই কামৰূপ জিলা দলৰ অনুশ্ৰী মহন্তক, জুনিয়ৰ বয়জত শিৱসাগৰ দলৰ সৰ্বভাৰতীয় পৰ্যায়ৰ কৃতী খেলুৱৈ বৰ্ণিল বিকাশ চাংমায়ে কামৰূপ দলৰ শুভাংকৰ দত্তক আৰু জুনিয়ৰ গাৰ্লছত শিৱসাগৰৰ শুভ্ৰশ্ৰী স্মিতা বৰুৱাতীয়ে কামৰূপ দলৰ ভৱিষ্যা চাংমাইক পৰাজিত কৰে। আন- আন ইভেণ্টৰ খেলসমূহ বৰ্তমান অতি নিয়াৰিকৈ আৰু শংখলাবদ্ধভাৱে অব্যাহত আছে। প্ৰতিযোগিতাখনিত অসমৰ 25খন জিলাৰ হাজাৰৰো অধিক খেলুৱৈৰ সমাৱেশেৰে গোলাঘাট ষ্টেডিয়ামত উদুলি-মুদুলি পৰিৱেশৰ বিৰাজ কৰিছে। উল্লেখ্য যে, গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ সভাপতি ডাঃ অজিত বৰুৱা, সাধাৰণ সম্পাদক সঞ্জীৱ সন্দিকৈৰ নেতৃত্বত, বেডমিণ্টন বিভাগৰ সম্পাদক নৱজ্যোতি বৰা আৰু বিষয়ববীয়া সকলৰ তত্ত্বাৱধানত আয়োজন কৰা প্ৰতিযোগিতাখনি সৰ্বাংগসুন্দৰ আৰু নিয়াৰিকৈ কৰা পৰিচালনাৰ বাবে ক্ৰীড়াপ্ৰেমীৰ দ্বাৰা প্ৰশংসিত হ'বলৈ সক্ষম হৈছে। জিলা ক্ৰীড়া সন্থাৰ উপ-সভাপতি, বিশিষ্ট শিক্ষাবিদ ড° নৃপেন বৰুৱা, বেডমিণ্টন বিভাগৰ সম্পাদক নৱজ্যোতি বৰাই সংশ্লিষ্ট সকলোকে ধন্যবাদ জ্ঞাপন কৰিছে। অহা 31 জুলাইত প্ৰতিযোগিতাখনি অন্ত পৰিব।

